● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**



যিকোনো ব্যৱসায়ত সফল হোৱাৰ ৰহস্যটো হ'ল কোনো বিষয়ত ভালদৰে শিক্ষিত হোৱা, যাতে উদ্যোগীজনে প্ৰত্যয়েৰে দক্ষতাৰে কামত হাত দিব পাৰে।
জৰ্জ লুকাছ
*আমেৰিকাৰ ছবি পৰিচালক*

www.dainikagradoot.in

৫ ইউক্ৰেইন সংকটত ভাৰতত সোণৰ মূল্যবৃদ্ধি
১৫ প্ৰথম টি-২০ত ভাৰতৰ জয়লাভ
৪ পিতৃ পৰিচয়ক লৈ ব্যংগ আৰু প্ৰাচীন ভাৰতীয় পৰম্পৰা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৩৮তম সংখ্যা ● গুৱাহাটী ● শুকুবাৰ ১২ ফাগুন ১৪২৮ ভাস্কৰাব্দ ২৫ ফেব্ৰুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 25 February 2022 মূল্য ঃ ৯.০০ টকা

## সাম্ৰাজ্যবাদীৰ গ্ৰাসত দেশৰ শিক্ষা ব্যৱস্থা

**দেশ-কাল-সমাজ**
**ড° দীনেশ বৈশ্য**



ওঠৰ আৰু উনৈশ শতিকাত পশ্চিমীয়া দেশসমূহৰ আভ্যন্তৰীণ আৰ্থ-সামাজিক সংকটৰ সমাধান বিচাৰি অস্ত্ৰ আৰু বুদ্ধি বলেৰে নানা কৌশল প্ৰয়োগ কৰি পূবৰ দেশসমূহত উপনিৱেশ স্থাপন কৰিছিল। ঔপনিৱেশিক পশ্চিমীয়া প্ৰশাসকসকলে পূবৰ দেশসমূহৰ ঐশ্বৰ্য ভাণ্ডাৰ লুটি নি নিজৰ দেশক চহকী কৰিছিল। ঔপনিৱেশকাৰীসকলৰ বিৰুদ্ধে যুঁজি বহুতো দেশ *১০ পৃষ্ঠাত চাওক*

■ ইউক্ৰেইনৰ ৭০ৰো অধিক সামৰিক ঘাটি ধ্বংস ৰাছিয়াৰ ■ ১১খন এয়াৰফিল্ডো ধ্বংসপ্ৰাপ্ত কৰাৰ দাবী ■ ইউক্ৰেইনত অৱতৰণ ৰুছ ছত্ৰসেনাৰ ■ হিটলাৰৰ কৌশলেৰেই অগ্ৰসৰ পুটিন

# তিনি দিশৰ পৰা ইউক্ৰেইনক আক্ৰমণ

■ নিউজ ব্যুৰ'
**মস্কো/কিয়েভ, ২৪ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইনক তিনিও দিশৰ পৰা আগুৰি ধৰি পূৰ্ণাংগ সমৰসজ্জাৰে যুদ্ধক্ষেত্ৰত জঁপিয়াই পৰিল ৰাছিয়া। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত ইউৰোপত সৰ্ববৃহৎ সংঘৰ্ষৰ সূচনা কৰি ইউক্ৰেইনৰ ওপৰত জঁপিয়াই পৰিল ৰুছ সেনা বাহিনী। বহু মাহ পূৰ্বৰে পৰাই এই যুদ্ধৰ প্ৰস্তুতি চলাইছিল ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে। সামৰিক অনুশীলনৰ অজুহাত দেখুৱাই



বেলাৰুছত ৰুছ সেনাৰ প্ৰৱেশৰ পাছতেই আমেৰিকাসহ পশ্চিমীয়া বিশ্বই আসন্ন যুদ্ধৰ আশংকা প্ৰকাশ কৰিছিল। পদাতিক বাহিনী, ক্ষেপণাস্ত্ৰ, ক্ষুদ্ৰ অস্ত্ৰ, মিগ-ছুখই যুদ্ধ বিমান, ৰুছ বায়ুসেনাৰ এম আই-২৬ৰ দৰে গধুৰ হেলিকপ্টাৰকে ধৰি অত্যাধুনিক মাৰণাস্ত্ৰৰ সম্ভাৰেৰে ৰাছিয়াৰ সেনা বাহিনীয়ে বেলাৰুছৰ স'তে থকা ইউক্ৰেইনৰ উত্তৰৰ সীমান্তৰ পৰা আক্ৰমণ আৰম্ভ কৰে। ইউক্ৰেইনৰ *১০ পৃষ্ঠাত চাওক*



■ বোমা বৰ্ষণৰ শব্দত ৰাতি পুৱাল ■ যুদ্ধ বিমানৰ গৰ্জন, বাংকাৰত বাঢ়িছে ভিৰ ■ আতংকত পলায়ন কিয়েভবাসীৰ ঃ আশ্ৰয় ষ্টেছনত

■ মূল্যবৃদ্ধিৰ লগতে চীনা আক্ৰমণৰ সন্মুখীন হোৱাৰ আশংকা ভাৰতৰ ■ বন্ধ হৈ পৰিল ইউক্ৰেইনৰ আকাশসীমা ■ এতিয়াও ইউক্ৰেইনত আবদ্ধ ১৮ হেজাৰ ভাৰতীয় ■ গুগল মেপ চাই নিৰাপদ স্থানত আশ্ৰয় ল'বলৈ পৰামৰ্শ দূতাবাসৰ ■ উদ্বিগ্ন-অসহায় অৱস্থাৰ সৃষ্টি

## আদবাটৰ পৰাই উভতিল ভাৰতৰ বিমান



■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াই আক্ৰমণ কৰাৰ লগে লগে অনিৰ্দিষ্টকালৰ বাবে বন্ধ কৰি দিয়া হ'ল ইউক্ৰেইনৰ আকাশসীমা। যাৰ বাবে ইউক্ৰেইনত আবদ্ধ হৈ পৰা ভাৰতীয় নাগৰিকক উদ্ধাৰৰ বাবে যোৱা এয়াৰ ইণ্ডিয়াৰ অন্তিমখন বিমানে মাজপথৰ পৰাই দিল্লীলৈ উভতি আহিবলৈ বাধ্য হ'ল। 'এআই১৯৪৭' বিমানখন উভতি অহাত এই মুহূৰ্তত ইউক্ৰেইনত আবদ্ধ হৈ থকা ভাৰতীয় নাগৰিকসকলৰ স্বদেশলৈ প্ৰত্যাৱৰ্তনো প্ৰায় অনিশ্চিত হৈ পৰিল। অসমৰ্থিত সূত্ৰই জনোৱা মতে, আক্ৰান্ত দেশখনত এতিয়াও প্ৰায় ১৮ হেজাৰ ভাৰতীয় নাগৰিক আবদ্ধ হৈ আছে। উল্লেখ্য যে যুদ্ধ অৱধাৰিত হৈ পৰাৰ ইংগিত পোৱাৰ লগে লগে ইউক্ৰেইনত থকা ভাৰতীয় *১০ পৃষ্ঠাত চাওক*

## পাঁচ যুদ্ধবিমান ধ্বংসৰে ৰাছিয়াক উপযুক্ত প্ৰত্যুত্তৰ ঃ দাবী ইউক্ৰেইনৰ




■ নিউজ ব্যুৰ'
**কিয়েভ, ২৩ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ সমানে ইউক্ৰেইনৰ সামৰিক বাহিনীয়ে পাঁচখন ৰুছ বিমান আৰু এখন হেলিকপ্টাৰ ধ্বংস কৰিছে। বিদ্ৰোহীৰ দ্বাৰা পৰিবেষ্টিত ৰাষ্ট্ৰখনৰ পূবৰ এটা অঞ্চলত এই সাফল্য দাবী কৰি ইউক্ৰেইনৰ সেনা জেনেৰেলে কয়, 'যৌথ বাহিনী কমাণ্ডৰ মতে আজি যৌথ বাহিনীৰ অভিযানত আক্ৰমণকাৰীৰ পাঁচখন বিমান আৰু এখন হেলিকপ্টাৰ ভূপতিত কৰা হৈছে।' তদুপৰি ইউক্ৰেইনে দাবী কৰে যে ৪০জন ৰুছ সেনাক ধৰাশায়ী কৰিবলৈ সক্ষম হৈছে। তদুপৰি ইউক্ৰেইনে সদৰী কৰে *ছয় পৃষ্ঠাত চাওক*

## কাইলৈ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান পৰিদৰ্শন কৰিব ৰাষ্ট্ৰপতিয়ে

২,৪৭৯ গঁড়ৰ খৰ্গভস্মৰে নিৰ্মাণ হৈছে গঁড়ৰ মূৰ্তি

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২৪ ফেব্ৰুৱাৰী ঃ** কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমত উপস্থিত হ'ব ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দ। গুৱাহাটী আৰু তেজপুৰত নিৰ্ধাৰিত অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ পাছত ৰাষ্ট্ৰপতি ২৬ ফেব্ৰুৱাৰীত *আঠ পৃষ্ঠাত চাওক*

পৌৰ নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰতিশ্ৰুতি ■ অসম্ভৱক সম্ভৱ কৰাৰ যাত্ৰাৰে আগবাঢ়িম ঃ শৰ্মা

## ভূমি অধিকাৰ প্ৰদান-প্ৰতিখন চহৰক আবৰ্জনামুক্ত কৰাৰ সংকল্পপত্ৰ মুকলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব লগা ৰাজ্যৰ ৮০ খন পৌৰসভাৰ বিজেপিয়ে ইতিমধ্যে তিনিখনত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হোৱাৰ পাছত বিজয়ৰ যি সংকল্প ইতিমধ্যে সেয়া বাস্তৱায়িত হৈছে বুলি মন্তব্য কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। আজি ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত পৌৰসভাৰ নিৰ্বাচনৰ বাবে দলৰ সংকল্প পত্ৰ মুকলি কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ *আঠ পৃষ্ঠাত চাওক*



■ চহৰৰ মাজত থকা সৰু সৰু কাৰ্যালয় একত্ৰীকৰণ ■ গৃহ নিৰ্মাণৰ অনুমতি-ট্ৰেড লাইচেন্স-হল্ডিং নম্বৰ আদি অনলাইন ব্যৱস্থাৰে লাভৰ সুবিধা ■ প্ৰতিখন চহৰত বিদ্যুৎ চালিত বাছ ■ ২৪ ঘণ্টাই বিশুদ্ধ পানী যোগান ■ প্ৰতিখন চহৰত ইথানেল প্ৰস্তুতকাৰী প্ৰকল্প ■ প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহ ■ চাৰে সাত হেজাৰ ষ্ট্ৰীট লাইট স্থাপন ■ কৃত্ৰিম বানমুক্ত চহৰ ■ ডিজিটেল প্লেটফৰ্মৰ সেৱা ■ জীৱ-জন্তুৰ বাবে উন্নত পশু চিকিৎসালয়

■ ভয়াৱহ ক্ষতিৰ ক্ষমতাধৰ বোমা

## সকলো বোমাৰ পিতৃ! ৰাছিয়াৰ হাতত ৪৪টন ওজনৰ টিএনটি বোমা

■ নিউজ ব্যুৰ'
**মস্কো, ২৩ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াৰ হাতত আছে আমোঘ অস্ত্ৰ। সেয়া হৈছে ৪৪টন ওজনৰ অপৰমাণু টিএনটি বোমা। ইয়াক কোৱা হয় সকলো



বোমাৰে পিতৃ। এই বোমা হৈছে বিশ্বৰ সবাতোকৈ শক্তিশালী অপৰমাণু বোমা। ইয়াৰ দ্বাৰা তিনিশ কিলোমিটাৰ ব্যাসাৰ্ধৰ এটা অঞ্চলত ভয়াৱহ ক্ষতিসাধন কৰিব পাৰি। তথ্য অনুসৰি ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে এই 'ফাডাৰ অৱ অল ব'ম্বছ' নিক্ষেপ কৰিবলৈ পৰিকল্পনা কৰিছে। ইয়াৰ দ্বাৰা ভীতিগ্ৰস্ততাৰ সৃষ্টিৰ পৰিকল্পনা *দুই পৃষ্ঠাত চাওক*

## ইউক্ৰেইনলৈ সেনা প্ৰেৰণ নকৰে নাটোৱে

পুটিনৰ আক্ৰমণত অকলশৰীয়া কিয়েভ

■ নিউজ ব্যুৰ'
**মস্কো, ২৩ ফেব্ৰুৱাৰী ঃ** আজি আমেৰিকা নেতৃত্বাধীন নাটোৰ মুৰব্বীয়ে ঘোষণা কৰে যে ইউক্ৰেইনলৈ তেওঁলোকে বাহিনী প্ৰেৰণ নকৰে। মুৰব্বী জেনছ ষ্ট'লেনবাৰ্গে কয় যে কাইলৈ এই সম্পৰ্কে আলোচনা কৰিবলৈ ভিডিঅ'যোগে বৈঠক কৰা হ'ব। তেওঁ দোহাৰে যে ইউক্ৰেইনলৈ মিত্ৰ বাহিনী প্ৰেৰণৰ কোনো পৰিকল্পনা নাই । মনকৰিবলগীয়া যে প্ৰথমবাৰৰ বাবে *দুই পৃষ্ঠাত চাওক*

## কংগ্ৰেছ এতিয়া কেৱল একাংশ সুবিধাবাদী, ধনী নেতাৰ দল ঃ দাহাল



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ পৰা আৰম্ভ কৰি অসম প্ৰদেশ কমিটীলৈ, নেতৃত্বৰ নামত দলটোত এতিয়া কেৱল একাংশ বংশগতভাৱে ধনী আৰু সুবিধাবাদী ৰাজনীতিকৰ দপ-দপনি। সম্প্ৰতি কংগ্ৰেছত নিস্বাৰ্থভাৱে সেৱা *১০ পৃষ্ঠাত চাওক*

আজিৰ পৰা শ্ৰীমন্ত শংকৰ সংঘৰ অধিৱেশন ঃ সম্পূৰ্ণ হৈছে প্ৰস্তুতি


## ২০ লাখ ভক্তৰ উপস্থিতিৰ সম্ভাৱনা



**অগ্ৰদূত বাৰ্তা**
**নাহৰকটীয়া/নামৰূপ, ২৪ ফেব্ৰুৱাৰী ঃ** কাইলৈৰ পৰা নাহৰকটীয়াত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হ'ব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১সংখ্যক বাৰ্ষিক অধিৱেশন। ইয়াৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে আদৰণি সমিতিয়ে। নাহৰকটীয়াৰ চাচনী, কলিয়াপানী আৰু ৰাঙলীপথাৰৰ বাগ্মীবৰ ককা নীলমণি ফুকন সমন্বয় ক্ষেত্ৰত ডিব্ৰুগড় জিলা শাখাৰ আমন্ত্ৰণক্ৰমে অনুষ্ঠিত হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯১সংখ্যক বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি আদৰণি সমিতি এতিয়া সাজু হৈছে লক্ষাধিক ভকতক আদৰিবলৈ। শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ আদৰ্শ প্ৰতিষ্ঠাৰ বাবে সৃষ্টি হোৱা শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ বাৰ্ষিক অধিৱেশনক লৈ এতিয়া *ছয় পৃষ্ঠাত চাওক*

## ঢেকিয়াজুলিত জ্বলাই দিলে বোৱাৰীক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** বিবাহৰ পাছৰ পৰাই এগৰাকী মহিলাক শাৰীৰিক-মানসিক অত্যাচাৰ চলাই অহাৰ লগতে দেহত কেৰাচিন ঢালি জ্বলাই দি হত্যাৰ অপচেষ্টা চলোৱাৰ এক গুৰুতৰ অভিযোগ উঠিছে *ছয় পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ২৭° | ১৬° |
| ডিব্ৰুগড় | ২১° | ১১° |
| দিল্লী | ২৬° | ১৩° |
| কলকাতা | ৩০° | ২০° |
| মুম্বাই | ৩২° | ২৩° |
| চেন্নাই | ৩২° | ২৩° |
| বাংগালুৰু | ২৯° | ১৪° |
| শ্বিলং | ১৭° | ০৯° |

*২৪ জানুৱাৰী, ২০২২*

■ বৰকটকীক কোষাধ্যক্ষসহ ১৭ উপ-সভাপতি ৩২ সাধাৰণ সম্পাদক-৬৪ সম্পাদক নিযুক্তি




## অৱশেষত প্ৰদেশ কংগ্ৰেছৰ পূৰ্ণাংগ সমিতি ঘোষণা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** যুৱ আৰু নতুন মুখক প্ৰাধান্যৰে পৌৰ নিৰ্বাচনৰ আগমুহূৰ্তত অসম প্ৰদেশ কংগ্ৰেছ কমিটী (এপিচিচি)ৰ পূৰ্ণাংগ কমিটীখন আজি ঘোষণা কৰা হয়। নিখিল ভাৰত কংগ্ৰেছ কমিটী (এআইচিচি)ৰ সাধাৰণ সম্পাদক কে চি বেনুগোপাল স্বাক্ষৰিত কমিটীত উপ-সভাপতিৰূপে সাতজনক, সাধাৰণ সম্পাদকৰূপে ৩২জনক, সম্পাদকৰূপে ৬৪ জনক, যুটীয়া সম্পাদকৰূপে ১৮ জনক, জ্যেষ্ঠ মুখপাত্ৰৰূপে ১৩জনক আৰু মুখপাত্ৰৰূপে ২০ জনক আৰু ৫৯জনক কাৰ্যনিৰ্বাহকৰ সদস্যৰূপে নিযুক্তি দিয়া হৈছে। কোষাধ্যক্ষ নিযুক্তি দিয়া হৈছে জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী শৰৎ বৰকটকীক। এই নিযুক্তিৰ পূৰ্বে সভাপতিৰূপে ভূপেন বৰা আৰু কাৰ্যকৰী সভাপতিৰূপে ৰাণা গোস্বামী, কমলাক্ষ্য দে পুৰকায়স্থ আৰু জাকিৰ হুছেইন শিকদাৰক এআইচিচিয়ে দায়িত্ব অৰ্পণ কৰিছিল। আজি ঘোষিত কমিটীখনক লৈ অসন্তুষ্টিও বিয়পি পৰিছে। ইপ্সিত পদ নোপোৱাৰ ক্ষোভত দলৰ *১০ পৃষ্ঠাত চাওক*

ইউক্ৰেইনত সন্মুখীন পৰিস্থিতিৰ বিষয়ে জনালে প্ৰতীক্ষা-নিকিতাই ■ যুদ্ধৰ মাজত আবদ্ধ অসমৰ ছাত্ৰ-ছাত্ৰী ঘৰলৈ উভতিবলৈ উদ্বাউল

## আমাৰ পৰা ২৫ কিলোমিটাৰ আঁতৰত চলিছে দুই সেনা বাহিনীৰ তয়ামনা যুদ্ধ

কেন্দ্ৰীয় চৰকাৰে আগতীয়াকৈ সতৰ্ক নকৰাত ক্ষোভ ■ এটিএম বন্ধ হোৱাত আৰ্থিক সংকটত ভোগাৰ আশংকা ■ গভীৰভাৱে চিন্তিত হৈছে পিতৃ-মাতৃ-অভিভাৱক

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**
**গুৱাহাটী/তেজপুৰ/নগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** যুদ্ধৰ ৰণভেৰী বাজি উঠা ইউক্ৰেইনত আছে অসমৰ যথেষ্টসংখ্যক ছাত্ৰ-ছাত্ৰী। সম্প্ৰতি ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজৰ যুদ্ধৰ অগ্নিগৰ্ভা পৰিৱেশত চৰম বিপদৰ সন্মুখীন হৈছে এই ছাত্ৰ-ছাত্ৰীসকল। ইয়াৰ মাজতে তেওঁলোকক সেই দেশৰ *১০ পৃষ্ঠাত চাওক*

## চেঙা তেল



*বজাৰত দেখোন জুই জ্বলিছে! কি সাহসতনো সেইমুৰা হ'বলৈ ওলাই আহিছে!*

■ অৱশেষত ৰাষ্ট্ৰপতিৰ আগমনত সাৰ পালে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ■ বাঁহ-টিনপাতেৰে চলাইছে অভিযান

## ঘাইপথৰ ভাঙি-ছিঙি যোৱা অংশক ঢাকি ৰখাৰ চেষ্টা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** বছৰৰ ৩৬৫ টা দিনেই ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ, বিশেষকৈ ৰাজধানী মহানগৰীৰ জালুকবাৰীৰ পৰা খানাপাৰালৈ এই ১৮ কিলোমিটাৰ পথছোৱা জহি-খহি যোৱাৰ পাছতো মেৰামতি কৰিবলৈ আহৰি নোপোৱা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে অৱশেষত টোপনিৰ পৰা সাৰ পালে। আচলতে ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দৰ অসম ভ্ৰমণৰ আগমুহূৰ্ততহে টোপনি ভাগিল প্ৰাধিকৰণৰ। ফলত শতাধিক শ্ৰমিক লগত লৈ যুদ্ধংদেহি ৰূপত মেৰামতিৰ কামত ব্যস্ত হৈছে। গাড়ীয়ে গাড়ীয়ে আনিছে



বাঁহ, টিনপাত, ৰছী। প্ৰাধিকৰণৰ ভিতৰি ভিতৰি খং-লোহাৰ বেলিং, ফেন্সিং, দামী দামী টিনপাত চুৰি কৰি নিয়াত, এতিয়া জালুকবাৰীৰ পৰা খানাপাৰালৈ জহি-খহি যোৱা সকলো অংশত শতাধিক শ্ৰমিকে এফালৰ পৰা জাতি বাঁহৰ খুঁটি পুতি বান্ধিছে টিনপাত। ডিভাইডাৰত ঝাড়ু মাৰিছে। ছাৰ্ভিচ ৰোডত থকা হাবি-বননি কাটি, শুকান পাত গোটাই জুই লগাইছে। গছৰ গুৰিত চূণ সানিছে। আজি গোটেই দিনটোত একপ্ৰকাৰ ৰাষ্ট্ৰীয় ঘাইপথত কেৱল ধোঁৱা, জুইৰ ধোঁৱা কাৰণ ইমূৰৰ পৰা সিমূৰলৈ শ্ৰমিকে ঝাড়ু মাৰিছে, জাবৰ গোটাইছে আৰু জ্বলাই *আঠ পৃষ্ঠাত চাওক*

## পৌৰসভা নিৰ্বাচনত অগপ-বিজেপি পৰস্পৰৰ প্ৰতি আক্ৰমণাত্মক

■ ৰাজ্যিক নেতৃত্বৰ আহ্বানলৈ গুৰুত্ব নাই

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** পৌৰসভাৰ নিৰ্বাচনৰ প্ৰচাৰত মিত্ৰদল অসম গণ পৰিষদৰ প্ৰতি বন্ধুত্বসুলভ আচৰণ প্ৰদৰ্শন কৰিবলৈ ৰাজ্যিক বিজেপিৰ নেতৃত্বই দলৰ সকলো জিলা সমিতিক পৰামৰ্শ আগবঢ়াইছে। স্বয়ং মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বাৰ্তাও প্ৰেৰণ কৰা *দুই পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৫ ফেব্ৰুৱাৰী, শুকুৰবাৰ ২০২২ পৃষ্ঠা তিনি

# লাহৰীঘাটৰ ঔতলাবড়ীত ভয়াৱহ অগ্নিকাণ্ড জুইত জাহ গ'ল ১২ টাকৈ বাসগৃহ

**অগ্ৰদূত বাৰ্তা**
**লাহৰীঘাট, ২৪ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত ঔতলাবড়ীত আজি ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। অগ্নিকাণ্ডত ভষ্মীভুত হয় ১২ টাকৈ বাসগৃহ। অগ্নিকাণ্ডৰ ফলত আমিৰ হুছেইন, আফিল উদ্দিন, শৰিফুৰ ইছলাম, বাহাৰুল ইছলাম, মুজাহিদুল ইছলাম, মহৰ উদ্দিন, জালাল উদ্দিন, ইমৰান হুছেইন, ছামিনাকে ধৰি ১২ টাকৈ বাসগৃহ সম্পূৰ্ণৰূপে জুইত জাহ যায়। জুইৰ লেলিহান শিখাই অতি কম সময়ৰ ভিতৰতে ছয় পৃষ্ঠাত চাওক

# ডিব্ৰুগড়ৰ ৰহমৰীয়াত অবৈধ কাঠফলা মিল উচ্ছেদ ঃ জব্দ সামগ্ৰী

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২৪ ফেব্ৰুৱাৰী ঃ** দেশৰ উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞা সত্বেও দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো অবৈধভাৱে গছ কটা আৰু কাঠৰ মিল চলি থকা কাৰ্যই প্ৰকৃতি তথা বনপ্ৰেমীক উদ্বিগ্ন ছয় পৃষ্ঠাত চাওক

## বিলাসনন্দন চ'ৰা



# পৰুৱা নিৰ্বাচন

**ভোট** ভোটেই! ভোটৰ সৰু-ডাঙৰ কি আছে? তথাপি কিয় জানো আমাৰ মানুহে পৌৰ ভোটক বৰ বেছি পাত্তা দিব নোখোজে! কথাবোৰ বেয়া! ইমানকৈ বৈষম্য কৰাটো উচিত নহয়। বাকী ভোটত যেনেকৈ আটায়ে কষ্ট কৰে, ইয়াতো কৰিছে। অ' এটা কথা ক'ব পাৰে যে ইয়াত পাৰ্টিৰ লেবেল কম, এই বুলিতো লেভেল কমিব নোৱাৰে। অৱশ্যে পৌৰ ভোটবোৰত এটা সমস্যা হয়। যিবোৰে ভোটত থিয় হৈছে, সিহঁতে কিন্তু নিজেই নাজানে ৰাইজৰ কাৰণে তেওঁলোকে কি ক'ব? কি কৰিব? কোনোবা কেণ্ডিডেটে যদি ভোট বিচাৰি যায় আৰু ভোটাৰে যদি সোধে যে ভোট দিলে কি কৰিব, তেতিয়া কেণ্ডিডেটে কয়— 'কি বা কৰিম জিকিলে? শোভাযাত্ৰাতো এটা উলিয়ামেই! ল'ৰাবোৰে খানা এটা খাব। পেপাৰ আৰু চেনেলত জিকা কেণ্ডিডেটৰ লিষ্টত নামটো ওলাইছে নে নাই, তাকে চাবলৈ ল'ৰা-তিৰোতাক কামত লগাই দিয়া হ'ব! এতিয়ালৈকে মই এইখিনি কামেই কৰিম বুলি ভাবিছো।'

ঃ আমাৰ ৰাইজৰ কাৰণে কি কৰিব?
ঃ আগতে ডাঙৰ ডাঙৰ মিনিষ্টাৰ-এমেলেবোৰে কিবা কৰকচোন? তেওঁলোকক ছাপ'ৰ্ট দিবলৈ আমি পাছফালে থিয় দি থাকিম।
ঃ আৰু বেলেগ কিবা?

প্ৰশ্নৰ বৰষুণ আৰু বেছি জোৰদাৰ হোৱাৰ আগেয়ে কেণ্ডিডেটবোৰে ভোটাৰৰ আগৰ পৰা কাটি খাই যায়। বহুতে ক'ব খোজে যে পৌৰ নিৰ্বাচনটো আচলতে প্ৰৌঢ় নিৰ্বাচনহে। যিসকলে লিডাৰৰ পাছত থাকোতে থাকোতে দাড়ি-চুলি পকি যায়, তেওঁলোকে আহিহে এই নিৰ্বাচনটো খেলে। সেই কাৰণে ইয়াক প্ৰৌঢ় নিৰ্বাচনো বোলা হয়। বহুতে আকৌ এই বিষয়টোক লৈ বিভিন্ন ধৰণে আলাপ-আলোচনা কৰে। একাংশই কয়—'পৌৰ নিৰ্বাচনটো আচলতে পোৰা নিৰ্বাচনহে!'

ঃ মানে?
ঃ যিবোৰে বিভিন্ন ইলেকছনত টিকট বিচাৰি বিচাৰি ভাগৰি গৈ হিংসাৰ জুইত পুৰি মৰে, সেই পুৰি মৰাবোৰেই এই নিৰ্বাচনত খাড়া হয়। সেই কাৰণে পৌৰ নিৰ্বাচনক পোৰা নিৰ্বাচন বুলিব পাৰি।
ঃ এই নিৰ্বাচনটোৰ পৰা কাৰ কি লাভ হয়?
ঃ কাৰো একো লাভ নহয়।
ঃ নিৰ্বাচনটো নাপাতিলে কি হ'লহেঁতেন?
ঃ পাতিও একো নহয়, নাপাতিলেও একো নহ'লহেঁতেন।
ঃ তেনেহ'লে ইমান পইচা খৰচ কৰি পাতে কিয়?
ঃ গণতন্ত্ৰ ৰক্ষা কৰিবলৈ।
ঃ ইয়াৰ দ্বাৰা কেনেকৈ গণতন্ত্ৰ ৰক্ষা হ'ব?
ঃ জনগণক তন্ত্ৰ-মন্ত্ৰ কৰি এতিয়াই অলপ কাবু কৰি পেলালে পাছৰবাৰৰ কাৰণে অলপ সহজ হ'ব।
ঃ মানে এইটো লোকেল এনাষ্টেচিয়া নেকি? অপাৰেছনৰ আগেয়ে দি দেহাৰ আধাখিনিক যে কাবু কৰি পেলোৱা হয়।



ঃ ঠিক তেনেকুৱা বুলিয়ে ক'ব পাৰা। আধাখিনি চেন্সলেছ কৰি এফালৰ পৰা কাটি যাব পাৰে।
ঃ বা পৌৰ নিৰ্বাচন নুবুলি ইয়াক পেৰা নিৰ্বাচনো বুলিব পাৰা।
ঃ পেৰা নিৰ্বাচন মানে?
ঃ এই নিৰ্বাচনটোৰে ধুই-পখালি পেৰাটো চাফা কৰি লোৱা হয় আৰু পাছৰ নিৰ্বাচনবোৰত পেৰাটো ফুল কৰি পেলোৱা হয়।
ঃ এই পেৰা নিৰ্বাচনে ৰাইজক কিবা দিব পাৰেনে?
ঃ ৰাইজক একো দিব নোৱাৰে।
ঃ তেন্তে কাক দিব পাৰে?
ঃ কেইখনমান নিৰ্দিষ্ট ঘৰক দিব পাৰে।
ঃ কি?
ঃ শান্তি দিব পাৰে।
ঃ কেনেকৈ?
ঃ এনেয়ে ঘৰতে বহি বহি চাহ-তামোল খাই টাইম পাছ কৰি থাকে। এই নিৰ্বাচনটোৱে অন্ততঃ সিহঁতক খাড়া কৰাই চুবুৰীয়ে চুবুৰীয়ে ঘূৰি কিছু ব্যস্ত থকাৰ সুযোগ দিছে।
ঃ এই নিৰ্বাচনত খাড়া হ'বলৈ কি কি কৃতিত্বৰ দৰকাৰ?
ঃ একোৰে দৰকাৰ নাই। কেৱল হাঁহিব আৰু নমস্কাৰটো দিব জানিলে হ'ল।
ঃ আৰু একো নালাগে নেকি?
ঃ আৰু এটা কৃতিত্ব লাগে।
ঃ কি?
ঃ দৌৰিব জানিব লাগে।
ঃ কিয়?
ঃ ভোটাৰে টান টান প্ৰশ্ন সুধি দিব পাৰে। লগে লগে তাৰ পৰা দৌৰিব জানিব লাগিব। নহ'লে সৰেই টেলেণ্টৰ প্ৰমাণ পাই যাব নহয়।
ঃ সেইটো হয়।
ঃ আৰু এটা কৃতিত্ব লাগিব।
ঃ কি?
ঃ নিজৰ জাগালৈ কেতিয়াবা মিনিষ্টাৰবোৰ আহিব।
ঃ অহাত আহিবই।
ঃ তেতিয়া এই নিৰ্বাচন জিকাবোৰে কি কৰিব লাগিব কোৱাচোন।
ঃ কি?
ঃ মিনিষ্টাৰৰ পাছফালে এওঁলোকে পৰুৱাৰ দৰে লাইন পাতি থাকিব লাগিব। এওঁলোকৰ মূল কাম পৰুৱাৰ দৰে লাইন পাতি থকাটোৱে।
ঃ তেন্তে পৌৰ নিৰ্বাচনক এটা নতুন নাম দিওঁ! পৰুৱা নিৰ্বাচন!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## ■গেছ পাইপলাইন সংস্থাপন ঃ চাৰিদুৱাৰৰ পথাৰত বঞ্চিত গৰাকীয়ে আঁৰিলে ফলক■

# গৰাকীৰ অজ্ঞাতে সৰকালে অধিগৃহীত ভূমিৰ মূল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** এক অভিলাষী প্ৰকল্পৰূপে পৰিচিত গুৱাহাটী নুমলীগড় পাইপ লাইন প্ৰকল্পৰ অধীনত অব্যাহত থকা পাইপ লাইন সংস্থাপনৰ বাবে প্ৰয়োজন হোৱা ভূমি চৰকাৰীভাৱে অধিগ্ৰহণ কৰাৰ বিপৰীতে বহুসংখ্যক লোকে ভূমিৰ বাবে লাভ কৰা নাই উপযুক্ত ক্ষতিপুৰণ। এই সন্দৰ্ভত শোণিতপুৰৰ চাৰিদুৱাৰত আনকি বঞ্চিত লোকে পথাৰৰ মাজত ফলক ওলোমাই প্ৰাপ্যৰ দাবী জনাইছে। উল্লেখ্য যে চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গৰৈমাৰী মৌজাৰ উহনি পথাৰ ঢেঁকীদলৰ মাজৰে যোৱা পাইপ লাইন প্ৰকল্পৰ স্থাপনৰ কাম অব্যাহত আছে যদিও উহনি পথাৰৰ ১৪০ নম্বৰ পট্টাৰ ৩০২ দাগৰ তিনি কঠা মাটিৰ মাজত এই পাইপ লাইন সংস্থাপনৰ কাম সদ্যহতে বন্ধ হৈ আছে। এই ভূমিৰ গৰাকীয়ে শোণিতপুৰৰ উপায়ুক্তক যোৱা ১৮ ডিচেম্বৰত এই সন্দৰ্ভত এক আবেদন দাখিল কৰিছিল। আৱেদনখনত ভূমিৰ গৰাকী মাতু বসুমতাৰীয়ে উল্লেখ কৰা অনুসৰি, তেওঁৰ ভূমিৰ অধিগ্ৰহণ সন্দৰ্ভত বিভাগীয়ভাৱে কোনো ধৰণৰ জাননী বা যোগাযোগ বা অৱগত কৰা হোৱা নাই। বসুমতাৰীয়ে নিজে তেওঁৰ মাটিত পাইপ পেলোৱাৰ পাছতহে এই সন্দৰ্ভত জানিব পাৰে। ইয়াৰ পাছত তেওঁ গুৱাহাটী নুমলীগড় পাইপ লাইন প্ৰকল্পৰ অভিযন্তাক বিষয়টো সন্দৰ্ভত জানিব বিচৰাত বিষয়াগৰকীয়ে ছয় পৃষ্ঠাত চাওক



*বোকাখাতত পৌৰসভা নিৰ্বাচনৰ প্ৰচাৰত ব্যস্ত মন্ত্ৰী অতুল বৰা, বৃহস্পতিবাৰে।*

# দুৰ্ঘটনাক কেন্দ্ৰ কৰি বালিপৰাত নিশা উত্তপ্ত পৰিস্থিতি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** যোৱা নিশা প্ৰায় ১০-৩০ বজাত বালিপৰাৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এক দূৰ্ঘটনাৰ পাছতে উত্তপ্ত পৰিস্থিতিৰ উদ্ভৱ হয়। ৰাষ্ট্ৰীয় ঘাইপথটোত থকা চাৰিদুৱাৰ আৰক্ষীৰ এটা তালাচী চকী ভাঙি লণ্ড-ভণ্ড কৰে একাংশ উত্তেজিত লোকে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি নিশা তেজপুৰৰ দিশৰ পৰা যোৱা এখন অল্ট' গাড়ীয়ে তালাচী চকীৰ কাষতে থকা এজোপা গছত খুণ্ডা মাৰে। তাৰ পাছতে সমীপৰে জংঘলবস্তি গাঁৱৰ একাংশ লোকে ওলাই আহি আৰক্ষীৰ লোকক অপদস্থ কৰাৰ লগতে তালাচী চকীটোৰ সামগ্ৰী ভাঙি চূৰমাৰ কৰে। তেওঁলোকৰ অভিযোগ এই তালাচী চকীটো সেই স্থানত থকাৰ বাবেই সঘনাই দুৰ্ঘটনা সংঘটিত হৈছে। তদুপৰি সমীপতে বিদ্যালয় আদি থকাৰ কথা প্ৰকাশ কৰি এই তালাচী চকীটো সেই স্থানৰ পৰা উঠাই নিব লাগে বুলিও দাবী জনায় উত্তেজিত লোকসকলে। পাছত ঘটনাস্থলীত ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণকমল তাঁতী উপস্থিত হয় আৰু তেওঁ ৰাইজক বুজনি দিয়াতহে পৰিস্থিতি শাম কাটে। উল্লেখযোগ্য যে গৰু, সুৰাৰ চোৰাং বেহাকে ধৰি বিভিন্ন অসামাজিক কাম ৰোধ কৰাৰ ক্ষেত্ৰত চাৰিদুৱাৰ আৰক্ষী থানাৰ অধীনস্থ এই তালাচী চকীটোৰ গুৰুত্ব যথেষ্ট। অৱশ্যে নিশা সংঘটিত দুৰ্ঘটনাটোত কোনো লোকেই গুৰুতৰভাৱে হতাহত হোৱাৰ পৰা সৌভাগ্যক্ৰমে ৰক্ষা পৰে।

## হাউলীত বিজেপিৰ নিৰ্বাচনী প্ৰচাৰ সভা সম্পন্ন

# কংগ্ৰেছৰ অৱস্থা এতিয়া অচল নোটত পৰিণত হৈছে ঃ কলিতা



**অগ্ৰদূত বাৰ্তা**
**হাউলী, ২৪ ফেব্ৰুৱাৰী ঃ** 'কংগ্ৰেছ এতিয়া সকলোতে অচল নোটত পৰিণত হৈছে, কংগ্ৰেছে সদায় ৰাইজক মিছা কথা কৈ বিপথে পৰিচালিত কৰি আহিছে। অসমৰ ৮০খন পৌৰসভাৰ ভিতৰত তিনিখন পৌৰসভা ইতিমধ্যে বিজেপিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে দখল কৰিবলৈ সক্ষম হৈছে। আজি অসমখন এক বিৰামহীন যাত্ৰাৰে আগবাঢ়িছে। আজি অসমৰ যি আন্তঃগাথনি, স্বাস্থ্য, ক্ৰীড়া, সকলো ক্ষেত্ৰতে আজি ৰাজ্যখনে এক প্ৰগতি পথত আগবাঢ়িছে। আজি বিজেপিক সকলোৱে ভাল পায়। এই কাৰণে ভাল পায় তেওঁলোকে জানে দেশ যদি স্বাভিমানী কৰিব লাগে, ভাৰতবৰ্ষ যদি উন্নয়ন কৰিব লাগে, অসমৰ যদি উন্নয়ন কৰিব লাগে একমাত্ৰ দল হ'ল বিজেপি। এই কথা সকলোৱে আজি চিন্তা-চৰ্চা কৰিছে। আজি মুখ্যমন্ত্ৰীয়ে কৈছে যে চহৰ অঞ্চল আমি উন্নয়ন কৰিব লাগিব। আমি কল্পনা কৰিছো অকল চণ্ডীবৰুৱা ভৱনে নহয়, ইয়াত ১০০০ মানুহ বহিব পৰা আটকধুনীয়া বিজ্ঞানসন্মত প্ৰেক্ষাগৃহ হাউলী চহৰত সজাই তোলা হ'ব। বিজেপিৰ নেতৃত্বত পৌৰসভা গঠন হ'লে চহৰখনৰ মুখ্য স্থানবোৰত চি চি কেমেৰা লগোৱা হ'ব। ঘৰে ঘৰে খোৱাপানীৰ ছয় পৃষ্ঠাত চাওক

# বাগসাৰ চুক্ৰুংবাৰীত বন্যহস্তীৰ তাণ্ডৱ

## বিস্তীৰ্ণ কৃষিভূমি-ধানভঙা মিলত তাণ্ডৱ বন্যহস্তীৰ

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ২৪ ফেব্ৰুৱাৰী ঃ** বাগসাৰ খাৰিজা বিজনীৰ চুক্ৰুংবাৰীত বন্যহস্তীৰ তাণ্ডৱ। যোৱা নিশা কাষৰীয়া মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্যহস্তীৰ বৃহৎ জাক এটাই তাণ্ডৱ চলায় চুক্ৰুংবাৰী অঞ্চলটোত। চুক্ৰুংবাৰী বজাৰস্থিত এটি ধান ভঙা মিলত প্ৰথমে আক্ৰমণ কৰি বন্যহস্তীৰ জাকটোৱে অঞ্চলটোৰ বিস্তীৰ্ণ কৃষিভূমিতো তাণ্ডৱ চলাই বৃহৎ ক্ষতিসাধন কৰে। বিলাহী, জলকীয়া, পানীলাউ আদি বহুবিঘা কৃষিভূমিত তাণ্ডৱ চলাই বিস্তৰ ক্ষতিসাধন ছয় পৃষ্ঠাত চাওক

## নিৰ্বিকাৰ আৰক্ষী-জিলা পৰিবহণ বিভাগ

# নগাঁৱত আৰক্ষী থানাৰ সন্মুখেদিয়েই চলাচল কৰে অস্পষ্ট, ভঙা-ছিঙা নম্বৰপ্লেট লগোৱা অসংখ্য বাহনে



**বিশেষ সংবাদদাতা**
**নগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** কৰ আদায় নিদিয়া যান-বাহনৰ বিৰুদ্ধে পৰিবহণ বিভাগে অভিযান চলাই থকাৰ সময়তে ৰাজ্যৰ ৰাজপথত চলাচল কৰি আছে চকুৰে মণিব নোৱৰা অস্পষ্ট আখৰৰ অথবা ভঙা-ছিঙা নম্বৰ প্লেটৰ অসংখ্য যান-বাহনে। যান-বাহন আইন অনুসৰি, সকলোবোৰ বাহনৰে পঞ্জীয়ন নম্বৰটোৰ দুখনকৈ ফলক বাহনখনৰ আগফাল আৰু পাছফালে থকাটো বাধ্যতামূলক। তদুপৰি এই ফলকখন নিৰ্দিষ্ট আকাৰৰ হোৱাৰ উপৰি তাৰ আখৰবোৰৰ আকাৰ কিমান হ'ব লাগে তাকো নিৰ্ধাৰণ কৰা থাকে। নম্বৰপ্লেটৰ আখৰ আৰু সংখ্যাৰ ৰং ব্যক্তিগত বাহন আৰু ব্যৱসায়িক বাহনৰ ক্ষেত্ৰত পৃথক। এইবোৰ সংশ্লিষ্ট জিলাৰ আৰক্ষী আৰু পৰিবহণ বিভাগে নিৰীক্ষণ কৰিব লাগে। অথচ নগাঁও জিলাৰ মাজেৰে ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক ঘাইপথ সমূহৰে নিতৌ চলাচল ছয় পৃষ্ঠাত চাওক

## কলা বেজ পৰিধান-প্ৰতিবাদী সমদলেৰে হুংকাৰ

# ছয়গাঁৱত সাতটাকৈ গাৰো জাতীয় সংগঠনৰ প্ৰতিবাদী সভা



**অগ্ৰদূত বাৰ্তা**
**বকো, ২৪ ফেব্ৰুৱাৰী ঃ** 'আমি অসমতে থাকিম, আমাৰ দাবী নায্য দাবী, আমাক স্বায়ত্তশাসন প্ৰদান কৰক, আমাক বিভাজন নকৰিব' আদি শ্ল'গানৰে একাংশ অসমীয়াই কঁপাই তুলিলে ছয়গাঁৱৰ শান্তিপুৰ। অসমৰ কামৰূপৰ প্ৰায় ৮৫খন গাৰো গাঁৱৰ পুৰুষ-মহিলা নিৰ্বিশেষে কে'বাশতাধিক গাঁওবাসীয়ে ৰাজ্য চৰকাৰৰ বিৰুদ্ধে আজি গৰ্জি উঠে। অসমতে অসমীয়াই আশ্ৰয় ভিক্ষা মাগিব লগা হৈছে। ইয়াতকৈ দুখজনক বিষয় কি ছয় পৃষ্ঠাত চাওক

# চৰপাৰা প্ৰি-ছিনিয়ৰ চৰকাৰী মাদ্ৰাছাৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে একাধিক দুৰ্নীতিৰ অভিযোগ

**বিশেষ সংবাদদাতা**
**বিলাসীপাৰা, ২৪ ফেব্ৰুৱাৰী ঃ** বিলাসীপাৰা মহকুমাৰ অধীনস্থ ডুবাচুৰিত অৱস্থিত চৰপাৰা প্ৰি-ছিনিয়ৰ চৰকাৰী মাদ্ৰাছাখনৰ প্ৰধান শিক্ষকৰ একাধিক দুৰ্নীতিৰ বিৰুদ্ধে আজি ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰধান শিক্ষক গো' বেক, প্ৰধান শিক্ষক মুৰ্দাবাদ, প্ৰধান শিক্ষকক বৰ্খাস্ত কৰক আদি শ্ল'গানেৰে উত্তাল মাদ্ৰাছাখনৰ চৌহদ। মাদ্ৰাছাখনৰ প্ৰধান শিক্ষক (হেড মুদাৰিছ) ইব্ৰাহীম আলীৰ বিৰুদ্ধে উত্থাপিত হৈছে একাধিক দুৰ্নীতিৰ অভিযোগ। যোৱা ২১ জানুৱাৰীৰ পৰা আজিৰ তাৰিখলৈ বিদ্যালয়খনত অকৰ্তৃত্বশীলভাৱে অনুপস্থিত থকাৰ অভিযোগ উঠিছে প্ৰধান শিক্ষকজনৰ বিৰুদ্ধে। ফলত বিদ্যালয়খনত শৈক্ষিক পৰিৱেশ বিনষ্ট হোৱাৰো অভিযোগ ছয় পৃষ্ঠাত চাওক

# থলুৱাক বঞ্চিত কৰি বহিঃৰাজ্যৰ কোম্পানীৰে বন্দোৱস্তি বহু জাতিক টেলিকম কোম্পানীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৪ ফেব্ৰুৱাৰী ঃ** কথাই কথাই জাতি, মাটি, ভেটিৰ কথা কোৱা বিজেপি চৰকাৰৰ দিনত ক্ৰমশঃ থলুৱাৰ স্বাৰ্থ বিঘ্নিত হোৱা ঘটনা এটাৰ পাছত এটাকৈ সংঘটিত হৈ থকাৰ মাজতে অসমত ব্যৱসায় চলাই থকা বহিঃজাতিক টেলিকম কোম্পানীয়ে থলুৱা গাড়ী ব্যৱসায়ীক ভাতে মাৰি পশ্চিমবংগৰ এটা ট্ৰেভেল এজেন্সিক বৰপীড়া পাৰি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। টেলিকম কোম্পানীটোৱে চূড়ান্ত অনিয়মৰ আশ্ৰয় লৈ কলিকতাৰ কোম্পানীক কামৰ আবণ্টন দিয়াৰ এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছে যোৰহাটৰ হিৰু টক্সৰ এণ্ড ট্ৰেভেলচৰ স্বত্বাধিকাৰ সিদ্ধাৰ্থ শংকৰ দত্ত আৰু তেজপুৰৰ দিব্যজ্যোতি শৰ্মাই। দুয়োজন ব্যৱসায়ীয়ে এই বিষয়ে ইতিমধ্যে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু শক্তিমন্ত্ৰী বিমল বৰাক স্মাৰকপত্ৰযোগে হস্তক্ষেপ দাবী কৰিছে। ইপিনে, সদৌ অসম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, বীৰ লাচিত সেনা আৰু অসম প্ৰদেশৰ ভাৰতীয় জনতা যুৱ মৰ্চাক সমগ্ৰ বিষয়টো অৱগত কৰিছে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত জনোৱা মতে, ইয়াৰ ফলত সম্প্ৰতি গাড়ী চলাই জীৱন নিৰ্বাহ কৰা এশৰো অধিক লোক নিশ্চিতভাৱে সংস্থাপন হেৰুৱাবলগীয়া হৈছে। উল্লেখ্য যে বিবৃতিটোত উল্লেখ কৰা অনুসৰি, যোৰহাটৰ হিৰু টক্সৰ এণ্ড ট্ৰেভেলছ আৰু তেজপুৰৰ দিব্যজ্যোতি শৰ্মাই ২০০৭-২০০৮ৰ পৰা ভাৰতী ইনফ্ৰাট্ৰেল নামৰ ছয় পৃষ্ঠাত চাওক

## ■ নগাঁৱত সক্ৰিয় গৰুৰ চোৰাং ব্যৱসায়ী চক্ৰ ■ সৰবৰাহকাৰীৰ উৎকোচৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে আৰক্ষী হাবিলদাৰে

# বালিপৰাত ২৩টা গৰুসহ কন্টেইনাৰ জব্দ



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** নগাঁৱৰ বিভিন্ন স্থানলৈ শোণিতপুৰ আৰু কাষৰীয়া জিলাসমূহৰ পৰা সঘনাই অবৈধভাৱে গৰুৰ সৰবৰাহ চলাই আহিছে। এনে বহু ঘটনা শোণিতপুৰৰ তেজপুৰ, বালিপৰা, খনামুখকে ধৰি বিভিন্ন অঞ্চলত আৰক্ষীয়ে চলোৱা অভিযানত পোহৰলৈ অহা সত্বেও এনে ঘটনাৰ পুনৰাবৃত্তি ঘটিয়েই আছে। আজি বালিপৰাত ২৩টাকৈ গৰু গোপনে আৰু অতি অমানৱীয়ভাৱে কঢ়িয়াই অনা এখন কন্টেইনাৰ জব্দ কৰাৰ লগতে চাৰিদুৱাৰ আৰক্ষীয়ে দুজনক আটক কৰে। উল্লেখ্য যে গৰু কঢ়িয়াই অনা কন্টেইনাৰখনৰ চালক আৰু সহযোগীয়ে আনকি আৰক্ষীৰ অভিযানকাৰী দলটোৰ হাবিলদাৰ দীপক মেধিক উৎকোচ দিয়াৰ চেষ্টা চলাইছিল। তৎসত্বেও হাবিলদাৰজনে তৎপৰতাৰে কন্টেইনাৰখন জব্দ কৰি দুইজনকে আটক কৰিবলৈ সক্ষম হয়। মেধিয়ে পূৰ্বেও এনে প্ৰলোভনক নেওচা দি নিজৰ কৰ্তব্য পালন কৰাৰ নজিৰ আছে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, আজি পুৱা প্ৰায় ১০ বজাত এএছ-০১বিচি-৯৯৪৩ নম্বৰৰ কন্টেইনাৰখনত অবৈধভাৱে গৰু সৰবৰাহ হোৱাৰ বিষয়ে বিশেষ সূত্ৰে জানিব পাৰে চাৰিদুৱাৰ আৰক্ষীয়ে। সেই মৰ্মে বালিপৰাত থকা আৰক্ষীৰ নিয়মীয়া তালাচী চকীত কন্টেইনাৰখন ছয় পৃষ্ঠাত চাওক

# ঘগ্ৰাপাৰত অৰ্ধশতাধিক মহিলাৰ পঞ্চায়ত কাৰ্যালয় ঘেৰাও



**অগ্ৰদুত বাৰ্তা**
**ঘগ্ৰাপাৰ, ২৪ ফেব্ৰুৱাৰী ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰস্থি বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৫ নম্বৰ দিহজাৰী গাঁও পঞ্চায়তত দীৰ্ঘদিন ধৰি বিভিন্ন আঁচনিত ব্যাপক দুৰ্নীতি-অনিয়ম সংঘটিত হৈ অহাৰ ৰাজহুৱা অভিয়োগ উত্থাপিত হোৱাৰ সময়তে আজি একাংশ মহিলাই পঞ্চায়ত কাৰ্যালয়তো ঘেৰাও কৰাৰ লগতে ছয় পৃষ্ঠাত চাওক

## দুৰ্লভ হ'ল ফুলগুৰি বজাৰৰ শাৰী শাৰী গুড়ৰ টিংবোৰ



# কুঁহিয়াৰ খেতিৰ প্ৰতি আগ্ৰহ নোহোৱা হৈছে নগাঞা কৃষকৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** ফুলগুৰি ধেৱাখ্যাত নগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ ফুলগুৰিৰ গুড়ৰৰ (মিঠৈ) বজাৰখন এতিয়া সাধুকথাত পৰিণত হোৱাৰ দিশে ধাৱমান হৈছে। ৮০ দশকলৈকে ফুলগুৰিৰ ইতিহাস প্ৰসিদ্ধ বৰআঁহতৰ তলৰ গুড়ৰ বজাৰখনত হেজাৰ হেজাৰ গুড়ৰৰ টিং শাৰী শাৰীকৈ দেখা গৈছিল। গুড়ৰৰ বজাৰখনত অজস্ৰ গ্ৰাহকৰ ভিৰ হৈছিল। কিয়নো ফুলগুৰি বজাৰত বিক্ৰী হোৱা গুড়ৰৰ মান উৎকৃষ্ট আছিল। সেয়েহে জিলাখনৰ উপৰি অন্য জিলাৰ পৰাও ফুলগুৰি বজাৰৰ পৰা ছয় পৃষ্ঠাত চাওক

## বিহাৰত নিষিদ্ধ সুৰা, সুৰাসক্ত জে ডি (ইউ)ৰ নেতাৰ নগ্ন ভিডিঅ’ ভাইৰেল



**নিউজ ব্যুৰ’, নালন্দা, ২৪ ফেব্ৰুৱাৰী ঃ** বিহাৰত সুৰাৰ প্ৰচলন সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিবলৈ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে নানা ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। এনে সময়তে নীতিশৰ গৃহ জিলা নালন্দাত নিজ দল জে ডি (ইউ)ৰ এজন নেতাই সুৰাপান কৰি নগ্ন অৱস্থাত নৃত্য কৰা এক ভিডিঅ’ সামাজিক মাধ্যমত ভাইৰেল হ’ল। ইছলামপুৰ প্ৰখণ্ডৰ জগদীশপুৰ গাঁৱৰ জে ডি (ইউ)ৰ যুৱ নেতা এজনে সুৰাসক্ত হৈ নগ্ন অৱস্থাত নৃত্য প্ৰদৰ্শন কৰিছিল। এই ঘটনাৰ ভিডিঅ’ তুলি কোনো ব্যক্তিয়ে সামাজিক মাধ্যমত প্ৰচাৰ কৰাত জে ডি (ইউ)ৰ উক্ত যুৱ নেতাৰ অপকৰ্ম পোহৰলৈ আহে। ঘটনাৰ খবৰ লাভৰ পাছতে আৰক্ষীয়ে জয় প্ৰকাশ প্ৰসাদ ওৰফে কাৰু নামৰ উক্ত যুৱ নেতাজনক গ্ৰেপ্তাৰ কৰি একাধিক গোচৰত কাৰাগাৰলৈ প্ৰেৰণ কৰে। সুৰা নিষিদ্ধ বিহাৰত স্বয়ং শাসকীয় দলৰ যুৱ নেতাই এইদৰে সুৰাসক্ত হৈ নগ্ন নৃত্য প্ৰদৰ্শন কৰা ঘটনাই নালন্দাত ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে।

## ‘জিনিয়াছ’ পুটিন ঃ ৰুছ ৰাষ্ট্ৰপতিক প্ৰশংসা ট্ৰাম্পৰ




**নিউজ ব্যুৰ’, নিউ য়ৰ্ক, ২৪ ফেব্ৰুৱাৰী ঃ** মাত্ৰ দুদিন পূৰ্বে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ইউক্ৰেইনৰ বিচ্ছিন্নতাবাদীৰ অধিকৃত দুই ভূখণ্ডক স্বাধীন ঘোষণা কৰিছিল। ইয়াৰ পাছৰে পৰা পশ্চিম ইউৰোপৰ বিভিন্ন দেশৰ লগতে আমেৰিকা ক্ষোভত ফাটি পৰিছে। আমেৰিকাসহ কে’বাখনো দেশে ইতিমধ্যে ৰাছিয়াৰ বিৰুদ্ধে একাধিক নিষেধাজ্ঞাও জাৰি কৰিলে। ব্ৰিটিছ প্ৰধানমন্ত্ৰী বৰিছ জনছন আৰু আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনে ৰাছিয়াৰ বিৰুদ্ধে অধিক কঠোৰ পদক্ষেপ গ্ৰহণৰো সকীয়নি দিছে। কিন্তু এনে সময়তে ৰুছ ৰাষ্ট্ৰপতিৰ প্ৰশংসাত পঞ্চমুখ হ’ল আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্প। ৰেডিঅ’ৰ এক সাক্ষাৎকাৰত ট্ৰাম্পে কয় যে পুটিনক তেওঁ যথেষ্ট বুদ্ধিমান ব্যক্তি বুলি গণ্য কৰে। পুটিনে যিদৰে বিচ্ছিন্নতাবাদীৰ অধিকৃত দুই অঞ্চলক স্বাধীন ঘোষণা কৰিলে, সেই সিদ্ধান্তক ‘অসাধাৰণ’ আখ্যা দিলে ট্ৰাম্পে। উক্ত সাক্ষাৎকাৰত ট্ৰাম্পে কয়, ‘আমাৰ দক্ষিণ সীমান্তত সবাতোকৈ শক্তিশালী শান্তিৰক্ষা বাহিনী আমি প্ৰত্যক্ষ কৰিছো। পুটিন খুবেই ‘জিনিয়াছ’ (বুদ্ধিমান), তেওঁ উক্ত দুই অঞ্চললৈ সেনা প্ৰেৰণ কৰি খুব ভাল কাম কৰিলে। আমি তেওঁক বহুদিন ধৰি খুব ভালদৰে চিনি পাওঁ।’

## ভাৰতৰ টিকা প্ৰস্তুতকাৰকক ভূয়সী প্ৰশংসা গেটছৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰী ঃ** ভাৰতত উৎপাদিত কৰ’নাৰ প্ৰতিষেধকসমূহ যথেষ্ট ব্যয়সাধ্য। সেয়েহে ভাৰতৰ টিকা প্ৰস্তুতকাৰকক বিশেষভাৱে প্ৰশংসা কৰিলে মাইক্ৰ’ছফটৰ সহঃ প্ৰতিষ্ঠাপক বিল গেটছে। ভাৰতে যিদৰে অন্যান্য দেশক ক’ভিড প্ৰতিষেধক যোগান ধৰিছে, তাকো প্ৰশংসা কৰিলে গেটছে। আমেৰিকাস্থিত ভাৰতীয় দূতাবাসত কালি ভাৰত-আমেৰিকা স্বাস্থ্য সহযোগিতা বিষয়ক এখন বৈঠকত ভিডিঅ’ কলৰ মাধ্যমেৰে অংশ লোৱা গেটছে কয় যে ভাৰতে বিশ্বৰ প্ৰায় এশখন দেশলৈ ক’ভিডৰ ডেৰ কোটি পালি প্ৰতিষেধক সৰবৰাহ কৰিছে আৰু এয়া নিঃসন্দেহে প্ৰশংসনীয়। ভাৰতত তৈয়াৰী প্ৰতিষেধক তুলনামূলকভাৱে কম মূল্যৰ হোৱা হেতুকে বিভিন্ন দেশৰ নাগৰিকসকল উপকৃত হোৱা বুলি গেটছে মন্তব্য কৰে।

## ২৪ ঘণ্টাত দেশত ১৩,১৭৭ জন ক’ভিড আক্ৰান্ত, ২৯৬ৰ মৃত্যু



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰী ঃ** যোৱা ২৪ ঘণ্টাত ভাৰতত ১৩,১৭৭ জন লোক নতুনকৈ কৰ’নাত সংক্ৰমিত হ’ল। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত দেশৰ বিভিন্ন ৰাজ্যত ২৯৬ জন ক’ভিড ৰোগীৰ বিগত এদিনত মৃত্যু হ’ল। আজি দেশত সক্ৰিয় ক’ভিড ৰোগীৰ সংখ্যা ১৬,৩১৩ জন হ্ৰাস পালে। বৰ্তমানে দেশত ১.৪ লাখ সক্ৰিয় ক’ভিড ৰোগী আছে। ক’ভিডৰ সমগ্ৰ পৰ্বটোত ভাৰতত ৪,২৮,৮০,১৭৮ জন লোক সংক্ৰমিত আৰু ৫,১২,৯২২ জন লোকৰ মৃত্যু হ’ল।

### ইউক্ৰেইনৰ পাছত এষ্টʼনিয়া, লাটভিয়া আৰু লিথুৱানিয়াতো আক্ৰমণ চলাব পাৰে পুটিনে

# আক্ৰমণৰ শংকা ঃ ৰুছ আগ্ৰাসনত কম্পিত এই তিনি দেশৰ বাসিন্দা



**নিউজ ব্যুৰ’ বিনিয়াছ, ২৪ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াই ইউক্ৰেইনত আক্ৰমণ সংঘটিত কৰাৰ পাছত বাল্টিক দেশ এষ্ট’নিয়া, লাটভিয়া আৰু লিথুৱানিয়া কম্পমান হৈছে। উল্লেখ্য যে ইউক্ৰেইনৰ দৰে এই তিনিখন দেশো তদানীন্তন ছোভিয়েট ইউনিয়নৰ অন্তৰ্ভুক্ত আছিল। ৰাছিয়াই আগ্ৰাসী ভূমিকাৰে ইউক্ৰেইন পুনৰ দখল কৰিবলৈ উদ্যত হোৱাত এতিয়া এষ্ট’নিয়া, লাটভিয়া আৰু লিথুৱানিয়াৰ বাসিন্দাসকলেও সম্ভাব্য ৰুছ আগ্ৰাসনৰ শংকাত কম্পিত হৈছে। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে ইউক্ৰেইনৰ পাছত এই তিনি ৰাষ্ট্ৰতো আক্ৰমণ চলাব পাৰে বুলি শংকা প্ৰকট হৈছে। লিথুৱানিয়াৰ ৰাজধানী বিনিয়াছত বাস কৰা বহু লোকে সংবাদ প্ৰতিষ্ঠানৰ আগত শংকা প্ৰকাশ কৰি কয় যে বৰ্তমানৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিলে ইউক্ৰেইনৰ পাছত লিথুৱানিয়া ৰুছ আগ্ৰাসনৰ বলি হ’ব পাৰে।


উল্লেখ্য যে এষ্ট’নিয়া, লাটভিয়া আৰু লিথুৱানিয়া সম্প্ৰতি নাটোৰ সদস্য দেশ। ২০০৪ত এই তিনি ৰাষ্ট্ৰক নাটোৰ অন্তৰ্ভুক্ত কৰা হৈছিল। অৱশ্যে ইউক্ৰেইন নাটোৰ সদস্য ৰাষ্ট্ৰ নহয়। ৰুছ ৰাষ্ট্ৰপতিৰ শেহতীয়া আগ্ৰাসী ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি লিথুৱানিয়াৰ দৰে এষ্ট’নিয়া আৰু লাটভিয়াৰ বাসিন্দাসকলেও যিকোনো মুহূৰ্তত ৰাছিয়াই দেশ দুখনত আক্ৰমণ চলাব পাৰে বুলি শংকা প্ৰকাশ কৰিছে।

## জামিন বিচাৰি আদালতৰ দ্বাৰস্থ হ’ল লালুপ্ৰসাদ



**নিউজ ব্যুৰ’ ৰাঁচী, ২৪ ফেব্ৰুৱাৰী ঃ** পশুখাদ্য কেলেংকাৰিৰ গোচৰত বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা আৰ জে ডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱক অলপতে চি বি আইৰ বিশেষ আদালতে দোষী সাব্যস্ত কৰি পাঁচ বছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল। লালুৱে এইবাৰ জামিন বিচাৰি ঝাৰখণ্ড উচ্চ ন্যায়ালয়ত দ্বাৰস্থ হ’ল। আৰ জে ডিৰ মুৰব্বীজনে তেওঁৰ বৰ্ধিত বয়স আৰু ৰোগৰ কথা উল্লেখ কৰি জামিন আবেদন দাখিলৰ সিদ্ধান্ত লৈছে। সম্প্ৰতি লালু ৰাঁচীস্থিত ৰিমছ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ১৭টাকৈ জটিল ৰোগত আক্ৰান্ত বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰীজনে পূৰ্বেও পশুখাদ্য কেলেংকাৰিৰ গোচৰত দোষী সাব্যস্ত হৈ কাৰাগাৰলৈ যাব লগা হৈছিল। পাছত তেওঁ যোৱা বছৰত জামিনত মুক্তি লাভ কৰিছিল।

## ইউক্ৰেইন সংকটত দেশত সোণৰ মূল্যবৃদ্ধি ঃ এবছৰৰ সৰ্বোচ্চ হ’ল স্বৰ্ণমূল্য



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰী ঃ** ইউক্ৰেইন-ৰাছিয়াৰ সংঘাতৰ পৰিণতিত প্ৰভাৱিত হ’ল ভাৰতৰ অৰ্থনীতি। বিগত কে’বাদিন ধৰি দেশৰ বজাৰত সোণৰ মূল্য বৃদ্ধি অব্যাহত আছে। মঙলবাৰে প্ৰতি ২৪ কেৰেটৰ ১০ গ্ৰাম সোণৰ মূল্য ৫১,১৫০ টকালৈ বৃদ্ধি পাইছিল। এই মূল্যৰ স’তে জি এছ টি সংযোজিত কৰিলে স্বৰ্ণমূল্য প্ৰায় ৫৩ হেজাৰ টকা হয়। ইউক্ৰেইন সংকটৰ পৰিপ্ৰেক্ষিতত আজি প্ৰতি ১০ গ্ৰাম ২৪ কেৰেটৰ সোণৰ মূল্য ১,৪০০ টকা বৃদ্ধি পালে। বিশেষজ্ঞসকলৰ তথ্য অনুসৰি, বিগত এবছৰত এয়ে সৰ্বোচ্চ হ’ল সোণৰ মূল্য। যোৱা ১৭ ফেব্ৰুৱাৰীত প্ৰতি ১০ গ্ৰাম স্বৰ্ণৰ মূল্য আছিল ৪৯,৯৭০ টকা।


## যুৱতীৰ বিবাহৰ ন্যূনতম বয়স বৃদ্ধি প্ৰসংগত কেন্দ্ৰৰে সহমত নহয় আৰ এছ এছ



**নিউজ ব্যুৰ’, নাগপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** কন্যা সন্তানৰ বিবাহৰ ন্যূনতম বয়সৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ স’তে একমত নহয় ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)। উল্লেখ্য যে যোৱা ডিচেম্বৰত কেন্দ্ৰীয় চৰকাৰে দেশত কন্যা সন্তানৰ বিবাহৰ ন্যূনতম বয়স ১৮ বছৰৰ পৰিৱৰ্তে ২১ বছৰলৈ বৃদ্ধিৰ বাবে এখন বিধেয়ক প্ৰস্তুত কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ এই পদক্ষেপৰ সন্দৰ্ভত আৰ এছ এছে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত কয়, ‘বিবাহৰ বয়সৰ বিষয়টোক লৈ আলোচনা চলিছে। অনেক মতামত আছে। আদিবাসীৰ মাজত বা গ্ৰামাঞ্চলত বিবাহ কম বয়সতে হয়। এই ধৰণৰ বিষয়ত চৰকাৰে হস্তক্ষেপ কৰাটো কিমান উচিত তাক লৈ প্ৰশ্ন আছে। কিছুমান বিষয় সমাজক এৰি দিয়া উচিত। চৰকাৰৰ সিদ্ধান্তৰ স’তে আৰ এছ এছৰ মতপাৰ্থক্য আছে।’

## মালিয়া, নীৰৱ, মেহুলৰ ১৮ হেজাৰ কোটি টকা ওভতাই লাভ বেংকৰ

### উচ্চতম ন্যায়ালয়ক অৱগত কৰিলে কেন্দ্ৰীয় চৰকাৰে



**নিউজ ব্যুৰ’ নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰী ঃ** বিজয় মালিয়া, নীৰৱ মোদী আৰু মেহুল চ’ক্সীয়ে ভাৰতৰ পৰা পলায়ন কৰি বিদেশত আশ্ৰয় গ্ৰহণ কৰিলেও তেওঁলোকৰ দেশত থকা সা-সম্পত্তি অধিগ্ৰহণৰ জৰিয়তে দেশৰ ৰাষ্ট্ৰীয়কৃত বেংকসমূহে কমেও ১৮ হেজাৰ কোটি টকা উদ্ধাৰ কৰিলে। কালি উচ্চতম ন্যায়ালয়ত এই তথ্য দাখিল কৰিলে কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰে। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা অনুসৰি, বেংকৰ বকেয়া পৰিশোধ নকৰা আৰু বিত্তীয় প্ৰৱঞ্চনাৰ গোচৰত অভিযুক্ত তিনি পলাতক উদ্যোগপতিৰ সা-সম্পত্তি নিলাম কৰি এই ধনৰাশি ৰাষ্ট্ৰীয়কৃত বেংকসমূহে আহৰণ কৰিলে। যোৱা ডিচেম্বৰত সংসদত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে তথ্য দাখিল কৰি কৈছিল যে বিজয়, নীৰৱ আৰু মেহুলৰ সম্পত্তি নিলামৰ জৰিয়তে চৰকাৰী বেংকে ১৩ হেজাৰ কোটি টকাৰো অধিক ধন উদ্ধাৰ কৰিলে। অৱশ্যে উক্ত তিনি পলাতক ব্যক্তিৰ পৰা বেংকে কিমান পৰিমাণৰ ধন আদায় লাভ কৰিবলৈ বাকী আছে সেই তথ্য সীতাৰমণে প্ৰকাশ কৰা নাছিল।

পূৰ্বে প্ৰকাশিত তথ্য অনুসৰি, মালিয়াই কমেও নহেজাৰ কোটি টকা আৰু নীৰৱ-মেহুলে ১৪ হেজাৰ কোটি টকাৰ ঋণ লৈ পৰিশোধ নকৰাকৈ বিদেশলৈ পলায়ন কৰিছিল। তিনি পলাতক বিত্তীয় প্ৰৱঞ্চকৰ বিৰুদ্ধে চি বি আই আৰু ই ডিয়ে তদন্ত অব্যাহত ৰাখিছে। তদন্তকাৰী সংস্থাৰ তথ্য অনুসৰি তিনি প্ৰৱঞ্চকৰ দেশ-বিদেশত থকা সম্পত্তি বাজেয়াপ্ত কৰি ১৮ হেজাৰ কোটি টকা বেংকে উদ্ধাৰ কৰে। ইয়াৰ ভিতৰত বিদেশত থকা ৯৬৯ কোটি টকাৰ সম্পত্তিও অন্তৰ্ভুক্ত হৈ আছে।




## ষষ্ঠ পৰ্যায়ৰ নিৰ্বাচনত ২৭ শতাংশ প্ৰাৰ্থী দাগী, ৩৬ শতাংশ হৈছে কোটিপতি

**নিউজ ব্যুৰ’ লক্ষ্ণৌ, ২৪ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ পঞ্চম পৰ্যায়ৰ ভোটগ্ৰহণ অহা ২৭ ফেব্ৰুৱাৰীত কৰা হ’ব। পঞ্চম পৰ্যায়ৰ পাছত অহা তিনি মাৰ্চত অনুষ্ঠিত হ’ব ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ। ষষ্ঠ পৰ্যায়ত ৰাজ্যখনৰ ১০ জিলাৰ ৫৭ বিধানসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ’ব। এছ’চিয়েচন ফ’ৰ ডেম’ক্ৰেটিক ৰিফৰ্মছ (এ ডি আৰ)ৰ তথ্য অনুসৰি ষষ্ঠ পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা কৰা ২৭ শতাংশ প্ৰাৰ্থীয়ে তেওঁলোকৰ বিৰুদ্ধে অপৰাধৰ অভিযোগ থকা বুলি শপতনামাত উল্লেখ কৰিছে। আনহাতে, এই পৰ্যায়ত প্ৰাৰ্থী হিচাপে থিয় দিয়া বিভিন্ন দলৰ নেতাসকলৰ ৩৬ শতাংশই হৈছে কোটিপতি প্ৰাৰ্থী।

## এপ্ৰিলৰ পৰা দিল্লীক সংযোগ কৰা ৰাষ্ট্ৰীয় ঘাইপথ-এক্সপ্ৰেছৱেত বৃদ্ধি পাব টোলকৰ


**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰী ঃ** দেশৰ ৰাজধানী দিল্লীক সংযোগ কৰা প্ৰায় সকলোবোৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু এক্সপ্ৰেছৱেত থকা টোলগেটত কৰ বৃদ্ধিৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ইতিমধ্যে টোলকৰ বৃদ্ধিৰ বাবে যো-জা চলাইছে। প্ৰকাশিত বাতৰি অনুসৰি ২০২২-২৩ বিত্তীয় বৰ্ষ অৰ্থাৎ অহা পহিলা এপ্ৰিলৰ পৰা দিল্লীক সংযোজিত কৰা সকলোবোৰ ৰাষ্ট্ৰীয় ঘাইপথ আৰু এক্সপ্ৰেছৱেত ১০ শতাংশলৈকে টোলকৰ বৃদ্ধি পাব পাৰে। দিল্লী-মেৰথ এক্সপ্ৰেছৱেৰ টোলগেট, দিল্লী-আগ্ৰা ৰাষ্ট্ৰীয় ঘাইপথৰ বদৰপুৰসহ ৰাষ্ট্ৰীয় ঘাইপথ আঠ আৰু অন্য টোলপ্লাজাত কৰ বৃদ্ধিৰ সম্ভাৱনা আছে।

## ৰুছ আক্ৰমণৰ পাছতে টুইটাৰত ট্ৰেণ্ড হ’ল ‘ৱৰ্ল্ড ৱাৰ-৩’




**নিউজ ব্যুৰ’, কীভ, ২৪ ফেব্ৰুৱাৰী ঃ** ৰাছিয়াই ইউক্ৰেইনৰ কে’বাখনো চহৰত বিধ্বংসী আক্ৰমণ চলোৱাৰ পাছতে বিশ্বত তৃতীয় মহাযুদ্ধ আৰম্ভ হ’ল বুলি সামাজিক মাধ্যমত ব্যাপক চৰ্চা অব্যাহত আছে। মাইক্ৰ’ ব্লগিং ছাইট ‘টুইটাৰ’ত আজি ট্ৰেণ্ড হ’ল ‘ৱৰ্ল্ড ৱাৰ-৩’ শিৰোনাম। সামাজিক মাধ্যমত সম্ভাব্য তৃতীয় বিশ্বযুদ্ধক লৈ সম্প্ৰতি বিভিন্ন ব্যক্তিয়ে নানা মত প্ৰকাশ কৰিছে। ৰাছিয়াই ইউক্ৰেইন আক্ৰমণ কৰাত ইউৰোপৰ আন দেশৰ লগতে আমেৰিকাই ইয়াৰ প্ৰত্যুত্তৰ দিবলৈ ৰাছিয়াত আক্ৰমণ চলাব বুলি ব্যাপক চৰ্চা চলিছে। সেয়েহে সামাজিক মাধ্যমত এই বিষয়ৰ চৰ্চাৰ নাম ৰখা হৈছে ‘ৱৰ্ল্ড ৱাৰ-৩’। আমেৰিকাৰ ফিলাডেলফিয়াস্থিত মিডিয়া বিশেষজ্ঞ অৰ্নেষ্ট ব’ছে টুইটাৰত মন্তব্য কৰি কয় যে ইউক্ৰেইনত নিৰীহ লোকৰ হত্যা আৰম্ভ হ’ল আৰু তৃতীয় বিশ্বযুদ্ধৰ অৱশেষত আগমন ঘটিল। আন একাংশ লোকে টুইটাৰত মন্তব্য কৰি কৈছে যে তৃতীয় বিশ্বযুদ্ধ বাস্তৱত হ’লে ইয়াৰ বাবে জগৰীয়া হ’ব ৰাছিয়া। আন এজন টুইটাৰ ব্যৱহাৰকাৰীয়ে কয় যে ইউক্ৰেইনক সহায় কৰাৰ বাবে বিশ্বৰ সকলো দেশ আগবাঢ়ি নাহিলে পৰিণতি অতি ভয়াৱহ হ’ব পাৰে।

## ৬৮ শতাংশই ছেলফি, ৬৪ শতাংশই সময় চাবলৈ ব্যৱহাৰ কৰে স্মাৰ্টফোন




**নিউজ ব্যুৰ’, হেলচিংকি, ২৪ ফেব্ৰুৱাৰী ঃ** বিশ্বজুৰি স্মাৰ্টফোনৰ ব্যৱহাৰ ফোনকল কৰাৰ লগতে আন কেতবোৰ কামত ব্যাপকভাৱে ব্যৱহাৰ হৈছে। শেহতীয়াভাৱে সম্পন্ন হোৱা এক সমীক্ষাৰ তথ্য অনুসৰি স্মাৰ্টফোন ব্যৱহাৰ কৰা লোকসকলৰ প্ৰতি ১০ জনৰ ছজনে ফোনৰ অবিহনে এদিনো অতিবাহিত কৰাৰ কথা কল্পনা কৰিব নোৱাৰে। আনহাতে, একেটা সমীক্ষাত অংশ লোৱা ৬৮ শতাংশ লোকে ছেলফি তুলিবলৈ আৰু ৬৪ শতাংশই সময় চাবলৈ ম’বাইল ফোন ব্যৱহাৰ কৰে বুলি জানিবলৈ দিয়ে। প্ৰতি ১০ জন লোকৰ তিনিজনে প্ৰকাশ কৰা অনুসৰি তেওঁলোকে কেতিয়াও ম’বাইল ফোনৰ অবিহনে ঘৰৰ বাহিৰলৈ নোলায়। ম’বাইল ফোনৰ বেটাৰীৰ চাৰ্জক লৈও যথেষ্ট চিন্তিত হৈ আহিছে ব্যৱহাৰকাৰীসকল। সমীক্ষাত অংশ লোৱা ১২ শতাংশ লোকে কয় যে নিজৰ ফোনৰ বেটাৰীৰ চাৰ্জ কমাৰ শংকাক লৈ তেওঁলোকে দিনটো অতিবাহিত কৰি আহিছে। একেটা সমীক্ষাত ১৬ শতাংশ লোকে কয় যে তেওঁলোকে হাতত থকা স্মাৰ্টফোনটো দাপোণৰ দৰে চেহেৰা চোৱাৰ বাবে ব্যৱহাৰ কৰে। ৬২ শতাংশই বতৰৰ পূৰ্বানুমান জানিবলৈ আৰু ২৭ শতাংশই অনলাইন মানচিত্ৰ চাবলৈ স্মাৰ্টফোন ব্যৱহাৰ কৰি আহিছে। সৰহসংখ্যক অংশগ্ৰহণকাৰীয়ে জনোৱা অনুসৰি তেওঁলোকে ই-মেইল প্ৰেৰণ, বাতৰি পঢ়া, বেংকিং, অনলাইন শ্বপিং, ৰেল-বিমানৰ টিকট ক্ৰয় কৰা, অনলাইন গে’ম, খাদ্যৰ ৰেচিপি জানিবলৈ, এলাৰ্ম দিবলৈ স্মাৰ্টফোন ব্যৱহাৰ কৰে।

## বিজেপি নেতাৰ দাবী ঃ মুম্বাইত ডান্সবাৰ-যৌন ব্যৱসায় চলাইছিল মলিকে




**নিউজ ব্যুৰ’, মুম্বাই, ২৪ ফেব্ৰুৱাৰী ঃ** মহাৰাষ্ট্ৰৰ কেবিনেট মন্ত্ৰী নবাব মলিকৰ বিৰুদ্ধে এইবাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিলে বিজেপিৰ নেতা মোহিত কম্বুজে। মলিকে মুম্বাইত ডান্সবাৰ আৰু যৌন ব্যৱসায় চক্ৰ চলাইছিল বুলি অভিযোগ উত্থাপন কৰি বিজেপি নেতাজনে দাবী কৰি কয় যে যি টুকুৰা ভূমিক লৈ বিবাদৰ সৃষ্টি হৈছে, সেই ভূমিতে মলিকে পূৰ্বে এখন ডান্সবাৰ চলাইছিল। এই ডান্সবাৰলৈ মলিকে বাংলাদেশৰ পৰা যুৱতী সৰবৰাহ কৰিছিল আৰু সেইসকল যুৱতীক বলপূৰ্বক যৌন ব্যৱসায়ত জড়িত কৰাইছিল। কম্বুজে দাবী কৰা অনুসৰি, মলিকে বলপূৰ্বক যুৱতীক দেহ ব্যৱসায়ত জড়িত কৰোৱাৰ প্ৰমাণো তেওঁৰ হাতত আছে। এই সন্দৰ্ভত কম্বুজে এক ষ্টিং অপাৰেচন চলাইছিল বুলিও জানিবলৈ দিয়ে। কম্বুজে কয় যে আগন্তুক দিনত তেওঁ এই সকলো প্ৰমাণ তদন্তকাৰী সংস্থাক অৰ্পণ কৰিব। উল্লেখ্য যে কালি বেআইনী ধন সৰবৰাহৰ অভিযোগত প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)-এ মন্ত্ৰী মলিকক গ্ৰেপ্তাৰ কৰিছিল।

## ৰুছ-ইউক্ৰেইন সংঘাতত ক্ষুব্ধ গ্ৰেমী বিজয়ী গায়িকাই ক’লে ‘বিশ্ব নেতৃত্বই’ ক্ষমতাৰ অপব্যৱহাৰ কৰিছে’




**নিউজ ব্যুৰ’, হলিউড, ২৪ ফেব্ৰুৱাৰী ঃ** ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে গ্ৰেমীজয়ী ৰেপ্ সংগীত শিল্পী কাৰ্ডী বীয়ে। বিশ্ব নেতৃত্বক কঠোৰভাৱে সমালোচনা কৰি আন্তৰ্জাতিক খ্যাতিসম্পন্ন সংগীত শিল্পীগৰাকীয়ে কয় যে বিশ্বৰ শক্তিশালী দেশৰ নেতাই ক্ষমতাৰ চৰম অপব্যৱহাৰ কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে এজন অনুৰাগীয়ে কাৰ্ডীক ইউক্ৰেইন-ৰুছ সংকটৰ সন্দৰ্ভত প্ৰশ্ন কৰাত হলিউডৰ জনপ্ৰিয় শিল্পীগৰাকীয়ে কয়, ‘ক্ষমতাৰ বিষয়ে যদিহে বিশ্বৰ শক্তিশালী নেতাসকলে চিন্তা কৰিবলৈ বাদ দিলেহেঁতেন আৰু এই কথা এবাৰ হ’লেও ভাবিলেহেঁতেন যে সমগ্ৰ বিশ্ব সংকটৰ সন্মুখীন হৈছে। যুদ্ধ, নিষেধাজ্ঞা, আক্ৰমণ অন্তিমটো পদক্ষেপ হোৱা উচিত আৰু এই বিষয়ে এইসকল নেতাই চিন্তা কৰা জৰুৰী। বাস্তৱত মই নাটোৰ পক্ষত নাই, কিন্তু বাস্তৱত একেদৰে মই ৰাছিয়াৰ পক্ষতো নাই। দৰাচলতে মই নাগৰিকৰ পক্ষত আছো। কিয়নো সম্প্ৰতি সমগ্ৰ বিশ্ব সংকটৰ সন্মুখীন হৈছে।’

## কেন্দ্ৰীয় সংস্থাই গ্ৰেপ্তাৰ কৰা মন্ত্ৰীক অপসাৰণ নকৰিব, পাৱাৰক পৰামৰ্শ মমতাৰ



**নিউজ ব্যুৰ’, মুম্বাই, ২৪ ফেব্ৰুৱাৰী ঃ** বেআইনী আৰ্থিক লেনদেনৰ অভিযোগত কালি বিয়লিবেলা কেন্দ্ৰীয় তদন্তকাৰী সংস্থা প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ বিষয়াই মহাৰাষ্ট্ৰৰ এন চি পিৰ মন্ত্ৰী নবাব মলিকক গ্ৰেপ্তাৰ কৰিছিল। মলিকৰ গ্ৰেপ্তাৰৰ পাছতে এন চি পিৰ মুৰব্বী শাৰদ পাৱাৰৰ স’তে ফোনযোগে বাৰ্তালাপ কৰিছিল পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীয়ে। প্ৰায় ৩০ মিনিট ধৰি হোৱা ফোন বাৰ্তালাপত মমতাই ধৃত মন্ত্ৰীৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰাৰ লগতে মলিকক মহাৰাষ্ট্ৰৰ শিৱসেনা-এন চি পি-কংগ্ৰেছ মৰ্চাৰ মন্ত্ৰীসভাৰ পৰা বাদ নিদিবলৈ পাৱাৰক পৰামৰ্শ দিয়ে। মমতাৰ অভিযোগ অনুসৰি, কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশতে ই ডিয়ে এইদৰে এন চি পিৰ মন্ত্ৰীক ক্ষমতা প্ৰয়োগ কৰি হাৰাশাস্তি কৰিছে।

## আমেথিত মোদীৰ দাবী, বিজেপি ‘পিতা এণ্ড ছন্স’ দল নহয় আৰু নহ’ব



**নিউজ ব্যুৰ’, আমেথি, ২৪ ফেব্ৰুৱাৰী ঃ** উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কংগ্ৰেছৰ দুৰ্গ হিচাপে পৰিচিত আমেথি, চুলতানপুৰ আৰু ৰাইবৰেলীৰ দলমৌ সমষ্টিত বিজেপিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনত প্ৰচাৰত অংশ ল’লে। মোদীয়ে ভাষণ প্ৰসংগত কয় যে পৰিবাৰবাদী দলসমূহে সদায় দেশৰ সংবিধানক অপমান কৰি আহিছে। ‘পৰিবাৰবাদী পাৰ্টিয়ে আমাৰ যুৱ প্ৰতিভাৰ ক্ষতি কৰি আহিছে। ইয়াৰ বিপৰীতে দেশত বিজেপি হৈছে এনে এটা দল যি দলৰ আজি কেৱল এজন সভাপতি হৈ আছে বা তেৰেঁই কাইলৈও সভাপতি হৈ থাকিব। বিজেপি ‘পিতা এণ্ড ছন্স’ৰ কোনো ব্যক্তিগত দল নহয় আৰু ভৱিষ্যতেও কেতিয়াও নহ’ব। পৰিবাৰবাদী ৰাজনীতিত দলৰ সভাপতি পৰিয়ালৰ সদস্য হয় আৰু সকলোবোৰ গুৰুত্বপূৰ্ণ পদত এই পৰিয়ালৰ লোক অন্তৰ্ভুক্ত হয়। পৰিবাৰবাদী ৰাজনীতিয়ে দেশৰ যথেষ্ট ক্ষতি কৰে।’



মহাবিশ্বখন কোনোবা নহয় কোনোবা এজনে সৃষ্টি কৰিছে, তেন্তে সেই সৃষ্টিকৰ্তা জনক সৃষ্টি কৰিছে কোনে? সৰ্ব্বশক্তিয়েই সেই সৃষ্টিকৰ্তাজনক সৃষ্টি কৰিছে নেকি? য'ত জড়িত আছে সকলো জনাৰ তত্ত্ব, অৰ্থাৎ সৰ্ব্বতত্ত্ব। বিংশ শতিকাৰ শ্ৰেষ্ঠ বুদ্ধিজীৱী তথা জাৰ্মান বিজ্ঞান মনীষী এলবাৰ্ট আইনষ্টাইনে যুক্তি আৰু বিশ্বাস উভয়েই মানুহৰ সৃষ্টি বুলি প্ৰশ্ন কৰিছিল।

# ঈশ্বৰ কি ?

## মহানন্দ পাঠক

**পৃথিৱীৰ** সত্তৰ শতাংশ মানুহে বিশ্বাস কৰে যে এই মহাবিশ্বৰ সৃষ্টি কৰিছে কোনোৱা এজন ভগৱান, আল্লা বা গড়ে। যদি মহাবিশ্বখন কোনোবা নহয় কোনোবা এজনে সৃষ্টি কৰিছে, তেন্তে সেই সৃষ্টিকৰ্তা জনক সৃষ্টি কৰিছে কোনে? সৰ্ব্বশক্তিয়েই সেই সৃষ্টিকৰ্তাজনক সৃষ্টি কৰিছে নেকি? য'ত জড়িত আছে সকলো জনাৰ তত্ত্ব, অৰ্থাৎ সৰ্ব্বতত্ত্ব। বিংশ শতিকাৰ শ্ৰেষ্ঠ বুদ্ধিজীৱী তথা জাৰ্মান বিজ্ঞান মনীষী এলবাৰ্ট আইনষ্টাইনে যুক্তি আৰু বিশ্বাস উভয়েই মানুহৰ সৃষ্টি বুলি প্ৰশ্ন কৰিছিল ঃ বিশ্ব ব্ৰহ্মাণ্ডৰ গঠনত ভগৱানৰ স্বাতন্ত্ৰ কিমান আছিল,যদিও তেওঁ কৈছিল 'God doesnot play dice with the universe', ইয়াৰ উত্তৰত অনাদি বিজ্ঞানবিদ ষ্টিফেন হকিঙে কৈছিল যে 'God not only plays dice,but sometimes he throws them, where they can't be seen. আইনষ্টাইনৰ দ্বাৰা আৱিষ্কৃত চাৰি বিমিয় পদ্ধতিত ভগৱানৰ অস্তিত্ব অবাস্তৱ যদিও যোল্লবিমীয় পদ্ধতিত ভগৱানৰ অস্তিত্ব সদায়ে আছে, সলনি হয় মাথোঁ স্থান-কালৰ গাঁথনি, অৰ্থাৎ মহাকাশ-কালৰ গাঁথনি। বিস্তৃত পৰিসৰত অনুধাৱন কৰিলে এটা সিদ্ধান্তত উপনীত হ'ব পাৰি যে প্ৰকৃতিত থকা মহাৰ্কষণ, দুৰ্বল, বিদ্যুৎ-চুম্বকীয় আৰু সবল, এই চাৰিবিধ বলৰ ভিতৰত মহাকৰ্ষণীয় বলেই মহাবিশ্বৰ গঠন নিৰ্দ্ধাৰণ কৰে। প্ৰকৃতিত থকা বস্তুবোৰৰ মাজত ক্ৰিয়া কৰা বিভিন্ন বল আৰু সিহঁতৰ দ্বাৰা সংঘটিত আন্তঃক্ৰিয়াবোৰক চাৰিটা শ্ৰেণীত ভাগ কৰা হৈছে। যেনে—

(ক) বৈদ্যুতিক আধানযুক্ত কণিকাৰ মাজত থকা বিদ্যুৎ চুম্বকীয় আন্তঃক্ৰিয়া।

(খ) তেজস্ক্ৰিয় পদাৰ্থ-মৌলৰ বিকিৰণৰ সহায়ত সৃষ্টি হোৱা দুৰ্বল আন্তঃক্ৰিয়া, যি নেকি বিদ্যুৎ-চুম্বকীয় আন্তঃক্ৰিয়াতকৈ $১০^{১০}$ গুণে বেছি দুৰ্বল।

(গ) পৰমাণু গৰ্ভত থকা অৰ্থাৎ নিউক্লিয়াছত থকা প্ৰ'টন, নিউট্ৰ'ন আদিৰ দৰে কিছুমান মৌলিক কণিকাৰ মাজত হোৱা সবল আন্তঃক্ৰিয়া, যি নেকি বিদ্যুৎ চুম্বকীয় আন্তঃক্ৰিয়াতকৈ $১০^{২}$ গুণে বেছি সবল।

(ঘ) ভৰযুক্ত পদাৰ্থৰ মাজত থকা মহাকৰ্ষণজনিত আন্তঃক্ৰিয়া, যি নেকি $১০^{৪০}$ গুণে বিদ্যুৎ চুম্বকীয় আন্তঃক্ৰিয়াতকৈয়ো বেছি দুৰ্বল।

খ্ৰীঃ ১৯৮৪ত, গৱেষক জন শ্বোৱাৰ্জ আৰু তেওঁৰ সহকৰ্মী লণ্ডনৰ কুইন মেৰী কলেজৰ মাইক গ্ৰীণে যুটীয়াভাৱে এখন গৱেষণা গ্ৰন্থত প্ৰকাশ কৰে যে জ্ঞাত কণিকাবিলাকৰ ভিতৰত যিবিলাকৰ গঠনত বাওঁমুখীতা আছে, সিবিলাকৰ অস্তিত্ব ৰজ্জু তত্ত্বৰ সহায়ত ব্যাখ্যা কৰিব পাৰি। ইয়াৰ ফলস্বৰূপে বিষমপুঞ্জ ৰজ্জু নামৰ এক নতুন সংস্কৰণৰ ৰজ্জুতত্ত্বৰ জন্ম হয়। অৱশেষত, এই তত্ত্বৰে নতুন ধাৰণাৰে পৰিপুষ্ট অতিৰজ্জু তত্ত্ব সংশোধিত ৰূপত ব্যাখ্যা কৰা হয়।

ব্ৰাইটনত অৱস্থিত ছাচেক্স বিশ্ববিদ্যালয়ৰ ব্ৰিটিছ পদাৰ্থবিজ্ঞানী তথা অতি ৰজ্জুতত্ত্বৰ ওপৰত গৱেষণা কৰা ডেভিদ বেইলিঙৰ ধাৰণা কেইটা হ'ল ঃ

১) মৌলিক কণাসমূহ বিন্দুসদৃশ নহয়, অতি চুটি ৰজ্জু সদৃশহে। যাৰ দৈৰ্ঘ্য নিযুত নিযুত নিযুত নিযুত নিযুত ভাগৰ এক ছেণ্টিমিটাৰতকৈ কম।

২) কোনো পদাৰ্থ কণিকাৰ গতি বা স্থিতি অথবা কোনো পৰিঘটনাৰ নিশ্চিত বৰ্ণনাৰ বাবে তিনিটা স্থান আৰু এটা কালৰ পৰিমাণেই যথেষ্ট নহয়। স্থানৰ বৰ্ণনাৰ বাবে মুঠ নটা দিশৰ প্ৰয়োজন হয়। গতিকে স্থান-কাল দহ বিমীয়হে।

৩) ইয়াৰ উপৰি মৌলিক কণাসমূহ অতি সমমিত। এই তিনিটা নতুন ধাৰণাৰ ভিত্তিতেই অতিৰজ্জু তত্ত্ব ৰচিত হৈছে।

ৰজ্জুতত্ত্বই হওক বা তাৰ নতুন ৰূপ অতিৰজ্জু তত্ত্বই হওক, ই সৰ্বতত্ত্বৰ অন্তিম স্তৰ নহয় বুলি বৰ্তমানৰ মৌলিক কণা-পদাৰ্থ বিজ্ঞানীসকলে ক'ব খোজে। কিয়নো এতিয়ালৈকে আৱিষ্কৃত সঁজুলিৰে খুব বেছি কোটি কোটি শ ভাগৰ এভাগ মিটাৰ পৰ্যন্তহে জুখিব পৰা হৈছে। আটাইতকৈ আশ্চৰ্যজনক কথা হ'ল মহান বিজ্ঞানী আইনষ্টাইনে উদ্ভাৱন কৰা চাৰি বিমীয়ৰ ঠাইত দহ বিমীয়ৰ শুদ্ধ ব্যাখ্যা বাস্তৱক্ষেত্ৰত আগবঢ়োৱাটো। এইবোৰ ধাৰণাৰ কোনো কল্পনাতীতৰ বাহিৰে সাৰ্বজনীন পথ নাই যেন লাগে আৰু যুগে যুগে যেন এনে ধৰণৰ তত্ত্ববোৰ কেইজনমান বিজ্ঞানীৰ মেধাৰ পৰিচায়ক হৈ থাকিব।

প্ৰশ্ন হ'ল, এইবোৰ কেতিয়ানো সাৰ্বজনীন হ'ব, যিয়ে জনগণৰ হৃদয় স্পৰ্শ কৰিবলৈ সমৰ্থৱান হ'ব। বিচক্ষণ বিজ্ঞানীসকলে ভাৱে জনগণৰ হৃদয় এদিন নিশ্চয় কঁপি উঠিব, যিদিনা এনে ধৰণৰ তত্ত্বই ভগৱানৰ অস্তিত্ব প্ৰমাণ কৰিবলৈ সমৰ্থৱান হ'ব আৰু সিদিনাই হ'ব আমি আজিলৈকে নিৰাকাৰ, নিৰাময়, সৃষ্টিকৰ্তা বুলি মানি অহা ভগৱান, বিজ্ঞানৰ খেল। অৱশ্যে আইনষ্টাইনে জীৱনৰ শেষছোৱাত বিদ্যুৎ-চুম্বকীয় বল আৰু মহাকৰ্ষণীয় বলক একীকৃত কৰিবলৈ বৃথা চেষ্টা কৰিছিল।

কোৱাণ্টাম তত্ত্বৰ ক্ৰমবিকাশত ১৯৭০ৰ ঠিক পিছতে দুৰ্বল, সবল আৰু বিদ্যুৎ-চুম্বকীয় বল তিনিটাৰ একত্ৰীকৰণৰ প্ৰয়াসৰ ফলত 'ব্যাপক একীকৃত তত্ত্ব' উদ্ভাৱিত হ'ল যদিও ইয়াৰ ভিতৰত মহাকৰ্ষণ বলক সোমাই ল'ব পৰা নহ'ল। অৰ্থাৎ এনে একীকৃত তত্ত্বই মহাকৰ্ষণ বলক আনকেইটা বলৰ লগত সমন্বিত নকৰে। তথাপি নেৰা-নেপেৰাকৈ লাগি থকা বিজ্ঞানী ষ্টিফেন হকিঙে আত্মপ্ৰত্যয় সহকাৰে আজিৰ বিজ্ঞানী তথা অনাদি বিজ্ঞানৰ গৱেষক সমাজে সকলো কেইটা বল একীকৃত (আটাইকেইটা বলকে একেটা মৌলিক বলৰ বিভিন্ন ৰূপ বুলি দেখুওৱা) হোৱা 'সৰ্বতত্ত্ব' আৱিষ্কাৰৰ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হোৱা বুলি ধাৰণা কৰিছে, যদিহে কল্পিত ঈশ্বৰ কণিকা বাস্তৱ ক্ষেত্ৰত ছাৰ্ণ গৱেষণাগাৰত ২০০৮ৰ পৰা কৰ্মৰত বিজ্ঞানীসকলে আৱিষ্কাৰ কৰিবলৈ সক্ষম হয় যে প্ৰকৃততে ঈশ্বৰ কণিকা হ'ল আধুনিক পদাৰ্থ কণিকা বিজ্ঞানৰ শক্তি আৰু পদাৰ্থৰ সৃষ্টি বাখ্যা কৰিব পৰা তাত্ত্বিক মান বিশিষ্ট আৰ্হিৰ ব'ছ'ন কণিকাৰ সমগোত্ৰীয় হিগ্‌ছ কণিকা বা হিগ্‌ছ-ব'ছ'ন কণিকা। ইয়াৰ ভৰ প্ৰ'টন কণিকাৰ ভৰৰ প্ৰায় ১৩৩ গুণ। ভাৰতীয় দৰ্শন শাস্ত্ৰত উল্লেখিত ১৩৩ কোটি দেৱতাৰ ওপৰত স্বয়ং 'ঈশ্বৰ' ৰ স্থিতি হেতু হিগ্‌ছ কণিকা বা হিগ্‌ছ-ব'ছ'ন কণিকাৰ খ্যাত নাম হয়তো 'ঈশ্বৰ কণিকা' ৰখা হ'ল। তথাপি কিন্তু ইয়াৰ এটা বুৰঞ্জীও আছে। বুৰঞ্জীখনি এনে ধৰণৰ ঃ বিজ্ঞানী পিটাৰ হিগ্‌ছে ১৯৯৩ খ্ৰীষ্টাব্দত হিগ্‌ছ-ব'ছ'ন কণিকাৰ ওপৰত এখন গ্ৰন্থৰ পাণ্ডুলিপি প্ৰস্তুত কৰি 'হিগ্‌ছ ব'ছ'ন' নাম দি প্ৰকাশকলৈ পঠিয়ায়। প্ৰকাশক আৰু কিতাপখনৰ নামকৰণৰ সম্পৰ্কত দ্বায়িত্ব অৰ্পণৰ বাবে বিজ্ঞানী হিগ্‌ছে মনোনীত কৰা নোবেল বঁটা বিজয়ী সু-লেখক লিঅ' লিডাৰম্যানৰ মাজত বাক্ যুক্তি তৰ্ক আৰম্ভ হয়। নোবেল বিজয়ী লিঅ' লিডাৰম্যানে প্ৰকাশকৰ কথাত বিৰক্ত হৈ খঙেৰে ক'লে— হিগ্‌ছে লিখা গ্ৰন্থখনৰ নাম তেতিয়া হ'লে 'গড্ ডেম্ পাৰ্টিকল' ৰাখক। নোবেল বিজয়ী লিডাৰম্যানে খঙেৰে কোৱা (কিতাপখনৰ) নামটোৰ মাজত প্ৰকাশকে বিজ্ঞানী হিগ্‌ছৰ কিতাপখনৰ নামটি বিচাৰি পালে। কিতাপখনৰ নাম হিগ্‌ছ ব'ছ'নৰ ঠাইত 'দ্য গড পাৰ্টিক্যলঃ ইফ দা ইউনিভাৰ্ছ ইজ দ্যা এনচাৰ, হোৱট ইউ দ্যা কুৱেচ্ছন'। কিতাপখনৰ নাম 'দ্য গড্ পাৰ্টিকল' ৰখাৰ বাবেহে ই সৰ্বাধিক গ্ৰন্থ বিক্ৰীৰ তালিকাত অন্তৰ্ভুক্ত হ'ল। 'দ্য গড্ পাৰ্টিকল' নামৰ কিতাপখনৰ ভিত্তিতেই হেনো হিগ্‌ছ ব'ছ'ন কনিকাৰ নাম হ'ল গৈ 'ঈশ্বৰ কণিকা'। হিগ্‌ছ ব'ছ'ন কণিকাই হওঁক বা ঈশ্বৰ কণিকাই হওক বা ইয়াৰ সমগোত্ৰীয় কল্পিত কণিকাই হওক, ইয়াৰ সহায়ত হয়তো পৰৱৰ্তী পৰ্যায়ত মহাকৰ্ষণ বলক কোৱাণ্টাম তত্ত্বৰে বান্ধিব পৰা যাব, আৰু তেতিয়াই বিজ্ঞানী পিটাৰ হিগ্‌ছে ন'বেল বঁটা পোৱাৰ যোগ্যতা অৰ্জন কৰিব বুলি ষ্টিফেন হকিঙে নিশ্চিত ৰায় দিয়ে। বিজ্ঞানী হকিঙৰ ৰায় নিশ্চিত হ'ল আৰু ২০১৩ৰ পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা ব্ৰিটিছ বিজ্ঞানী পিটাৰ হিগ্‌ছ আৰু বেলজিয়াম বিজ্ঞানী ফ্ৰাঁচোৱা এংলাৰ্টলৈ ছাৰ্ণ গৱেষণাগাৰত ঈশ্বৰ কণিকাৰ ভৰৰ অৱস্থিতি ব্যাখ্যা কৰাৰ বাবে প্ৰদান কৰা হয়। এই বিশ্বব্ৰহ্মাণ্ডখন ভৰযুক্ত হোৱাৰ মূল কাৰণটো ব্যাখ্যা কৰাৰ ক্ষেত্ৰত যে হিগ্‌ছ-ব'ছ'ন কণিকাৰ অস্তিত্ব ছাৰ্ণ গৱেষণাগাৰত প্ৰমাণিত হ'ল, সেয়া এক গুৰুত্বপূৰ্ণ অৱদান, কিয়নো তেওঁলোকৰ গৱেষণাৰ তাত্ত্বিক দিশ আৰু ছাৰ্ণ গৱেষণাগাৰৰ পৰীক্ষাৰ দিশ একে। গতিকে তেওলোকে ন'বেল বঁটা পোৱাৰ সুযোগ্য বিজ্ঞানী নহৈ নোৱাৰে।

সঁচাকৈয়ে যদি মহাকৰ্ষণ বলক কোৱাণ্টাম তত্ত্বৰে সামৰাৰ পিছত সৰ্বতত্ত্বৰ আৱিষ্কাৰ হয়, তাৰ ফল কি হ'ব পাৰে, বাৰু? কোৱাণ্টাম মহাকৰ্ষণ তত্ত্বৰ ওপৰত এতিয়া কেম্‌ব্ৰিজ বিশ্ববিদ্যালয়ত তাত্ত্বিক গৱেষণাত ব্যস্ত থকা লুকাচিয়ান অধ্যাপক ষ্টিফেন হকিঙে এটা কথা কৈছে যে— সেই আৱিষ্কাৰ বিশ্বব্ৰহ্মাণ্ডক বুজিবৰ বাবে মানৱ জাতিৰ বৌদ্ধিক সংগ্ৰামৰ সুদীৰ্ঘ দিনৰ নিৰন্তৰ প্ৰয়াসক গৌৰৱোজ্বল অধ্যায়ৰ সফল পৰিসমাপ্তি হ'ব। অৱশ্যে ইয়াৰ যি তাত্ত্বিক গাণিতীয় সমীকৰণ উদ্‌ঘাটন হ'ব তাৰ প্ৰকৃত সমাধান সুদূৰ পৰাহত হৈ যাব, মাথোন কেইটামান সহজ ক্ষেত্ৰতেহে তাক সৰলীকৃত কৰি সমাধা বাহিৰ কৰা সম্ভৱ হ'ব।


সৰ্বতত্ত্বৰ সমীকৰণ বিশেষ ক্ষেত্ৰত সৰলীকৰণৰ দ্বাৰা সমাধান সম্ভৱ হ'লেও সঠিক সমাধান উলিয়াব পৰা নাযাব। হয়তো যোল্ল বিমীয় পদ্ধতি উদ্‌ঘাটন হ'ব, তথাপি কিন্তু মানুহৰ আচৰণক গাণিতীয় সমীকৰণেৰে বান্ধিব পৰা নাযাব। এই তত্ত্বত সহায়ত বিশ্বব্ৰহ্মাণ্ডৰ তথা জীৱ-জগতৰ অস্তিত্বৰ কাৰণ কি? জেনেটিক ইঞ্জিনিয়াৰিঙৰ দ্বাৰা ডি এন এ বিশ্লেষণ পদ্ধতিৰে তাৰ উত্তৰ যদি অনুসন্ধান কৰি উলিয়াব পৰা যায়, তেতিয়া সেয়াই হ'ব মানুহৰ বুদ্ধিমত্তাৰে, যুক্তিযুক্ততাৰে প্ৰজ্ঞা সাধনাৰ চূড়ান্ত সাৰ্থকতা আৰু তেতিয়াই হয়তো ব্যাখ্যাৰ উৰ্দ্ধত থকা ভগৱান, অলৌকিক হৈ নাথাকিব ভগৱানৰ অস্তিত্বক প্ৰত্যাহ্বান জনাই মানুহে সকলো নিয়ন্ত্ৰণ কৰাৰ সম্ভৱনা প্ৰকট হ'লে ব্যাখ্যাৰ উৰ্দ্ধত থকা ভগৱান জনমানসত ঈশ্বৰ মানসেৰে পৰিচিত হৈ পৰিব।

লেখক ডীন অৱ চায়েন্স, বৰভাগ মহাবিদ্যালয়

# ইছলামীক পণ্ডিতৰ দাবীৰ ভিত্তি কি?

# পৃথিৱী ঘূৰেনে?

## ইকবাল হুছেইন



**ইছলামী** জীৱন ব্যৱস্থাৰ লগত জড়িত গ্ৰন্থ কোৰান হাদীছৰ উপৰি নবীসকলৰ জীৱনী সম্বলিত অনেক গ্ৰন্থ পোৱা যায় যি সমূহক অতি উচ্চ স্থান দিয়া হয়, তেনে এখন গ্ৰন্থৰ নাম হ'ল 'তাযকে ৰাতুল আম্বিয়া'। এই গ্ৰন্থখনৰ সংকলক, অনুবাদক, সম্পাদক, প্ৰতিজন ব্যক্তিয়েই মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ পৰা লাভ কৰা উচ্চ ডিগ্ৰীধাৰী হোৱাৰ উপৰি, মুফ্‌তী মুহাদ্দিছ, শ্বায়খুল হাদীছ আদি উপাধিৰে সমৃদ্ধ। এনে ধৰণৰ আধুনিক তথা ইছলামী শিক্ষাৰে শিক্ষিত পণ্ডিতসকলৰ গ্ৰন্থত পৃথিৱী, সপ্ত আকাশ, বায়ু, পানী, মাটি আদি সৃষ্টিৰ অদ্ভুত কাহিনী পঢ়িলে সকলোৰে চকু কপালত উঠিব।

আমাৰ অঞ্চলৰ এখন জামে মছজিদৰ ইমামজন সকলোৰে অতি প্ৰিয়। তেওঁক এই অঞ্চলৰ সকলোৱে ইমানদাৰ, পৰহেজগাৰ আৰু সত্যবাদী লোক বুলি বিশ্বাস আৰু শ্ৰদ্ধা কৰে। তেওঁ এদিন জুমাৰ নামাজৰ খুত্‌বাৰ অন্তত ঘোষণা কৰিলে যে তেওঁ দিব্যজ্ঞান লাভ কৰিছে। তেওঁ সদম্ভে ক'লে, 'আপোনালোকে মোক বিশ্বাস কৰক বা নকৰক, মই আল্লাৰ শপত খাই কওঁ, মই সঁচাকৈয়ে দিব্যজ্ঞান লাভ কৰিছো। মই চকু মুদিলেও সকলোকে দেখা পাওঁ, মই চকু মুদিয়েই দেখা পাই আছো যে পৃথিৱীখন গৰুৰ পিঠিত আছে...। এই মছজিদত নামাজ পঢ়া অধিকাংশ লোকেই অতি উচ্চ শিক্ষিত, বেছিভাগেই স্কুল, কলেজ, বিশ্ববিদ্যালয়ৰ শিক্ষক আৰু অন্যান্য চাকৰিয়াল। ইয়াৰ কোনো এজন ব্যক্তিয়েই উক্ত ইমামজনৰ অদ্ভুত উক্তিৰ বিৰুদ্ধে কোনো ধৰণৰ প্ৰতিবাদ কৰা দেখা নগ'ল। সকলোৱে নীৰৱে নামাজ আদায় কৰি ঘৰা-ঘৰি গুচি গ'ল। এনে মিথ্যাবাদী ইমামৰ পাছত নামাজ পঢ়ি জান্নাত পাবলৈ আশা কৰাটো কিমান মূৰ্খতাৰ পৰিচায়ক, পাঠকসকলে এবাৰ ভাবি চাওক।

মানৱ জাতি আজি জ্ঞান-বিজ্ঞান তথা প্ৰযুক্তিবিদ্যাৰ চৰম শিখৰত উপনীত হোৱাৰ সময়ত ইছলামী শিক্ষাৰ কেন্দ্ৰবিন্দু মাদ্ৰাছাসমূহত এনে ধৰণৰ শিক্ষা প্ৰদান কৰা হয়। ইয়াৰ এটা সামান্য উদাহৰণ দাঙি ধৰা হ'ল—মৌলানা আব্দুল কদ্দুছ কাছিমীয়ে (অধ্যাপক দাৰুল উলুম, গুৱাহাটী, গাড়ীগাঁও) অনুবাদ কৰা 'জ্ঞান কোষ' নামৰ পুস্তিকাখনৰ ৪৮ পৃষ্ঠাত লিখা হৈছে— প্ৰশ্ন ঃ আল্লাহে পৃথিৱীখনক কি বস্তুৰ ওপৰত প্ৰতিষ্ঠা কৰিছে? উত্তৰ—আল্লাহে পৃথিৱীখনক এটা মাছৰ পিঠিত স্থাপন কৰিছে। মাছটোৰ নাম 'য়াহমুত' নাইবা 'লুত্‌য়া'। প্ৰশ্ন—পৃথিৱীৰ বিস্তীৰ্ণতা কিমান আৰু কোন ভাগত কোন সৃষ্টি আবাদ হৈ আছে? উত্তৰ ঃ সমস্ত ভূ-মণ্ডলৰ বিস্তীৰ্ণতা পাঁচশ বছৰৰ দূৰত্বৰ সমকক্ষ। তাৰ ভিতৰত তিনিশ ভাগত পানীয়েই পানী, ১৯০ ভাগৰ য়াজুজ, মাজুজৰ বসতিস্থল, বাকী থাকিল ১০ ভাগ। তাৰ ভিতৰত সাত ভাগত হাব্‌শী (নিগ্ৰো) লোকে আবাদ কৰি আছে। প্ৰশ্ন ঃ ছদ্দে ইছকন্দৰী (ইছকন্দৰ বাদশ্বাহৰ দেৱাল)ৰ দীৰ্ঘ-প্ৰস্থ কিমান? উত্তৰ ঃ ইছকন্দৰ জুল-কৰনাইন) বাদশ্বাহে যিখন দেৱাল তুৰস্কত সজাইছিল ইয়াৰ দীঘ ১০০ মাইল আৰু বহল ৫০ মাইল। (ঐতিহাসিক বীৰ আলেকজেণ্ডাৰক ইছলামী জগতত জুলকাৰনাইন নামে পৰিচিত)। উপৰোক্ত কথাখিনিৰ ব্যাখ্যাৰ প্ৰয়োজন নিশ্চয় নাই, এশ মাইল দীঘল আৰু ৫০ মাইল বহল দেৱাল এই পৃথিৱীত কেতিয়াবা সৃষ্টি হৈছিলনে? এই কিতাপখনৰ অভিমত শিতানত কে'বাজনো বিশিষ্ট ব্যক্তিয়ে কিতাপখন প্ৰশংসাৰে উপচাই পেলাইছে, তাৰ এজন হ'ল— আমিৰে শ্বৰীয়ত উত্তৰ-পূব ভাৰত, মুফতী মঃ খাইৰুল ইছলাম আৰু আনজন মৌলানা হাফিজ বছিৰ আহমদ (কাছিমী) অতিৰিক্ত সাধাৰণ সম্পাদক অসম ৰাজ্যিক জমিয়ত উলামা। হাফিজ বছিৰ আহমদ (কাছিমী)ৰ দৰে ব্যক্তিসকলে যদি পৃথিৱীখন মাছৰ পিঠিত থকা বুলি বিশ্বাস কৰে তেন্তে তাতোকৈ দুৰ্ভাগ্যজনক বিষয় আন একো হ'ব নোৱাৰে। এনে ধৰণৰ শিক্ষা আহৰণৰ বাবে কি কাৰণে চৰকাৰী আৰু বেচৰকাৰীভাৱে বৃহৎ পৰিমাণৰ পুঁজি ব্যয় কৰা হয় তাক বুজা নাযায়।

বাংলাদেশৰ বিশিষ্ট লেখক চিন্তাবিদ মুহাম্মদ নুৰুল ইছলাম চাহাবে কোৰান, হাদিছ, বিভিন্ন ধৰ্ম গ্ৰন্থ তথা বিজ্ঞানৰ যুক্তিৰ আধাৰত প্ৰণীত গ্ৰন্থ 'পৃথিৱী নয় সূৰ্য ঘূৰে' নামৰ কিতাপত পৃথিৱী স্থিৰ, পৃথৱী এই বিশ্বৰ কেন্দ্ৰস্থল আৰু সূৰ্য পৃথিৱীৰ চাৰিওপিনে ঘূৰে বুলি প্ৰতিপন্ন কৰিবলৈ প্ৰয়াস কৰিছে। কিতাপখনত তেওঁ প্ৰত্যাহ্বান জনাই কৈছিল যে পৃথিৱীৰ যিকোনো লোকে যিকোনো ধৰ্মীয় গ্ৰন্থৰ পৰা মাথোঁ এটা শব্দ 'পৃথিৱী ঘূৰে' বুলি দেখুৱাব পাৰে তেন্তে তেওঁক ৫০ হেজাৰ টকাৰ দ্বাৰা পুৰস্কৃত কৰা হ'ব। কিন্তু এই প্ৰত্যাহ্বানৰ পুৰস্কাৰটো এতিয়ালৈকে কোনেও গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা নাই। যিহেতু ধৰ্মীয় গ্ৰন্থসমূহ সত্যৰ ওপৰত প্ৰতিষ্ঠিত বুলি বিশ্বাস কৰা হয়, সেয়ে পৃথিৱী স্থিৰ, সেয়াও সত্য বুলি বিশ্বাস কৰিব লাগিব, নহয় জানো? কোৰানে আচলতে 'টলেমী থিয়ৰী' সমৰ্থন কৰা দেখা যায়। এইখন কিতাপৰ লেখক তিনিজনেই ইছলামী আৰু আধুনিক শিক্ষাৰে শিক্ষিত। তেওঁলোকে বিভিন্ন ধৰ্মগ্ৰন্থ আৰু কোৰান হাদিছৰ দ্বাৰা বুজাবল বিচাৰিছে যে পৃথিৱী স্থিৰ। যিসকলৰ কোনো এটা বিষয়ত গভীৰ জ্ঞান নাথাকে তেওঁলোকে আনক হেয় প্ৰতিপন্ন কৰাৰ উদ্দেশ্য নিকৃষ্ট ভাষাৰ আশ্ৰয় লয়। অতি পৰিতাপৰ বিষয় যে উক্ত কিতাপখনৰে ১০২ পৃষ্ঠাত গতিশীল পৃথিৱীৰ সপক্ষে ওকালতি কৰিছে। ইয়াত লিখা হৈছে— 'পৃথিৱী আৱৰ্তন কৰিছে নিজ কক্ষপথে'।

এতিয়া পাঠকসকলে চিন্তা কৰক, এখন কিতাপৰে দুঠাইত সম্পূৰ্ণ দুটা ভিন্ন মত পোষণ কৰিছে, সঁচাকৈয়ে কোৰানত যদি গতিশীল পৃথিৱীৰ উল্লেখ থাকিলেহেঁতেন নিশ্চয় ইছলামৰ বাহকসকলে বিভ্ৰান্তিত নপৰিলেহেঁতেন।

কপাৰনিকাচ, কেপলাৰ, গেলিলিঅ', নিউটন আদি মহান বিজ্ঞানীসকলৰ কঠোৰ পৰিশ্ৰমৰ ফলত ঘূৰ্ণনশীল পৃথিৱী সাব্যস্ত হোৱাৰ পাছত ইছলামী চিন্তাবিদসকলে কোৰানৰ প্ৰতিটো শব্দৰ ১০ টাকৈ অৰ্থ বিচাৰি উলিয়াই খাপখোৱাবিধৰ অৰ্থ ব্যৱহাৰ কৰি পৃথিৱীখনক ঘূৰাৰ সপক্ষে যুক্তি দাঙি ধৰিছে। উহাৰণস্বৰূপে চুৰা ফাতিৰৰ ৪১ নম্বৰ আয়াতৰ দ্বাৰা ইতিপূৰ্বে স্থিৰ পৃথিৱীৰ যি উল্লেখ কৰা হৈছে সেই একে আয়াতত ড° ৰহমানে (আল কোৰান জ্ঞান বিজ্ঞান ও মুছলমান) এই বাক্যটো এনেদৰে সজাইছে 'নিশ্চয় আল্লাহে আকাশ মণ্ডল আৰু পৃথিৱী ৰক্ষা কৰি আছে। (বা আয়ত্তত ৰাখিছে) যাতে সেইবোৰে স্থানচ্যুত (কক্ষচ্যুত) নহয় আৰু যদি সেইবোৰ কক্ষচ্যুত হয় তেওঁৰ বাহিৰে কোনে সেইবোৰক ধৰি ৰাখিব'। (পৃষ্ঠা-৭২)। আল্লাই কোৰানত চন্দ্ৰ, সূৰ্য, গ্ৰহ, নক্ষত্ৰ, আকাশ আৰু পৃথিৱী সম্পৰ্কে প্ৰায় দুশটা আয়াত নাজিল কৰিছে, তাৰ কোনো এটা আয়াততে পৃথিৱী গতিশীল বা ইয়াৰ কক্ষপথ থকা বুলি উল্লেখ নাই অথচ চন্দ্ৰ আৰু সূৰ্য নিজ নিজ কক্ষপথত গতিশীল বুলি বাৰে বাৰে উল্লেখ কৰিছে। পৃথিৱীৰ কক্ষপথৰ উল্লেখ নথকা সত্ত্বেও এই শব্দটো জোৰ কৰি টানি অনা হৈছে। চুৰা আল ফাতাহৰ ২৩ নম্বৰ আয়াতত কোৱা হৈছে যে আল্লাহৰ বিধান চিৰস্থায়ী, ইয়াৰ কোনো পৰিৱৰ্তন নহয়। দেশ এখন পৰিচালনাৰ বাবে যিদৰে সংবিধানৰ প্ৰয়োজন হয় ঠিক সেইদৰে বিশ্ব সৃষ্টিৰ পূৰ্বে ৰচনা কৰা সংবিধানৰ ভিত্তিত বৰ্তমানৰ বিশ্ব পৰিচালিত হৈ আছে। ড° ৰহমানে কোৱাৰ পৃথিৱীখন এতিয়া ৰক্ষা কৰাৰ প্ৰয়োজন নাই। বস্তু এটা ধ্বংসৰ গৰাহত পৰিলেহে ৰক্ষা কৰাৰ প্ৰয়োজন হয় নাইবা আকাশ মণ্ডল আয়ত্তাধীন ৰাখিব বিচাৰিলেও কি যুক্তিত বিশ্বখনৰ প্ৰসাৰণশীলতাৰ প্ৰতি সমৰ্থন আগবঢ়াব। নিউটনৰ গতিৰ প্ৰথম সূত্ৰৰ দৰে গতিশীল বস্তু গতিশীল অৱস্থাত আৰু স্থিতিশীল বস্তু সদায় স্থিতিশীল অৱস্থাত থাকিব। ইয়াৰ বাবে আল্লাই সদায় চকু দি থাকিব নালাগিব। **(আগলৈ)**

# শাস্ত্ৰ আৰু আমি

## জ্যোতিষ চন্দ্ৰ দত্ত

'শাস্ত্ৰ' শব্দটো সংস্কৃত 'শাস্' ধাতুৰ পৰা উৎপত্তি হৈছে। 'শাস্' ধাতুৰ অৰ্থ হৈছে 'উপদেশ কৰ।' শাস্ত্ৰ শব্দৰ অৰ্থ হৈছে ঈশ্বৰৰ আদেশ মতে হোৱা নীতি বা ধৰ্ম বা বিজ্ঞানৰ শিক্ষা দিয়া পুথি। শাস্ত্ৰ চৈধ্যখন, যেনে— শিক্ষা, কল্প, নিৰক্ত, জ্যোতিষ, ছন্দ, ব্যাকৰণ, মীমাংসা, ন্যায়, দণ্ড, আয়ুৰ্বেদ, স্মৃতি, গন্ধৰ্ব, ধনুৰ্বেদ আৰু কাব্য।

**যোৱা** ১১ ফেব্ৰুৱাৰীৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'শাস্ত্ৰ আৰু আমি 'নিৰন্ধটোৰ নিৰন্ধকাৰ ড° গিৰীশ বৰুৱাই শাস্ত্ৰ সম্বন্ধে কিছুমান মন্তব্য আগবঢ়াইছে। তেওঁৰ মন্তব্যৰ আঁত ধৰি মোৰ মনৰ ভাৱ প্ৰকাশ কৰিলো।

'শাস্ত্ৰ' শব্দটো সংস্কৃত 'শাস্' ধাতুৰ পৰা উৎপত্তি হৈছে। 'শাস্' ধাতুৰ অৰ্থ হৈছে 'উপদেশ কৰ।' শাস্ত্ৰ শব্দৰ অৰ্থ হৈছে ঈশ্বৰৰ আদেশ মতে হোৱা নীতি বা ধৰ্ম বা বিজ্ঞানৰ শিক্ষা দিয়া পুথি। শাস্ত্ৰ চৈধ্যখন, যেনে— শিক্ষা, কল্প, নিৰক্ত, জ্যোতিষ, ছন্দ, ব্যাকৰণ, মীমাংসা, ন্যায়, দণ্ড, আয়ুৰ্বেদ, স্মৃতি, গন্ধৰ্ব, ধনুৰ্বেদ আৰু কাব্য।

ড° গিৰীশ বৰুৱাই 'শাস্ত্ৰ আৰু আমি' নিৰন্ধত ধৰ্মীয় গ্ৰন্থসমূহক 'শাস্ত্ৰ' হিচাপে লৈ মন্তব্য আগবঢ়োৱা বুলি ক'ব পাৰি। 'আমি' শব্দটোৰ জৰিয়তে জীৱ-শ্ৰেষ্ঠ মানুহক বুজোৱা বুলি অনুমান কৰা হৈছে। 'ধৰ্মীয় শাস্ত্ৰ আৰু মানুহ।' ধৰ্মীয় শাস্ত্ৰসমূহৰ মূল উদ্দেশ্য হ'ল— আধ্যাত্মিক চিন্তাৰে মানুহৰ সহজাত প্ৰবৃত্তি, যেনে, কাম-ক্ৰোধ, লোভ, মোহ, মদ, মাৎসৰ্য ৰিপুসমূহক নিয়ম, সংযম আৰু যোগৰ দ্বাৰা মনক নিয়ন্ত্ৰণ কৰি মানুহক যি উদ্দেশ্যেৰে শাস্ত্ৰকাৰসকলে সেই সময়ৰ সমাজ ব্যৱস্থা সুশৃংখলিতভাৱে পৰিচালনা কৰাৰ মানসেৰে নিজৰ জ্ঞান, বুদ্ধি আৰু দূৰদৃষ্টি সম্পন্ন ভাৱনাৰে মানুহৰ মনত সৎ ভাৱনাৰ সৃষ্টিৰ বাবে কিছুমান ভক্তিৰ পথ কৌশলগতভাৱে ধৰ্মগ্ৰন্থসমূহত সন্নিবিষ্ট কৰি, সেই পথ অনুসৰণ কৰি নিজক শুদ্ধ কৰিবলৈ তেওঁলোকৰ অনুগামী ভক্তসকলৰ জৰিয়তে, প্ৰচাৰ আৰু প্ৰসাৰ কৰে। শাস্ত্ৰজ্ঞ অৰ্থাৎ শাস্ত্ৰজনা লোকে শাস্ত্ৰৰ তত্ত্ব বা শাস্ত্ৰৰ মৰ্ম বা পৰমাৰ্থ যুক্তিবাদেৰে বিশ্লেষণ কৰি শুদ্ধ বা অশুদ্ধ বিচাৰ কৰি, যিটো শুদ্ধ বুলি ভাৱে সেইমতে আচৰণ কৰে। কিন্তু এক শ্ৰেণী কুতৰ্কী পণ্ডিত যিয়ে ভ্ৰম (নিশ্চিতভাৱে ভুল কৰা), প্ৰমাদ (সততে মায়াগ্ৰস্ত) আনক ঠগাৰ ইচ্ছা, কৰণ অপাৰৈ (অপূৰ্ণ ইন্দ্ৰিয়ৰ দ্বাৰা সীমাবদ্ধ) দোষৰ পৰা মুক্ত নহৈ দহৰ মংগল চিন্তা কৰি জাত্যাভিমান, বৃত্তি আদিৰ ওপৰত প্ৰাধান্য দি শাস্ত্ৰ সৃষ্টি কৰে। সেইবোৰ শাস্ত্ৰ অধ্যয়ন কৰি মনত শাস্ত্ৰৰ প্ৰতি বিৰাগ জগাতো আচৰিত হ'ব লগা একো নাই।

ড° বৰুৱাই 'শাস্ত্ৰ জ্ঞানক ইন্দ্ৰিয় জ্ঞানৰ ওপৰত নিৰ্ভৰশীল বুলি ভবা নহয়' বুলি উল্লেখ কৰিছে। শ্ৰীমদ্ভাগৱদ্ গীতাৰ জ্ঞান-বিজ্ঞান যোগ শ্লোক নম্বৰ-চাৰি গভীৰভাৱে চিন্তা কৰিলে শাস্ত্ৰ জ্ঞান ইন্দ্ৰিয় জ্ঞানৰ ওপৰত নিৰ্ভৰশীল হয় নে নহয় কিছু আভাস পোৱা যায়—

ভূমিঃ আপঃ অনলঃ বায়ুঃ মম্ মনঃ বুদ্ধিঃ এব চ।

অহংকাৰ ইতি ইয়ম্ মে ভিন্না প্ৰকৃতিঃ অষ্টধা।।

'মাটি, পানী, জুই, বায়ু, আকাশ, মন, বুদ্ধি আৰু অহংকাৰ এই আঠটা ভাগেৰে মোৰ পৰা ভিন্ন জড় প্ৰকৃতি গঠন হৈছে।' ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ঘাইকৈ আঠটা ৰূপত জড় প্ৰকৃতিয়ে প্ৰকাশ লাভ কৰে। তাৰে প্ৰথম পাঁচটাক অৰ্থাৎ মাটি, পানী, জুই, বায়ু আৰু আকাশক বোলা হয় পঞ্চমহাভূত বা স্থূল সৃষ্টি। হাত, ভৰি, গুহ্য, লিংগ আৰু মুখ এই পাঁচটা কৰ্মেন্দ্ৰিয়। চকু, কাণ, নাক, ছাল আৰু জিভা এই পাঁচটা জ্ঞানেন্দ্ৰিয়। মনৰ চাৰি ভাগ, যেনে— মন, বুদ্ধি, চিত্ত আৰু অহংকাৰ এই চাৰিটা হ'ল অতিন্দ্ৰিয়। পঞ্চ মহাভূতত পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ যোগেদি পাব পৰা বিষয়সমূহ সোমাই আছে। সেই বিষয়বিলাক হ'ল পাৰ্থিৱ জগতৰ শব্দ, স্পৰ্শ, ৰূপ, ৰস আৰু গন্ধ। ভৌতিক বিজ্ঞানৰ মতে কেৱল এই দহটা তত্ত্বহে আছে। তাৰ বাহিৰে আন একো পদাৰ্থ নাই। বাকী তিনিওটা তত্ত্ব অৰ্থাৎ মন, বুদ্ধি, অহংকাৰৰ ওপৰত পদাৰ্থ বিজ্ঞানীসকলে কোনো গুৰুত্ব আৰোপ নকৰে। শ্ৰীমদ্ভাগৱতে ছব্বিশটা তত্ত্বক মহৎ তত্ত্ব হিচাপে বিশ্লেষণ কৰিছে। ধৰ্মীয় শাস্ত্ৰসমূহে একাত্ম সংযম আৰু ইন্দ্ৰিয় দমনৰ ওপৰত গুৰুত্ব প্ৰদান কৰি নিবৃত্তিৰ মাৰ্গ দৰ্শন কৰিছে। ড° বৰুৱাই শাস্ত্ৰকাৰসকলে শাস্ত্ৰই কোৱা কথাৰ বাহিৰে অন্যবোৰ কথাক জ্ঞান বা অবিদ্যা বুলি কয়। শাস্ত্ৰমতে মায়াকে অবিদ্যা বুলি কোৱা হয়। অবিদ্যাই স্বৰূপ জ্ঞানৰ অভাৱ অৰ্থাৎ বিকৃত জ্ঞানক বুজায়। এই বিকৃত জ্ঞানকে ভ্ৰমাত্মক জ্ঞান বা ভ্ৰমাত্মকবোধ বুলিও ক'ব পাৰি। হৃদয়ত চৈতন্যবোধৰ উদয় হ'লে এই অবিদ্যাৰ অৱসান বা ভ্ৰমাত্মকবোধ মায়া দূৰ হয়। সত্যত অসত্যবোধেই মায়াৰ স্বৰূপ। প্ৰবৃত্তিমুখী গতিয়েই মায়া। কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎসৰ্যৰ বশৱৰ্তী হৈ যদি দহৰ অমংগল চিন্তা কৰি কাম কৰা হয়, সেই কৰ্ম মায়াজনিত কৰ্ম বা অবিদ্যাজনিত কৰ্ম। শাস্ত্ৰই মায়া, মোহ ত্যাগ কৰি দহৰ মংগলৰ বাবে সেৱাৰ মনোবৃত্তিৰে কাম কৰিবলৈ উপদেশ দিছে। তলৰ শ্লোকটিৰ মাধ্যমত এই কথা অনুধাৱন কৰিব পাৰি—

পুৰুষোত্তম যোগ শ্লোক নম্বৰ-৪

নিৰ্মাণ মোহ জিত



সংগ দোষা

আধ্যাত্ম নিত্যা বিনিবৃত্ত কামাঃ।

দ্বন্দ্বৈঃ বিমুক্তা সুখ দুখ সংজ্ঞৈঃ

গচ্ছন্ত্যমূঢ়াঃ পদ্মব্যয়ং তৎ।।

যিজনৰ মায়া, মোহ বৰ্জিত, সংসাৰৰ প্ৰতি যাৰ আসক্তি নোহোৱা হৈছে, যিজন সদায় আত্মযোগত যোগগ্ৰস্ত হৈ থাকে আৰু ভৱিষ্যতেও সকলো কামনা শেষ হৈছে; সুখ আৰু দুখ এই দুটা দ্বন্দ্বৰ পৰা যিজন মুক্ত, যিজন পাঁচ প্ৰকাৰ অবিদ্যা যোনিত কাৰণৰ পৰা হাত সাৰিছে, সেইজনেই ঈশ্বৰৰ সাক্ষাৎ লাভ কৰি পৰমপদ বা ব্ৰহ্মপদ প্ৰাপ্ত হয়। পঞ্চ অবিদ্যা হ'ল মোহ, মহামোহ, তম্, অন্ধতামিশ্ৰ আৰু তামিশ্ৰ। মোহ দেহৰ পৰা উৎপত্তি হয়। মহামোহ ৰোগৰ পৰা উৎপন্ন হয়। তমে নিজৰ স্বৰূপক পাহৰাই ৰাখে। বিষয়বাসনাৰ পৰা অন্ধতামিশ্ৰ উৎপন্ন হয় আৰু তামিশ্ৰ ক্ৰোধৰ পৰা উৎপন্ন হয়। জীৱ শ্ৰেষ্ঠ মানুহৰ গাত ঈশ্বৰৰ প্ৰায়বোৰ গুণেই সন্নিবিষ্ট কৰি মানুহ সৃষ্টি কৰিছে। গতিকে শাস্ত্ৰৰ উপদেশ শুদ্ধ-অশুদ্ধ বিচাৰ কৰি শুদ্ধ পথ অনুসৰণ কৰি সেৱা আগবঢ়োৱাটো মানুহৰ সনাতন ধৰ্ম। বুদ্ধই কালাম সূত্ৰত ক'লে, 'তুমি কোনো ধৰণৰ ঐতিহ্য, লোকবিশ্বাস, কিংবদন্তি, অনুমান ইত্যাদিৰ দ্বাৰা প্ৰভাৱিত নহ'বা। আনকি কোনো শিক্ষকৰ বাণীৰ দ্বাৰাও নহয়। যদি তোমাৰ ধাৰণাটো অকুশলময়, সমালোচনাৰ যোগ্য, জ্ঞানীজনৰ নিন্দিত, গ্ৰহণ কৰিলে দুখ আৰু ক্ষতিৰ সম্ভাৱনা আছে, তেনেহ'লে সেই সত্যটোকে বৰ্জন কৰিবা। যদি মনত এইবিলাক মংগলময়, নিৰ্দোষ, জ্ঞানীজনৰ দ্বাৰা প্ৰশংসিত আৰু প্ৰয়োগ কৰিলে মংগল আৰু সুখৰ কাৰণ হ'ব, সেয়ে ইয়াকে অৱশ্যে গ্ৰহণ কৰিবা।'

ড° বৰুৱাই শাস্ত্ৰবাদক গুৰুবাদ আখ্যা দিব পাৰি বুলি উল্লেখ কৰিছে। গুৰু জ্ঞানৰ প্ৰতীক। এই জ্ঞান ব্যক্তিৰ উপদেশ, শাস্ত্ৰ, সামাজিক ব্যৱস্থা বা সংস্কৃতি আৰু প্ৰাকৃতিক জগতৰ অধ্যয়ন প্ৰভৃতি বহুত দিশৰ পৰা হ'ব পাৰে। উন্নতিশীল মানৱ-জীৱনৰ কাৰণে জ্ঞানৰ প্ৰয়োজন আৰু জ্ঞানৰ কাৰণে গুৰুৰ প্ৰয়োজন সদায় থাকিব। অযোগ্য গুৰুৱে শিষ্যক শুদ্ধপথ দেখুৱাব নোৱাৰে। অথচ বহুত সময়ত তেনেকুৱা অযোগ্যলোকেই শিষ্য ভজাই ফুৰা দেখা যায়। এনেকুৱা গুৰুবিলাকক দেখি-শুনি এনেকুৱা প্ৰতিক্ৰিয়া হোৱাতো স্বাভাৱিক। প্ৰকৃত গুৰুৰ লক্ষণ এই ঘোষা ফাঁকিত প্ৰকাশ পাইছে—

হৰি যেন অতি কৃপাময় ভক্ত গুৰুজনা সেহি নয়

দুয়োজন এক শৰীৰত মাত্ৰ ভিন্ন।

কৃপা ৰসে তুষ্ট হোৱে চিত্ত লোকৰ হিত চিন্তি নিত

নিজ গুণে তুষ্ট দুয়ো অহংকাৰ হীন।।

ভক্ত আৰু গুৰু দুয়োজনেই বা ভক্তগুৰুজন (গুৰু হ'বলৈ ভক্ত হ'বই লাগিব) হৰিৰ দৰে কৃপাময়। শৰীৰৰ দৃষ্টিতহে গুৰু আৰু হৰি পৃথক। গুৰু দেহধাৰী আৰু হৰিৰ নিৰ্দিষ্ট দেহ নাই। প্ৰকৃততে গুৰু আৰু হৰিৰ কাৰো স্বৰূপ দেহৰ লক্ষণৰ দ্বাৰা প্ৰকাশ নাপায়। সাধনাৰে উপলব্ধি কৰা চৈতন্য বস্তুৰ দৃষ্টিত গুৰু আৰু হৰিৰ মাজত একো পাৰ্থক্য নাথাকে। হৰি আৰু গুৰু দুয়োজনেই নিজৰ কৃপা গুণৰ দ্বাৰা আনৰ উপকাৰ কৰি ভাল পায়। আৰু আনৰ উপকাৰ সাধন কৰি সন্তোষ লাভ কৰে। প্ৰকৃত গুৰু আৰু হৰিৰ সত্তাত অহংকাৰশূন্য আৰু আত্মবোধ স্বৰূপ।

জ্ঞানেই শাস্ত্ৰৰ স্বৰূপ। এই জ্ঞান অন্তৰ্যামী গুৰুৰ প্ৰেৰণাৰে প্ৰেৰিত হৈ ভক্তজনৰ মুখেদি ব্যক্ত হয় বা শাস্ত্ৰৰূপে লিপিবদ্ধ হয়। গুৰুৱে বিভিন্ন উৎসৰ পৰা জ্ঞান আহৰণ কৰি মানৱজাতিৰ মংগলৰ বাবে চিন্তা কৰি প্ৰকৃত জ্ঞান ভক্তৰ কৰ্ণগোচৰ কৰে। ভক্তই নিজৰ বিবেকেৰে সত্যাসত্যৰ বিচাৰ কৰি সত্যটো হৃদয়ত স্থাপন কৰি সঠিক আচৰণ কৰে। সেয়ে শাস্ত্ৰবাদক গুৰুবাদ আখ্যা দিব নোৱাৰি।

ড° বৰুৱাই উল্লেখ কৰিছে— 'আমাৰ অসমীয়া মানুহে শংকৰদেৱৰ ধৰ্মত লাগি থাকোতে আনবোৰ কথা ভাবিবলৈ আহৰিকে নোহোৱা হৈছে।'

শ্ৰীমন্ত শংকৰদেৱে বেদ, উপনিষদ, শ্ৰীমদ্ভাগৱদগীতা, শ্ৰীমদ্ভাগৱত, বেদান্তসূত্ৰ বা ব্ৰহ্মসূত্ৰ, পুৰাণ, ৰামায়ণ, মহাভাৰত আদি শাস্ত্ৰ অধ্যয়ন কৰি সত্যাসত্যৰ বিচাৰ কৰি, দহৰ মংগল চিন্তা কৰি প্ৰকৃত জ্ঞান 'এক শৰণ হৰিনাম' ধৰ্মত প্ৰকাশ ঘটায়। মহাপুৰুষ গুৰুজনাৰ 'এক শৰণ হৰিনাম' ধৰ্মৰ ভেঁটিত প্ৰতিষ্ঠিত। এই ধৰ্ম বিষ্ণুভক্তি বিশেষকৈ কৃষ্ণ ভক্তি প্ৰধান। গুৰুজনাৰ এক দেৱ, এক সেৱ মহামন্ত্ৰ বিশিষ্ট একেশ্বৰবাদী ধৰ্ম সাধনাৰ পথ। এই পথ অতি সুগম, আচৰণ অতি সহজ সৰল, কোনো অৰ্থৰ প্ৰয়োজন নাই, নাই কোনো শ্ৰম। ভগৱানক ভক্তি কৰিবলৈ, ভগৱানক তুষ্ট কৰিবলৈ গভীৰ শাস্ত্ৰ জ্ঞানৰ প্ৰয়োজন নাই। অসাধৰণ পাণ্ডিত্যৰ আৰশ্যক নাই। তপ, জপ, তীৰ্থ, ব্ৰত আদি জটিল পথৰ কোনো প্ৰয়োজন নাই। পৱিত্ৰ ভকতি ভাৱত ভগৱান সন্তুষ্ট হয়। মহাপুৰুষ গুৰুজনাই কীৰ্তন পুথিত নিজেই লিখিছে—

নালাগে ভক্তিত দেৱ দ্বিজ ঋষি হইবে।

নালাগে সম্ভূত শাস্ত্ৰ বিস্তৰ জানিবে।

তপ, জপ, যজ্ঞ দান সৱে বিৰম্বন।

কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।

কায়, মনো, বাক্যে, একান্ত চিত্তে, সুদৃঢ় বিশ্বাসেৰে ভগৱানৰ শ্ৰীচৰণত শৰণাপন্ন হ'লেই মন স্থিৰ হয়। ক্ষয়ৰিপু নিয়ন্ত্ৰণ কৰি মায়ামোহৰ পৰা মুক্ত হৈ ত্যাগৰ মনোবৃত্তিৰে সেৱাৰ ভাৱ জাগ্ৰত হয়। শান্তিৰ পৰিৱেশ গঢ়ি উঠে। শান্তিয়ে প্ৰেমৰ ভাৱ জাগ্ৰত কৰে। প্ৰেমেই আনন্দ, আনন্দ অনন্ত, অনন্তই পৰমব্ৰহ্ম। অসমীয়া মানুহে শংকৰ-মাধৱৰ আদৰ্শৰে এক শ্ৰেণীবিহীন সমাজ গঢ়ি তুলিব পাৰিব; কিন্তু একশ্ৰেণীৰ লোকে গুৰুজনাৰ মতাদৰ্শ বিকৃত কৰি আচৰণ সৰ্বত্ৰ কৰি নিজৰ আচৰণ শুদ্ধ বুলি অহংকাৰত মত্ত হৈ ভাৰৰীয়াৰ পোছাক পৰিধান কৰি মূল দৰ্শনৰ পৰা আঁতৰি মানুহৰ মাজত বিভেদৰ বীজ সিঁচি দিছে। তেনেলোকৰ আচৰণ দেখি এনে মন্তব্যত আচৰিত হ'ব লগা একো নাই। সেয়ে ভেদাভেদ পাহৰি প্ৰেম আৰু ভ্ৰাতৃত্ববোধেৰে শংকৰদেৱৰ বৰ অসম গঢ়াৰ সপোন বাস্তৱত পৰিণত কৰিব লাগে।

ফোন ঃ ৯৮৫৪০৪১৮১৫

# মৰিগাঁৱত কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ বেটেলিয়নৰ চিভিক একচন প্ৰগ্ৰেম

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও আৰক্ষী নিৰেশস্থিত ১২৮ নম্বৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ 'এ' কোম্পেনীৰ তৰফৰ পৰা বিগত সময়ৰ দৰে এইবাৰো মৰিগাঁও জিলাৰ বিভিন্ন প্ৰান্তত চিভিক একচন প্ৰগ্ৰেমৰ দ্বাৰা বিভিন্ন সামাজিক উন্নয়নমূলক কাম কৰি আহিছে। ২০২১-২২ৰ চিভিক একচন প্ৰগ্ৰেম হিচাপে মৰিগাঁও জিলাৰ লেলাইবৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছোৱালী আৰু ল'ৰাৰ বাবে সুকীয়াকৈ শৌচাগাৰ আৰু এটা চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰাৰ লগতে মৰিগাঁও ঔজাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ জৰাজীৰ্ণ তিনিটা কোঠা পুনৰ নিৰ্মাণ কৰে। ইফালে, ১২৮ নম্বৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ 'এ' কোম্পেনীয়ে কেইদিনমান পূৰ্বে জালুগুটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ল'ৰা-ছোৱালীৰ বাবে সুকীয়াকৈ শৌচাগাৰ আৰু চাইকেল ষ্টেণ্ড নিৰ্মাণ কৰিছিল। ১২৮ নম্বৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ 'এ' কোম্পেনীটোৱে চিভিক একচন প্ৰগ্ৰেম সম্পূৰ্ণ কৰি যোৱা ২২ ফেব্ৰুৱাৰীত নিৰ্মীয়মাণ শৌচাগাৰ, চাইকেল ষ্টেণ্ডসমূহ ব্যৱহাৰৰ বাবে মুকলি কৰে। কাৰ্যসূচী মুকলি অনুষ্ঠানত ১২৮ নম্বৰ বেটেলিয়নৰ চিঅ' বিনয় ছেত্ৰী আৰু মৰিগাঁও আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন উপস্থিত থাকে। ইপিনে, চিআৰপিএফৰ এই চিভিক একচন প্ৰগ্ৰেমৰ দ্বাৰাই ঘৰত বিজুলী সংযোগ নোহোৱা ৩৩ গৰাকী ছাত্ৰ-ছাত্ৰীক ছ'লাৰ লেম্প বিতৰণ কৰে।

# দুখীয়াক ডাবি ধমকি দি কোৰোণাৰে ধন চপাইছে ৱাৰ্ড সদস্যাই

## ■ ভুক্তভোগী মহিলাক লৈ দক্ষিণ কামৰূপ মহিলা সন্থাৰ মিৰ্জাত সংবাদমেল

অগ্ৰদূতবাৰ্তা

**পলাশবাৰী ২৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সকলো সময়তে দুৰ্নীতি নিৰ্মূলৰ আহ্বান। কিন্তু ৰাজ্যত বৰ্তমানেও দুৰ্নীতিৰ প্ৰকোপ কমা নাই। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰেই এনে ঘটনা সংঘটিত হৈছে বিধায়ক ৰেকিবুদ্দিন আহমেদৰ ছয়গাঁও সমষ্টিত। সমষ্টিটোৰ ১৫ নম্বৰ চম্পকনগৰ গাঁও পঞ্চায়তৰ দুই নম্বৰ ৱাৰ্ডৰ 'খ' শাখাত চৰকাৰী আৱাসগৃহ, চৰকাৰী বিভিন্ন আঁচনি আৱণ্টনৰ নামত দুখীয়াক দাবী ধমকি দি হ'লেও সদস্যা বিভা দাসে কোৰোণাৰে চপাইছে ধন। কিন্তু ধন সংগ্ৰহৰ পাছতো বহু দুখীয়া নিচলাই চৰকাৰী আৱাসগৃহ, অৰুণোদয় আঁচনি, পাইখানা আদি পাবলৈ সক্ষম নোহোৱাৰ তীব্ৰ ক্ষোভৰ প্ৰতিবাদ কল্পে কালি ৱাৰ্ডটোৰ বহু সংখ্যক ভুক্তভোগী মহিলাক লৈ দক্ষিণ কামৰূপ মহিলা সন্থাই মিৰ্জাত এখন সংবাদমেল অনুষ্ঠিত কৰে। দক্ষিণ কামৰূপ মহিলা সন্থাৰ সভাপতি ফুলতৰা কলিতাৰ সভাপতিত্বত কালি মিৰ্জাস্থিত পলাশবাৰী সাহিত্য সভা ভৱনত অনুষ্ঠিত এই সংবাদমেলত



গাঁও পঞ্চায়তৰ দুই নম্বৰ ৱাৰ্ডৰ 'খ' শাখাৰ বাসিন্দা ৰিংকু পাঠকৰ পৰা এই ৱাৰ্ডৰ পঞ্চায়ত সদস্যা বিভা দাসে চৰকাৰী আৱাস গৃহৰ নামত পাঁচহেজাৰ টকা উৎকোচ লোৱাৰ পাছতো আজিলৈকে আৱাসগৃহ নোপোৱাৰ কথা মুকলিকৈ কয় পাঠকে। লগতে ৱাৰ্ডটোৰ জয়মতী দাসৰ পৰা তিনিহেজাৰ টকা উৎকোচ লোৱাৰ কথা দোহাৰে। আনহাতে, মইনা দাসৰ পৰা দুহেজাৰ টকা, প্ৰণীতা দাসৰ পৰা সদস্যা গৰাকীৰ স্বামীয়ে পাঁচহেজাৰ টকা উৎকোচ লোৱাৰ কথা নিজ মুখেৰে কালি সংবাদমেলত প্ৰকাশ কৰে। লগতে কে'বাগৰাকী মহিলা ভুক্তভোগীয়ে অঞ্চলটোৰ ৰাইজৰ কাৰণে সদস্যা বিভা দাসে চৰকাৰী আৱাসগৃহ, পাইখানা, বিশেষভাৱে সক্ষম লোকৰ বাবে আঁচনি যুগুত নকৰাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। সভানেত্ৰী ফুলতৰা কলিতাই অঞ্চলটোৰ দুখীয়া লোকৰ বাবে আঁচনি আৱণ্টনৰ নামত কৰি অহা হাৰাশাস্তিৰ উচিত তদন্ত কৰিবলৈ আৰক্ষী প্ৰশাসন আহ্বান জনাই। লগতে ৱাৰ্ডটোত এটা আঠ লাখটকীয়া পথ নিৰ্মাণৰ নামতো দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰে ভুক্তভোগী লোকে। এইক্ষেত্ৰত ছয়গাঁওৰ কথা চহকী বিধায়ক ৰেকিবুদ্দিন আহমেদেও এই ঘটনাক কি হিচাবে গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব। কালিৰ এই সংবাদমেলত সন্থাৰ উপ-সভানেত্ৰী পাৰুল দাস, সম্পাদিকা জীতুমণি ডেকা, সহ সাধাৰণ সম্পাদিকা দীপিকা তালুকদাৰকে ধৰি বহু মহিলা নেত্ৰীয়ে অংশগ্ৰহণ কৰে।

# উত্তৰ গুৱাহাটী পৰম শিৱম মন্দিৰত সাদিনীয়াকৈ মহাযজ্ঞ



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** যাগ যজ্ঞ, ধৰ্মীয় শোভাযাত্ৰাৰে গদ গদ হ'ল তীৰ্থপীঠ উত্তৰ গুৱাহাটী। কলহ যাত্ৰাৰে উত্তৰ গুৱাহাটী পৰম শিৱম মন্দিৰৰ মহা শিৱৰাত্ৰীৰ আৰম্ভণি হয়। শিৱৰাত্ৰী প্ৰাৰম্ভিক অংশ হিচাপে লক্ষ্মী নাৰায়ণ মহাযজ্ঞৰ বাবে ৰুদ্ৰেশ্বৰৰ কেশৱ মহাৰাজীৰ উদ্যোগত প্ৰতিবছৰৰ দৰে এইবেলিও লক্ষ্মী নাৰায়ণ মহাযজ্ঞ আয়োজিত হৈছে। যোৱা ২৩ ফেব্ৰুৱাৰীত সজাই তোলা দুটা হাতী লগত লৈ সহস্ৰাধিক মহিলা কুমাৰীয়ে কলহ যাত্ৰাৰে ৰজাদুৱাৰ পাৰঘাটত উপস্থিত হয়। নৈ পাৰত কাশী বৃন্দাবনৰ পৰা অহা ১২ পুৰোহিতৰ লগতে ৰাজ্যৰ ১০ পুৰোহিতে বৈদিক পূজা-পাতলৰ অন্তত লুইতৰ পৰা পানী তুলি পুনৰ পৰম শিৱম মন্দিৰত উপস্থিত হয়। কলহৰ পানীৰে যজ্ঞৰ বেদী পৱিত্ৰ কৰি যজ্ঞ আৰম্ভ কৰিব। কালি সন্ধিয়া লক্ষ্মী নাৰায়ণ মহাযজ্ঞ আৰম্ভ হয়। নটা কুণ্ডত ৩৬ জন যজমানে একলাখ আহুতি দিব। কুইণ্টলে কুইণ্টলে যজ্ঞৰ উপকৰণ ঘী, তিল, যবধান, মাসানি বেল আদিৰে যজ্ঞৰে দেশবাসীৰ মংগল কামনা কৰিছে। লক্ষ্মী নাৰায়ণ মহাযজ্ঞৰ লগতে ভাওনা মহোৎসৱৰ জৰিয়তে আধ্যাত্মিকতাত বিলিন কৰিব প্ৰতিজন লোকৰ অন্তৰাত্মা। এক মাৰ্চৰ শিৱৰাত্ৰীৰ দিনলৈ এই যজ্ঞ অব্যাহত থাকিব। যজ্ঞ আয়োজক সমিতিৰ হৈ সম্পাদক পংকজ ৰামচিয়াৰী, দিগন্ত বৰা আৰু দিলীপ বৰাই সকলো ধৰ্মপ্ৰাণা লোকক আমন্ত্ৰণ জনাইছে।

# জিলা পৰ্যায়ত ৰাষ্ট্ৰীয় যুৱ সংসদীয় সমাৰোহ

## ■ কোকৰাঝাৰ নেহৰু যুৱ কেন্দ্ৰৰ সাফল্য

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** ৰাষ্ট্ৰীয় যুৱ কল্যাণ মন্ত্ৰণালয়ৰ অধীনৰ বঙাইগাঁও জিলাৰ নেহৰু যুৱ সংগঠনৰ সঞ্চালনাত যোৱা ২২ ফেব্ৰুৱাৰীত নামনি অসমৰ বঙাইগাঁও, চিৰাং, গোৱালপাৰা, ধুবুৰী, দক্ষিণ শালমাৰা, কোকৰাঝাৰ আৰু নলবাৰী আদি জিলাৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত জিলা পৰ্যায়ত ৰাষ্ট্ৰীয় যুৱ সংসদীয় সমাৰোহ অনুষ্ঠিত হয়। অনলাইন পদ্ধতিৰ আৰ্হিত ভাৰ্চুৱেল বৈঠকৰ জৰিয়তে এই প্ৰতিযোগিতা অনুষ্ঠিত হয়। ওপৰত উল্লেখ কৰা সাতখন জিলাৰ প্ৰতিখনৰ পৰা ১০/১২ জনকৈ শতাধিক শিক্ষাৰ্থী উক্ত ভাৰ্চুৱেল যুৱ সংসদীয় প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। জিলা পৰ্যায়ৰ ৰাষ্ট্ৰীয় যুৱ সংসদীয় সমাৰোহত প্ৰথম আৰু দ্বিতীয় স্থানৰ অধিকাৰীসকলক লৈ অহা ২৮ ফেব্ৰুৱাৰীত গুৱাহাটীত ৰাজ্য স্তৰত যুৱ সমাৰোহ অনুষ্ঠিত হ'ব। ৰাজ্যিক স্তৰত প্ৰথম স্থান লাভ কৰা প্ৰতিযোগীক ৰাষ্ট্ৰীয় স্তৰত দিল্লীৰ সমাৰোহত প্ৰেৰণ কৰা হ'ব বুলি কোকৰাঝাৰ জিলা নেহৰু যুৱ কেন্দ্ৰৰ জিলা আধিকাৰীক হিমাংশু কুমাৰে জানিব দিয়ে। উল্লেখ্য যে কোকৰাঝাৰ জিলা নেহৰু যুৱ কেন্দ্ৰৰ পৰা 'বেটী বাচাও বেটী পঢ়াও' শীৰ্ষক শিতানত শ্ৰীৰামপুৰ নিৱাসী জয়ীষা তালুকদাৰ প্ৰথম স্থান আৰু কোকৰাঝাৰ চহৰৰ বাসিন্দা তনুশ্ৰী দাসে দ্বিতীয় স্থান লাভ কৰি জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনে। আইনৰ পঞ্চম বৰ্ষৰ ছাত্ৰী জয়ীষা সাংবাদিক জ্যোতি প্ৰকাশ তালুকদাৰৰ জীয়ৰী।

# নলবাৰী জিলালৈ সুনাম কঢ়িয়াই আনিছে কৃশাংগীয়ে



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ২৪ ফেব্ৰুৱাৰী ঃ** নলবাৰীত অৱস্থিত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ সংস্কৃত বেদাধ্যয়ন বিভাগৰ স্নাতকোত্তৰ উত্তীৰ্ণ ছাত্ৰী কৃশাংগী ভট্টাচাৰ্যই এন্‌টিএ-ইউজিচিৰ দ্বাৰা আয়োজিত ২০২০-২০২১ৰ নেট পৰীক্ষাৰ সদ্য ঘোষিত ফলাফলত নেট জেআৰএফ লাভ কৰি নলবাৰী জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। তেওঁ জিলাখনৰ মালিকুছি নিৱাসী অৱসৰপ্ৰাপ্ত শিক্ষক কৰুণাময় ভট্টাচাৰ্য আৰু ৰত্না দেৱীৰ জ্যেষ্ঠ কন্যা। কৃশাংগীৰ এনে সফলতাক মালিকুছি শ্যামৰাই সত্ৰ পৰিচালনা সমিতি, ব্ৰজলক্ষ্মী এমই স্কুল, জিলা আছু, যুৱ-ছাত্ৰ পৰিষদ, নিউক্লিয়াছ একাডেমী নলবাৰী, লিটিল ফ্লাৱাৰ্ছ স্কুল নলবাৰী, নলবাৰী জিলা প্ৰেছ ক্লাব, সমাজকৰ্মী নগেন ডেকা, অৱসৰী অধ্যাপক ফণীধৰ ডেকা, ড° ৰঞ্জন ভট্টাচাৰ্য, জনপ্ৰিয় কবি প্ৰণৱ কুমাৰ বৰ্মন, বিনয় কুমাৰ মজুমদাৰ, সৌৰভময় ভট্টাচাৰ্য, কমল শৰ্মা, অজিত ৰাজবংশী আদিকে ধৰি বিভিন্ন দল-সংগঠনে আদৰণি জনাইছে।

# গুৱাহাটীৰ পৰা বাংগালুৰুলৈ নতুন বিমান সেৱাৰ সংযোজন

অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৪ ফেব্ৰুৱাৰী ঃ** বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত সম্প্ৰতি যাত্ৰীৰ ভিৰ লক্ষ্যনীয়ভাৱে বৃদ্ধি পাইছে। এসপ্তাহৰ ভিতৰতে বিমান যাত্ৰীৰ সংখ্যা প্ৰায় দুগুনকৈ বৃদ্ধি হৈছে। উল্লেখ্য যে বিমান সংযোজনৰ ক্ষেত্ৰত 'ভিস্তাৰা এয়াৰলাইনে' এখন নতুন বিমান সেৱা স্থাপন কৰিবলৈ সক্ষম হৈছে। ফ'ৰষ্টাৰ বিমানসেৱা হিচাপে দাবী কৰা 'ভিস্তাৰা এয়াৰলাইনে গুৱাহাটীৰ পৰা বাংগালুৰুলৈ সপ্তাহৰ পাঁচদিনাই এই সেৱাৰ আৰম্ভ কৰিছে। উল্লেখ্য যে এই সেৱা ক'ভিডোত্তৰ কালতেই আৰম্ভ হৈছিল যদিও বিশ্বজুলি ত্ৰাসৰ সৃষ্টি কৰা কৰ'না অতিমাৰীৰ বাবে এয়াৰলাইনে এই সেৱা বাতিল কৰিবলৈ বাধ্য হৈছিল। অৱশেষত যোৱা ১৫ ফেব্ৰুৱাৰীত নতুন উদ্যমৰে এই সেৱা পুনৰবাৰ আৰম্ভ কৰা হৈছে। গুৱাহাটীৰ পৰা আৰম্ভ কৰা এই বিমান সেৱাই বাংগালুৰুলৈ যাত্ৰা কৰিব খোজা যাত্ৰীসকললৈ নতুন সুবিধা আনি দিব। কেইজনমান বিমানযাত্ৰীয়ে এই নতুন বিমান সেৱাক অতি প্ৰশংসনীয় বুলি মন্তব্য প্ৰকাশ কৰিছে। 'ভিস্তাৰা' বিমানখনৰ বৈশিষ্ট্য হৈছে, ই গঠনত ঠেকগণ্ডীযুক্ত আৰু আটাইকেইটা চিটেই 'ইক'নমিক ক্লাছ' পৰ্যায়ৰ। ইয়াত ১৮০ খন আসন আছে। এই বিমানখন দেওবাৰ, সোমবাৰ, বৃহস্পতিবাৰ, শুক্ৰবাৰ আৰু শনিবাৰে গুৱাহাটীৰ পৰা বাংগালুৰুলৈ আৰু বাংগালুৰুৰ পৰা গুৱাহাটীলৈ চলে। 'ইউ কে-৭৬৬' নামৰ বিমানখন গুৱাহাটী বিমানকোঠাৰ পৰা সন্ধিয়া চাৰি বাজি পাঁচ মিনিটত উৰণ কৰি বাংগালুৰুত গৈ সাত বাজি ১০ মিনিটত অৱতৰণ কৰে। ঠিক একেদৰে বিমান 'ইউ কে-৭৫৫'খনে বাংগালুৰুৰ পৰা দুপৰীয়া ১২ বাজি ২০ মিনিটত উৰণ আৰম্ভ কৰি গুৱাহাটী বিয়লি তিনি বাজি ৩০ মিনিটত অৱতৰণ কৰে।



বৃত্তিৰূপে ক্ৰীড়া শীৰ্ষক ছয়গাঁৱত অনুষ্ঠিত আলোচনা চক্ৰ।

# মৰাণত বিয়াৰ প্ৰলোভন দি যুৱতীক অন্তঃসত্ত্বা কৰি ৰঙাঘৰৰ আলহী হ'ল কলেজীয়া ছাত্ৰ

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২৪ ফেব্ৰুৱাৰী ঃ** মৰাণৰ এজন কলেজীয়া ছাত্ৰই বিয়াৰ প্ৰলোভন দি এগৰাকী যুৱতীক অন্তঃসত্ত্বা কৰি এতিয়া ৰঙাঘৰৰ আলহী হ'ব লগা হৈছে। চৰাইদেউ জিলাৰ মৰাণহাট আৰক্ষী থানাৰ অন্তৰ্গত কচুমাৰী সমবায় গাঁৱৰ লক্ষী বৰুৱাৰ পুত্ৰ তথা মৰাণ মহাবিদ্যালয়ৰ কলা শাখাৰ তৃতীয় ছেমিষ্টাৰৰ ছাত্ৰ সমুজ্জ্বল বৰুৱা (২০)ই একে গাঁৱৰে এগৰাকী ২৫ বছৰীয়া যুৱতীক বিয়াৰ প্ৰলোভন দি অন্তঃসত্ত্বা কৰে। বৰ্তমান যুৱতীগৰাকী সাতমহীয়া গৰ্ভৱতী অৱস্থাত থকাত পৰিয়ালবৰ্গ চিন্তিত হৈ পৰিছে। শেষত যুৱতীগৰাকীৰ পৰিয়ালে মৰাণহাট আৰক্ষী থানাত এজাহাৰ দিয়াত আৰক্ষীয়ে যোৱা ২৩ ফেব্ৰুৱাৰীত ১৭/২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি ছাত্ৰজনক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে।

# কলাইগাঁৱৰ ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয় চুৰি

অগ্ৰদূত বাৰ্তা

**কলাইগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি জিলাৰ কলাইগাঁও থানাৰ অন্তৰ্গত ভোলাবাৰীত অৱস্থিত ভোলাবাৰী চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয় যোৱা নিশা এক চুৰি কাণ্ড সংঘটিত হয়। ঘটনা অনুসৰি, যোৱা নিশা কলাইগাঁও থানাৰ পৰা তিনি কিলোমিটাৰ দূৰত অৱস্থিত প্ৰাথমিক বিদ্যালয়ত হোৱা চুৰি কাণ্ডই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। নিশা চোৰে বিদ্যালয়খনৰ কাৰ্যালয়ৰ তলা ভাঙি খোৱাপানীৰ বাবে পানী উঠোৱা মটৰ দুটা চুৰি কৰি লৈ যায়। আনহাতে, আজি বিদ্যালয় শিক্ষক নৰেন মালাকাৰে মটৰ দুটা চুৰি হোৱা প্ৰত্যক্ষ কৰে । আনহাতে, চুৰি কাণ্ডৰ বিষয়ে বিদ্যালয় প্ৰধান শিক্ষয়িত্ৰী গিতিকা দাস ভুঞা আৰু পৰিচালনা সমিতিৰ সভাপতিজনে আজি দিনৰ ভাগত কলাইগাঁও থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিল কৰাৰ পাছতে কলাইগাঁও আৰক্ষী লোক বিদ্যালয় উপস্থিত হয়। কলাইগাঁও আৰক্ষীয়ে ইতিমধ্যে চুৰি কাণ্ডৰ তদন্ত আৰম্ভ কৰিছে যদিও এতিয়ালৈ কোনো এজনকো আটক কৰিবলৈ সক্ষম হোৱা নাই। উল্লেখ্য যে কলাইগাঁও অঞ্চলত সঘনাই হৈ থকা চুৰি কাণ্ড ৰোধ কৰিবৰ বাবে কলাইগাঁও আৰক্ষী সফল হ'ব পৰা নাই বুলি বহু সংখ্যক সচেতন নাগৰিকে মত পোষণ কৰে।

# শিক্ষক-সাহিত্যিক অমূল্য সন্দিকৈৰ স্মৃতিত কাব্যানুষ্ঠান

অগ্ৰদূত বাৰ্তা

**বৰহোলা, ২৪ ফেব্ৰুৱাৰী ঃ** বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, সাহিত্যিক প্ৰয়াত অমূল্য সন্দিকৈৰ স্মৃতিত যোৱা ২৩ ফেব্ৰুৱাৰীত বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয় 'ধূলিয়ৰি ফাগুনৰ বাট' নামৰ এটা কাব্যানুষ্ঠান অনুষ্ঠিত হয়। বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উদ্যোগত আৰু বৰহোলা কবি সন্মিলনৰ সহযোগত অনুষ্ঠিত সভাখন যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক মাণিক শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হয়। বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষয়িত্ৰী ভাৰতী গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক অৰুণ চুতীয়াই অমূল্য সন্দিকৈৰ স্মৃতি ৰোমন্থন কৰে। সভাত সেউজী কানন শাখা সাহিত্য সভাৰ সভানেত্ৰী অমিয়া মাধুৰী হাতীবৰুৱা আৰু বৰহোলা কবি সন্মিলনৰ সভাপতি দিপাংকৰ বৰাই বক্তব্য প্ৰদান কৰে। সভাত তৃষ্ণা ঠাকুৰ আৰু ময়ুৰীমা দত্তই গীত পৰিবেশন কৰে। স্বৰচিত কবিতা পাঠ অনুষ্ঠানত কবিতা পাঠ কৰে মহেন্দ্ৰ নাথ হাজৰিকা, ৰবীন মহন্ত, কনচেং বৰুৱা, প্ৰশান্ত কুমাৰ মহন্ত, দিপুল পাঠক, ৰাণু শইকীয়া, নৰজ্যোতি নেওগ, ৰূপা নেওগ, পাপৰি গগৈ, জামিনী মোহন বৰুৱা, মহেশ্বৰ নেওগে কবিচা পাঠ কৰে।

# কাইলৈৰ পৰা বৰপেটাৰোডত শ্ৰীমদ্ভাগৱতম কথা আৰু সংকীৰ্তন

অগ্ৰদূত বাৰ্তা

**জালাহ, ২৪ ফেব্ৰুৱাৰী ঃ** বিশ্ব শান্তি আৰু হিন্দু ধৰ্মৰ স্বকীয় বাণী প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে গৌৰাংগ ধৰ্মৰ লোকসকলে প্ৰতিবছৰে পালন কৰি অহা শ্ৰীমদ্ভাগৱতম কথা আৰু সংকীৰ্তন এইবেলি ২৬ ফেব্ৰুৱাৰীৰ পৰা দুই মাৰ্চলৈকে পালন কৰিবলৈ লোৱা হৈছে। বৰপেটাৰোডৰ এক নম্বৰ ৱাৰ্ডৰ নেতাজী হাইস্কুলত প্ৰতিদিনে সন্ধিয়া ছয় বজাৰ পৰা নিশা ন বজালৈকে অনুষ্ঠিত হ'ব। উক্ত ভাগৱত পাঠ আৰু সংকীৰ্তনত অংশগ্ৰহণ কৰিব শ্ৰীধাম বৃন্দাবন (গোৱৰ্ধন) অধ্যক্ষ আচাৰ্য শ্ৰীতীৰ্থ আশ্ৰম পৰম পূজ্যপদ ত্ৰিদণ্ডী স্বামী প্ৰযুণ মধুসূদন মহাৰাজে। তদুপৰি উক্ত ভাগৱত পাঠ আৰু সংকীৰ্তন তিনি আৰু চাৰি মাৰ্চত গোৱালপাৰা, পাঁচ আৰু ছয় মাৰ্চত গৌৰীপুৰত, ছয়, সাত আৰু আঠ মাৰ্চত জালাহত আৰু ন আৰু ১০ মাৰ্চত বৰনগৰত অনুষ্ঠিত হ'ব। সকলো অনুষ্ঠানতে ৰাইজক উপস্থিত থাকিবলৈ নবীন কৃষ্ণ প্ৰভুৱে আহ্বান জনাইছে।

# বিজেপিয়ে দখল কৰিব গৌৰীপুৰ পৌৰসভা ঃ দাবী দলীয় নেতৃত্বৰ

অগ্ৰদূত বাৰ্তা

**গৌৰীপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** অহা ছয় মাৰ্চত অনুষ্ঠিত হ'ব লগা নিৰ্বাচনত বিজেপিয়ে দখল কৰিব গৌৰীপুৰ পৌৰসভা। এই দাবী ধুবুৰী জিলা বিজেপি নেতৃত্বৰ। উল্লেখ্য যে গৌৰীপুৰ পৌৰসভাৰ মুঠ ১৩খন আসনৰ ভিতৰত ১৩খনেই বিজেপিয়ে লাভ কৰাৰ দাবী কৰে বিজেপিয়ে। গৌৰীপুৰত কংগ্ৰেছ আৰু অগপৰ সাংগঠনিক ভেটি নাই বুলি মন্তব্য কৰে বিজেপি নেতা তথা প্ৰাক্তন বিধায়ক বনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে। তেওঁ লগতে কয় যে কংগ্ৰেছ আৰু অগপই শূন্য আসন লাভ কৰিব। তদুপৰি কংগ্ৰেছৰ বিধায়কসকল বিজেপিৰ বাবে 'ফিক্সড ডিপ'জিট' বুলি মন্তব্য কৰে মুছাহাৰীয়ে। আনহাতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ জনকল্যাণমূলক কামত আকৃষ্ট হৈ সংখ্যালঘু ভোটাৰে বিজেপিক এইবেলি অভূতপূৰ্ব সমৰ্থন আগবঢ়াইছে বুলি দাবী কৰে মুছাহাৰীয়ে। পৌৰসভাখনৰ ১২ আৰু ১৩ নম্বৰ ৱাৰ্ডত ক্ৰমে মাহমুদা খাতুন আৰু আব্দুছ ছালামে বিজেপিৰ টিকটৰে জয় লাভ কৰাটো নিশ্চিত বুলি দাবী কৰে নেতাজনে। যোৱা ২৩ ফেব্ৰুৱাৰীত গৌৰীপুৰ বিজেপি কাৰ্যালয়ত প্ৰাৰ্থীসকলক লৈ দলে আয়োজন কৰা এখন বিশেষ সভা শেষত এইদৰে মন্তব্য কৰে বিজেপি নেতা মুছাহাৰীয়ে।

# স্বাস্থ্য বিষয়া মিনাক্ষী বুঢ়াগোহাঁই বৰাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** গোলঘাট জিলাৰ মিছামৰাৰ খনিকৰ গাঁও নিৱাসী তথা গুৰযোগনীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক অমৃত বৰাৰ সহধৰ্মিণী শোণিতপুৰ জিলাৰ স্কুল অৱ নাৰ্ছিঙৰ অধ্যক্ষ নাৰ্ছিং অফিচাৰ মিনাক্ষী বুঢ়াগোহাঁই বৰা (৫১)ৰ যোৱা ২১ ফেব্ৰুৱাৰীত গুৱাহাটীৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত মৃত্যু ঘটে। উল্লেখ্য যে অমায়িক স্বভাৱৰ স্বাস্থ্য বিভাগৰ বিষয়াগৰাকী ক'ভিড আক্ৰান্ত হৈ গুৱাহাটীতে প্ৰায় ডেৰমাহ চিকিৎসাধীন হৈ থকাৰ পাছত সুস্থ হৈ উঠাত যোৱা ১৭ ফেব্ৰুৱাৰীত চিকিৎসালয়ৰ পৰা উত্তৰ গুৱাহাটীৰ নিজৰ দেওৰেকৰ ঘৰলৈ নি থকা অৱস্থাত অকস্মাতে হৃদৰোগত আক্ৰান্ত হয়। তেওঁক এখন ব্যক্তিগত চিকিৎসালয় ভৰ্তি কৰা হয় যদিও তাতে মৃত্যু ঘটে। সৰবৰহী স্বাস্থ্য বিষয়াগৰাকীৰ মৃত্যুৰ বাতৰি পোৱাৰ পাছত শোণিতপুৰ জিলাৰ স্বাস্থ্য বিভাগৰ বিষয়া কৰ্মচাৰীসকলৰ এক প্ৰতিনিধি দলৰ লগতে উত্তৰ গুৱাহাটীৰ স্থানীয় ৰাইজে প্ৰয়াত স্বাস্থ্য বিষয়াগৰাকীৰ নশ্বৰদেহত পুষ্পাঞ্জলি অৰ্পণেৰে শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত তেওঁ স্বামীসহ দুজন পুত্ৰ আৰু বহু আত্মীয়ক এৰি গৈছে। স্বাস্থ্য বিষয়াগৰাকীৰ অকাল মৃত্যুত মিছামৰাৰ খনিকৰ গাঁৱতো গভীৰ শোকৰ ছাঁ পৰে। তেওঁৰ শেষকৃত্য উত্তৰ গুৱাহাটীতে সম্পন্ন কৰা হয়।

# বিলাসীপাৰা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় আলোচনাচক্ৰ সম্পন্ন

বিশেষ সংবাদদাতা

**বিলাসীপাৰা, ২৪ ফেব্ৰুৱাৰী ঃ** বিলাসীপাৰা মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ উদ্যোগত তিনিদিনীয়াকৈ মহাবিদ্যালয়ৰ ড° ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত '২১ শতিকাৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰসংগত প্ৰায়োগিক নীতি বিদ্যাগত সমস্যা আৰু সমাধান' শীৰ্ষক এখন ৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত হয়। যোৱা ২১ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হোৱা আলোচনাচক্ৰ উদ্বোধন কৰে ভাৰতীয় দৰ্শন গৱেষণা প্ৰতিষ্ঠানৰ সদস্য সচিব ড° সচ্চিদানন্দ মিশ্ৰই। বিলাসীপাৰা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা অনুশীলা চক্ৰৱৰ্তীয়ে সভাপতিত্ব কৰা আলোচনাচক্ৰৰ উদ্বোধনী অনুষ্ঠানত আদৰণি ভাষণ আগবঢ়াই মহাবিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি গৌতম চৌধুৰীয়ে। মহাবিদ্যালয়ৰ



দৰ্শন বিভাগৰ সহ-অধ্যাপিকা সন্দীপা বিশ্বাসে আঁত ধৰা আলোচনাচক্ৰখনত বিভিন্ন প্ৰান্তৰ ২০ গৰাকী গৱেষকে গৱেষণা পত্ৰ পাঠ কৰে। যোৱা ২৩ ফেব্ৰুৱাৰীত অন্তিম দিনা বিলাসীপাৰা শংকদেৱ শিশু বিদ্যা নিকেতনৰ উচ্চতৰ মাধ্যমিক শাখাৰ অধ্যক্ষ বিশ্বজিৎ গোস্বামী, বিলাসীপাৰা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহ-অধ্যাপক শুভেন্দু সাহা আৰু ৰসায়ন বিজ্ঞান বিভাগৰ সহ-অধ্যাপক আমানুৰ ইছলামে পৰিৱেশ নীতি বিদ্যাৰ ওপৰত গৱেষণা পত্ৰ পাঠ কৰে। আনহাতে, গ্ৰন্থাগাৰিক-গৱেষক ড° হৰিচৰণ দাসে নৃকুল গ্ৰন্থাগাৰ সমলৰাজিৰ সংৰক্ষণত নীতি বিদ্যাৰ প্ৰয়োগৰ ওপৰত গৱেষণা পত্ৰ পাঠ কৰে। আলোচনাচক্ৰখনত বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° চিৰাজুল ইছলাম, উত্তৰ বংগ বিদ্যালয়ৰ অধ্যাপক ড° লক্ষীকান্ত পাধী, অসম বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° সুভ্ৰা নাগ, বাৰাসত চৰকাৰী মহাবিদ্যালয়ৰ অধ্যাপিকা ড° মধুছন্দা ভট্টাচাৰ্য চেটাৰ্জী, গোৱালপাৰা কলেজৰ অধ্যাপক ড° হেমন্ত কলিতা, দিছপুৰ কলেজৰ অধ্যাপক ড° শশীমোহন দাস, উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° সাজী ভাৰ্গিৰ, ৰত্নপীঠ কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হেদায়েৎ উল্লাহ সমল ব্যক্তিৰূপে উপস্থিত থাকে।

# শালবাৰীত ইউপিপিএলৰ শালবাৰী জিলা সমিতি গঠন

## ■ বিধায়ক লৰেন্স ইছলাৰী-কাৰ্যবাহী সদস্য উকিল মুছাহাৰীৰ অংশগ্ৰহণ



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৪ ফেব্ৰুৱাৰী ঃ** বাগ্‌সা জিলাৰ শালবাৰীত যোৱা ২৩ ফেব্ৰুৱাৰীত ইউপিপিএলৰ শালবাৰী জিলা সমিতিখন গঠন কৰা হয়। বিধায়ক লৰেন্স ইছলাৰী আৰু বিটিচিৰ কাৰ্যবাহী সদস্য উকিল মুছাহাৰীৰ উপস্থিতিত সমিতিখন গঠন কৰা হয়। শালবাৰী জিলা ইউপিপিএলৰ প্ৰাক্তন সভাপতি বিকন গয়াৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত দলৰ শালবাৰী জিলা সমিতিৰ নতুন সভাপতি হিচাপে বিকন গয়াৰী, সম্পাদক হিচাপে সুৰেশ সৰকাৰ আৰু সাংগঠনিক সম্পাদক হিচাপে থানেশ্বৰ বসুমতাৰীক দায়িত্বভাৰ দি এখন তিনিজনীয়া সমিতি গঠন কৰা হয়। সভাৰ অন্তত বিধায়ক ইছলাৰীয়ে সাংবাদিকৰে হোৱা এক সাক্ষাৎকাৰত কয় যে ইউপিপিএলৰ কেন্দ্ৰীয় সমিতিৰ তত্ত্বাৱধানত সভাপতি সম্পাদক আৰু সাংগঠনিক সম্পাদকক লৈ তিনিজনীয়া শালবাৰী জিলা সমিতিখন পুনৰ গঠন কৰা হয় আৰু পুনৰ এটা দিন ধাৰ্য কৰি পূৰ্ণাংগ সমিতিখন গঠন হ'ব। লগতে হাগ্ৰামাই সততে ইউপিপিএলৰ সমালোচনা কৰে বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ পুনৰ কয় যে হাগ্ৰামাই বিৰোধী দলৰ সভাপতি হিচাপে সমালোচনা কৰি থাকিলেও কোন দলে কি কাম কৰিছে ৰাইজেহে ইয়াৰ বিচাৰ কৰিব। আনহাতে, ৰাজ্য সভাৰ নিৰ্বাচনত ইউপিপিএলে এখন আসন লাভ কৰিব বুলি কয়। ইফালে বিটিচিৰ কাৰ্যবাহী সদস্য উকিল মুছাহাৰীয়ে কয় যে ইউপিপিএলৰ শালবাৰী জিলা নতুন সমিতিখনে আহি থকা দিনবোৰত শক্তিশালী হ'ব আৰু ৰাইজৰ বাবে কাম কৰিব। লগতে তেওঁলোকৰ এবছৰীয়া শাসন কালত ৰাইজৰ হৈ কাম কৰিছে বুলি মন্তব্য প্ৰদান কৰে। সভাত ইউপিপিএলৰ কে'বাগৰাকী নেতা-কৰ্মীয়ে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়।

# যোৰহাটৰ চ'ৰাচোৱাত কেন্সাৰ ৰোগৰ সজাগতা সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৪ ফেব্ৰুৱাৰী ঃ** যোৰহাটৰ চ'ৰাচোৱাত যোৱা ২৩ ফেব্ৰুৱাৰীত কেন্সাৰ ৰোগৰ এখন সজাগতা সভা অনুষ্ঠিত হয়। চ'ৰাচোৱা মহীয়সী মহিলা সমিতিৰ আমন্ত্ৰণত অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনৰ যোৰহাট গোটে চ'ৰাচোৱা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত সজাগতা সভাত স্থানীয় ভালে সংখ্যক লোক উপস্থিত থাকে। অসম কেন্সাৰ কেয়াৰ ফাউণ্ডেছনৰ ডাঃ নীলোফা ৰহমানে কেন্সাৰ ৰোগ হোৱাৰ কাৰণ, চিনাক্ত কৰাৰ উপায়, মানসী গোস্বামীয়ে চৰকাৰে আগবঢ়োৱা সা-সুবিধাৰ সম্পৰ্কত বক্তব্য আগবঢ়ায়। অসম কেন্সাৰ কেয়াৰ ফাইণ্ডেছনৰ পূজা কাকতি, ধনঞ্জয় বৰা, স্থানীয় সৰ্বেশ্বৰ বৰা, হৰেশ্বৰ বৰা উপস্থিত থকা সজাগতা সভা বন্তি প্ৰজ্বলনেৰে মুকলি কৰে কমল বৰাই। মহীয়সী মহিলা সমিতিৰ সম্পাদিকা মিনু কুমাৰী বৰাই আঁত ধৰা সজাগতা সভাত পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়াই কেন্সাৰ ৰোগ হ'লে ৰোগীৰ কষ্ট, পৰিয়ালৰ লোকৰ দুখ-দুৰ্গতি, অৰ্থনৈতিক ক্ষতিৰ লগতে বাস্তৱ অভিজ্ঞতা ব্যক্ত কৰে। কেন্সাৰ ৰোগ হ'লে সহায়-পৰামৰ্শৰ বাবে ঋষভ শইকীয়াৰ ফোন ৮৬৩৮৭-০৮৬৫৬ৰ স'তে যোগাযোগ কৰিবলৈ সকলোৰে প্ৰতি মানসী গোস্বামীয়ে অনুৰোধ জনাইছে।

# মহিলাসকলে স্বাৱলম্বিতাৰ দিশত সকলো কাম কৰিব পাৰে ঃ ওজা



**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ২৪ ফেব্ৰুৱাৰী ঃ** ৬০ নম্বৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰভাগ উন্নয়ন খণ্ডৰ অধীনস্থ পঞ্চায়তসমূহৰ ১৫৯৬ গৰাকী মিহলাক মাইক্ৰ'ফাইনেন্স উদগনি আৰু ৰেহাই আঁচনিৰ কালি চেক প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হয়। নলবাৰী জিলা প্ৰশাসন আৰু বৰভাগ উন্নয়ন খণ্ডৰ সহযোগত স্থানীয় কালাগ দৌলখোলা প্ৰাংগণত আয়োজিত অসম চৰকাৰৰ বিত্ত বিভাগৰ জৰিয়তে বিভিন্ন মাইক্ৰ'ফাইনেন্সৰ পৰা ঋণ লোৱা দুখীয়া হিতাধিকাৰীসকলক এই চেক প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি সাংসদ কুইন ওজাই কয়, 'পূৰ্বৰ মধ্যভোগীৰ দিন এতিয়া আৰু নাই। বিজেপিৰ দিনত মধ্যভোগীৰ স্থান নাই। তেওঁ পুনৰ কয়, 'মহিলাসকলৰ সন্তান জন্ম দিব পৰা ক্ষমতা যিহেতু আছে তেওঁলোকে স্বাৱলম্বনৰ দিশত সকলো কাম কৰিব পাৰে।' বৰভাগ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া অপূৰ্ব কুমাৰ চক্ৰৱৰ্তীয়ে আদৰণি ভাষণ প্ৰদান কৰা আৰু নাট্যশিল্পী মুকুট বৈশ্যই আঁত ধৰা অনুষ্ঠানত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান নলবাৰীৰ প্ৰকল্প প্ৰৱন্ধক চন্দন তালুকদাৰে ভাষণ দি কয়, 'অসম চৰকাৰে পূৰ্বে দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰিছে। চৰকাৰে দিয়া সুবিধাসমূহ সকলো মহিলাই গ্ৰহণ কৰিব লাগে।'অনুষ্ঠানত নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকাই কয়, 'আত্মনিৰ্ভৰশীল নহ'লে কেতিয়াও আত্মমৰ্যাদা পোৱা নাযায়।' উক্ত চেক প্ৰদান অনুষ্ঠানত বন্ধন বেংক, আৰোহণ, উজ্জীৱন, এলএনটি, এইছডিএফচি, সমাষ্টা, স্মল ফাইনেন্স, এনইএছএফ বেংক আদি বিভিন্ন প্ৰতিষ্ঠানৰ পৰা ঋণ লোৱা মহিলাসকলক চেক প্ৰদান কৰে। অনুষ্ঠানত বৰভাগ জিলা পৰিষদৰ সদস্যা পদুমী দাস, আঞ্চলিক পঞ্চায়তৰ সভাপতি মহেন্দ্ৰ নাথ শৰ্মা, বিজেপি নেতা লক্ষী কলিতা, বিভিন্ন গাঁও পঞ্চায়তৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

### ■ বৰভাগত মাইক্ৰ'ফাইনেন্স উদগনি-ৰেহাই আঁচনিৰ চেক বিতৰণ



*ডিগবৈ পৌৰসভাৰ নিৰ্বাচনী প্ৰচাৰ কংগ্ৰেছৰ।*

# হোজাইত তিনি মটৰ চাইকেল চোৰ গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৪ ফেব্ৰুৱাৰী ঃ** বিগত কেইদিনমানৰ পৰা হোজাইত মটৰ চাইকেল চোৰে সন্ত্ৰাস চলাই থকা সময়তে কালি আৰক্ষীৰ জালত পৰে এখন চুৰি মটৰ চাইকেলসহ তিনি চোৰ গ্ৰেপ্তাৰ হয়। উল্লেখ্য যে উদ্ধাৰ হোৱা মটৰ চাইকেলখনৰ প্ৰকৃত নম্বৰ এএছ-০১ই-৪০৩২ৰ ঠাইত এএছ-২১ ই-৪০৩২ নম্বৰ লিখি বিক্ৰী কৰিছিল। ইতিমধ্যে চুৰি মটৰ চাইকেল ক্ৰয় কৰা বাবে সঞ্জীৱ মন্ত্ৰা নামৰ যুৱকজনক হোজাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। চুৰি কাৰ্যত জড়িত আন দুই চোৰ ক্ৰমে লামডিং চাৰকেবস্তিৰ আলী হুছেইন আৰু লামডিং নখুঁটিৰ বাহাৰ উদ্দিনক গ্ৰেপ্তাৰ কৰে।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ২৪ ফেব্ৰুৱাৰী ঃ** দিচাংমুখৰ সমীপৰ লেপাই গাঁৱৰ নিবাসী তথা গড়কাপ্তানী বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰাজেন হাজৰিকা (৬১)ৰ যোৱা ২০ ফেব্ৰুৱাৰীৰ পুৱতি নিশা বহুমূত্ৰ ৰোগত আক্ৰান্ত হৈ শিৱসাগৰৰ এখন ব্যক্তিগত নাৰ্ছিং হোমত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ আৰু এগৰাকী কন্যা এৰি গৈছে। তেওঁৰ মৃত্যুত লেপাই গাঁৱত এক শোকৰ ছাঁ পৰে।

# মীৰা দাসৰ অকাল বিয়োগ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২৪ ফেব্ৰুৱাৰী ঃ** যোৱা ১৯ ফেব্ৰুৱাৰীত বৰপেটাৰ মাজৰহাটী নিবাসী সৰবৰহী মহিলা মীৰা দাসৰ আচম্বিতে মৃত্যু হোৱাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰে। অত্যন্ত পৰিপাটি, সবাকে পলকতে আপোন কৰি ল'ব পৰা গুণৰ অধিকাৰিণী দাস আছিল অঞ্চলটোৰ সকলোৰে আদৰৰ আৰু খুৰী বুলিয়েই চিনাকি। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় ৬৫ বছৰ। বৰপেটা পৌৰসভাৰ প্ৰাক্তন সভাপতি, প্ৰখ্যাত অধিবক্তা প্ৰয়াত ভূমিধৰ দাসৰ একমাত্ৰ বোৱাৰী আছিল তেওঁ। মৃত্যুৰ সময়ত অধিবক্তা স্বামী বংশীধৰ দাস, একমাত্ৰ পুত্ৰ টাটা কমিউনিকেছন আৰু ট্ৰেঞ্চফাৰ উচ্চ বিষয়া যচমিন দাস, কন্যা পিংকি দাস আৰু নাতি-নাতিনী ক্ৰমে নিধান- গুণগুণ- আৰভৰ লগতে বহু গুণমুগ্ধক এৰি গৈছে।

# সাঁচতীয়া ধনেৰে নিৰ্মাণ কৰিলে চাবুকধৰা-কলিয়ৰী সংযোগী পথৰ খাগৰিজানৰ দলং

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৪ ফেব্ৰুৱাৰী ঃ** ৰাইজৰ যাতায়াতৰ সুবিধাৰ বাবে এজন যুৱকে নিজৰ পকেটৰ ধন খৰচ কৰি নিৰ্মাণ কৰিলে এখন লোহাৰ দলং। শিৱসাগৰ জিলাৰ আমগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত হতীঘুলি অঞ্চলৰ চাবুকধৰা কলিয়ৰী সংযোগী পথৰ খাগৰিজানৰ বুকুত থকা উক্ত দলংখন নিৰ্মাণ কৰে স্থানীয় জকাইসত্ৰৰ ধনদেৱ মহন্ত নামৰ যুৱকৰ নেতৃত্বত হাতীঘুলি গাঁও পঞ্চায়তৰ অন্তৰ্গত পথটোৰ খাগৰিজানৰ ওপৰত থকা এই ভগা বাঁহৰ দলঙেৰে বিপদসংকুলভাৱে বহুকেইখন



গাঁৱৰ ৰাইজে যাতায়াত অব্যাহত ৰাখিছিল। উল্লেখ্য যে যাতায়াতৰ ক্ষেত্ৰত চৰকাৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিলে যদিও খাগৰিজানৰ ওপৰত থকা এই দলংখনক কোনো উন্নয়নমূলক আঁচনিয়ে ঢুকি পাবলৈ সক্ষম নহ'ল। আনহাতে গাঁওসমূহৰ সামগ্ৰিক উন্নয়নেই গাঁও পঞ্চায়তসমূহৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'লেও বানাক্ৰান্ত অঞ্চলটোৰ উক্ত দলংখন নিৰ্মাণৰ বাবে স্থানীয় পঞ্চায়তখনক ৰাইজে বহুবাৰ দাবী জনাই আহিছিল যদিও পঞ্চায়তখনে ৰাইজৰ দাবীৰ প্ৰতি কোনো সঁহাৰি জনোৱা নাছিল। স্থানীয় জকাইসত্ৰৰ উক্ত যুৱকজনে নিজৰ সাঁচতীয়া লক্ষাধিক টকা ব্যয় কৰি দলংখন নিৰ্মাণৰ বাবে প্ৰয়োজনীয় লোহাকে ধৰি বিভিন্ন সামগ্ৰী ক্ৰয় কৰি আনে। স্থানীয় ৰাইজে যুৱকজনৰ প্ৰচেষ্টাত পূৰ্ণ সহযোগ আগবঢ়োৱাৰ লগতে শ্ৰমদান কৰি দলংখন সম্পূৰ্ণভাৱে নিৰ্মাণ কৰি যাতায়াত সুচল কৰে।

# কোৱামৰাত মহিলাৰ দ্বাৰা ভাওনা প্ৰদৰ্শনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ২৪ ফেব্ৰুৱাৰী ঃ** শংকৰদেৱৰ শিল্পী সমাজ শিৱসাগৰৰ উদ্যোগত কোৱামৰা সন্দিকৈ গাঁৱৰ ৰাইজৰ সহযোগত অহা ২৭ ফেব্ৰুৱাৰীত কোৱামৰা সন্দিকৈ গাঁৱৰ ৰংগমঞ্চত মহিলাৰ দ্বাৰা 'দক্ষ যজ্ঞ' নামৰ ভাওনা প্ৰদৰ্শনৰ আয়োজন কৰা হৈছে। তদুপলক্ষে উক্ত দিনা পুৱা বন্তি প্ৰজ্বলন, ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, বৃক্ষৰোপণৰ পাছতে নাম প্ৰসংগ অনুষ্ঠিত হ'ব। সন্ধিয়া ৫-৩০ত সমাজকৰ্মী দিলীপ চাংমাইক সমাজ ৰত্ন বঁটা প্ৰদান কৰিব শংকৰদেৱ শিল্পী সমাজে। ছয় বজাত ভাওনা উদ্বোধন কৰিব ঘন গগৈয়ে। উদ্যোক্তাসকলে ৰাইজৰ উপস্থিতি একান্ত কামনা কৰিছে।

# বি বি কিষাণ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° অচ্যুত চন্দ্ৰ দাসক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ২৪ ফেব্ৰুৱাৰী ঃ** 'শিক্ষকসকলৰ কোনো অৱসৰ ন'ই। কেৱল চৰকাৰী নীতি-নিয়মৰ বাবে আনুষ্ঠানিকভাৱে অৱসৰ দিয়া বুলি কোৱা হয়। তেওঁলোকৰ অৱসৰৰ পাছত দ্বিতীয় ইংনিছ আৰম্ভ হয় সমাজ উত্তোৰণৰ কামত।' যোৱা ২৩ ফেব্ৰুৱাৰীত বি কিষাণ মহাবিদ্যালয়ৰ তিনিজন অধ্যাপকক ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ বাবে সম্বৰ্ধনা জনোৱা আৰু ইতিহাস বিভাগৰ সহযোগী অধ্যাপক ড° অচ্যুত চন্দ্ৰ দাসক বিদায় জনোৱা সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ কেশৱ বসুমতাৰীয়ে এইদৰে কয়। তেওঁ লগতে কয় যে শিক্ষকসকল অধ্যয়ন পিপাসু হ'ব লাগে আৰু নিজৰ অধ্যৱসায়ৰ দ্বাৰা সমাজৰ উন্নয়নত সহায়ক হ'ব লাগে। তেওঁ শিক্ষকসকলক গ্ৰন্থ ৰচনা আৰু প্ৰকাশৰ বাবেও আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি মীৰা বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্য ব্যাখ্যা কৰে সম্পাদক বিৰফুং বসুমতাৰীয়ে। সভাত ড° দেৱান নজৰুল কাদেৰ, ড° দিলীপ শৰ্মা, ড° উৎপল কলিতা, ড° যমুনা বসুমতাৰী, ড° ৰুণুমী ভাগৱতী, সুস্মিতা ভূঞা, জ্যেষ্ঠ কাৰ্যালয় সহায়ক প্ৰদীপ দাস আৰু কনিষ্ঠ কাৰ্যালয় সহায়ক গীতিকা দাসেও বক্তব্য ৰাখে। সভাত ডক্টৰেট ডিগ্ৰী লাভ কৰা তিনিজন অধ্যাপক ক্ৰমে ড° অচ্যুত চন্দ্ৰ দাস, ড° মতিচন দৈমাৰী আৰু ড° হেদায়েৎ উল্লাহক সম্বৰ্ধনা জনোৱা হয়। ড° অচ্যুত চন্দ্ৰ দাসে তেওঁৰ 'এণ্টি ব্ৰিটিছ আপৰাইচিং ইন আছাম ঃ এ হিছতৰিকেল ষ্টাডি (১৮২৬-১৮৫৭)' বিষয় হিচাপে লৈ বি বি কিষাণ মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° দেৱান নজৰুল কাদেৰৰ তত্ত্বাৱধানত মেঘালয়ৰ চিএমজে বিশ্ববিদ্যালয়ৰ পৰা ২০১৬ত ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। আনহাতে, ড° মতিচন দৈমাৰীয়ে তেওঁৰ 'ছ'চিয়েল ৰিয়েলিটিকছ এজ ৰিফ্লেক্টেড ইন দ্য বড়ো লিটাৰেচাৰ ঃ এ ছ'চিঅ'লজিকেল ষ্টাডি (ফ্ৰম ইনচেপচন টু ২০১০) বিষয় হিচাপে লৈ ২০২০ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বড়ো বিভাগৰ মুৰব্বী অধ্যাপক ড° স্বৰ্ণপ্ৰভা চৈনাৰীৰ তত্ত্বাৱধানত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। ড° হেদায়েৎ উল্লাই 'এ ষ্টাডি অন ডিফাৰেণ্ট এচপেক্টছ অন নন চেম্পলিং এৰোৰ' বিষয় হিচাপে লৈ গুৱাহাটী কমাৰ্চ কলেজৰ সহযোগী অধ্যাপক ড° সুদৰ্শন চৌধুৰীৰ তত্ত্বাৱধানত ২০১৬ত সিংহানিয়া বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। আটাইকেইজনকে শৰাই আৰু মানপত্ৰ প্ৰদান কৰা হয়। আনহাতে, বিদায়ী অধ্যাপকক শিক্ষক গোট আৰু কৰ্মচাৰী গোটৰ তৰফৰ পৰা পৃথকে পৃথকে মানপত্ৰ, শৰাই, গামোচা, আৰনাই আৰু চেলেং প্ৰদান কৰা হয় ।শলাগ জ্ঞাপন কৰে ড° জয়দেৱ মজুমদাৰে।

# যাতায়াত-খোৱাপানীৰ বাবে হাহাকাৰ ৬৬ নম্বৰ পঞ্চায়তবাসীৰ

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ২৪ ফেব্ৰুৱাৰী ঃ** বিগত ১৫ বছৰীয়া কংগ্ৰেছ চৰকাৰ আৰু বৰ্তমান বিজেপি নেতৃত্বাধীন চৰকাৰৰ দুটাকৈ শাসনকালেও স্পৰ্শ কৰিব পৰা নাই ঠেঙাল মৌজাৰ ৬৬ নম্বৰ পশ্চিম ঠেঙাল গাঁও পঞ্চায়ত। পঞ্চায়তৰ অন্তৰ্গত চেঙেলীচেতিয়া ১০ নম্বৰ ৱাৰ্ডৰ মিৰ্ধা চুবুৰিবাসীয়ে আজিও পুখুৰী-কুঁৱা আদিৰ পানীকে খোৱা-ধোৱাত ব্যৱহাৰ কৰি অহাৰ লগতে বিধ্বস্ত হৈ পৰা পথেৰে যাতায়াতৰ ক্ষেত্ৰতো ব্যাপক সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। ১০ নম্বৰ ৱাৰ্ডৰ অন্তৰ্গত



চুবুৰিটোৰ পাঁচশ মিটাৰ দৈৰ্ঘ্য উপ-পথটো বিগত ১৫ বছৰীয়া কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালতে অলপ শিগল ছটিয়াইছিল যদিও সম্প্ৰতি একেবাৰেই জৰাজীৰ্ণ। বাৰিষা কৃত্ৰিম বানপানী আৰু খৰালি সাধাৰণ এজাক বৰষুণতেই বোকাময় হৈ পৰে বুলি ৰাইজে অভিযোগ কৰি কয় যে বিধ্বস্ত পথেদি ৰোগীক চিকিৎসালয়লৈ অনা-নিয়া কৰাত বাৰুকৈয়ে অসুবিধা হয়। এই সন্দৰ্ভত ৰাইজে পঞ্চায়ত বিভাগক বহুবাৰ অৱগত কৰিছে যদিও সুফল নোপোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। আনহাতে চুবুৰিটোত বিশুদ্ধ খোৱাপানীৰ অভাৱ। সমীপৰ চেঙেলীচেতিয়া তথা কমাৰবন্ধা পথৰ কাষত বহুলাখ টকা ব্যয়েৰে এখন বিশুদ্ধ পানী যোগান আঁচনি স্থাপন কৰা হয় যদিও অদ্যপৰিমিত ৰাইজক পানী যোগান নধৰা অভিযোগ উঠিছে। ফলত ৰাইজে দমকল, কুঁৱা, মুক্ত পুখুৰীৰ পানীকে বছৰ বছৰ ধৰি সেৱন কৰিব লগাত পৰিছে। ৰাইজে শীঘ্ৰে তেওঁলোকৰ সমস্যা সমাধান কৰিবলৈ বিধায়কগৰাকীৰ লগতে চৰকাৰক অনুৰোধ জনাইছে।

# দৰং জিলাত ড্ৰাই ডে ঘোষণা

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৪ ফেব্ৰুৱাৰী ঃ** আগন্তুক পৌৰসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত দৰঙৰ জিলা দণ্ডাধীশে এক নিৰ্দেশযোগে 'ড্ৰাই ডে' ঘোষণা কৰিছে। 'ড্ৰাই ডে' ঘোষিত কালছোৱাত জিলাখনৰ বিদেশী তথা দেশীয় সুৰাৰ পাইকাৰী কিম্বা খুচুৰা বিক্ৰী কেন্দ্ৰ, দোকানসমূহ বন্ধ থাকিব। তদুপৰি উক্ত সময়ছোৱাত যিকোনোধৰণৰ সুৰা তথা নিচাযুক্ত দ্ৰব্যৰ বিক্ৰী, সেৱন, মজুতকৰণ, বিতৰণ, সৰবৰাহ আদিও সম্পূৰ্ণ ৰূপে নিষিদ্ধ কৰা হৈছে। নিৰ্দেশনা অনুসৰি চাৰি মাৰ্চৰ আবেলি চাৰি বজাৰ পৰা ছয় মাৰ্চৰ আবেলি চাৰি বজা পৰ্যন্ত জিলাখনত 'ড্ৰাই ডে' বাহাল থাকিব। তদুপৰি অহা ন মাৰ্চলৈ ভোটগণনা শেষ নোহোৱা পৰ্যন্ত এই নিৰ্দেশ বাহাল থাকিব। এই নিৰ্দেশ অমান্যকাৰীৰ বিৰুদ্ধে নিৰ্বাচন অধিনিয়ম ১৩৫ চি-ৰ অধীনত আৰু অসম আৱকাৰী আইনৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

# ড্ৰাগছৰ কণ্টেইনাৰসহ ধৃত তিনি যুৱক

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** মৰিগাঁও জিলাৰ গৰৈমাৰীৰ পৰা মৰিগাঁও অভিমুখে এখন ই-ৰিক্সা আহি থাকোতে কালি ভূৰবন্ধাত মৰিগাঁও সদৰ থানা আৰক্ষীৰ এটা দলে ড্ৰাগছ ভৰ্তি ১৩টাকৈ কণ্টেইনাৰ উদ্ধাৰ কৰাৰ লগতে তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰে। কালি ভূৰবন্ধাত আৰক্ষীয়ে কণ্টেইনাৰকেইটা জব্দ কৰাৰ লগতে মৰিগাঁৱৰ ৰজাগাঁৱৰ বিজয় বিশ্বাস (৩০), হলা শিমলুতলৰ ৰাজিবুল আলী (২০) আৰু পচতীয়াৰ প্ৰণৱ দাস (২২)ক গ্ৰেপ্তাৰ কৰে।



# বৰছলাত সাহিত্যিক-নাট্যকাৰ শেৰমান থাপাক স্মৰণ

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ২৪ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ বৰছলাৰ বৰভগীয়াত যোৱা ১৯ ফেব্ৰুৱাৰীত প্ৰয়াত সাহিত্যিক-নাট্যকাৰ শেৰমান থাপাৰ জন্ম দিৱস পালন কৰা হয়। থাপাৰ অনুষ্ঠানত তিনিজন লেখকৰ গ্ৰন্থ উন্মোচন কৰা হয়। অসম নেপালী সাহিত্য সভাৰ সৌজন্যত আয়োজন কৰা অনুষ্ঠানত বৰঝাৰ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পুণ্য প্ৰসাদ উপাধ্যায়ে শিক্ষক-কবি ৰুদ্ৰ বৰালৰ 'কাগজকো নাও' শীৰ্ষক কবিতা পুথি উন্মোচন কৰে। আনহাতে, গল্পকাৰ খৰ্গ বাহাদুৰ কৌশিকৰ 'ঘামকো ছাতা' শীৰ্ষক কবিতা পুথি উন্মোচন কৰে কবি-সাহিত্যিক মোহন সুবেদীয়ে। কবি অৰ্জুন নিৰলাৰ হাস্য-ব্যঙ্গ সংগ্ৰহ 'অল এবাউট ফেল্টু' পুথি উন্মোচন কৰে বৰছলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শুকৰাম বৰ্মনে। শিক্ষক ৰুদ্ৰ বৰালৰ কবিতা পুথি 'কাগজকো নাও' উন্মোচন কৰি পুণ্য প্ৰসাদ উপাধ্যায়ে কয় যে ৰুদ্ৰ বৰালৰ কবিতা পুথিখনত উচ্চস্তৰীয় আৰু পৰিপক্ক কবিতাৰ সমাহাৰ ঘটিছে। খৰ্গ বাহাদুৰ কৌশিকৰ 'ঘামকো ছাতা' কবিতা পুথিত সৰল আৰু সুন্দৰ কবিতা প্ৰকাশ পাইছে বুলি উন্মোচক মোহন চুবেদীয়ে। অৰ্জুন নিৰলাৰ 'অল এবাউট ফেল্টু' ত স্থান পোৱা ব্যংগ ৰচনাসমূহে সমাজৰ বিভিন্ন বিষয় আৰু দিশৰ বিসংগতি আৰু সমস্যাৱলীক হাস্যৰসেৰে ৰসাল কৰি সফলভাৱে তুলি ধৰিছে বুলি উন্মোচকজনে উল্লেখ কৰে। সভাত অসম নেপালী সাহিত্য সভাৰ সভাপতি দুৰ্গা খতিওৱা, লেখিকা নৱপ্ৰভা অধিকাৰী, কবি-সাহিত্যিক ডিল্লীৰাম খনাল আদিয়ে বক্তব্য আগবঢ়ায়। প্ৰয়াত সাহিত্যিক-নাট্যকাৰ শেৰমান থাপাৰ প্ৰতিকৃতিত মাল্যাৰ্পণেৰে আৰম্ভ অনুষ্ঠানৰ মাজে মাজে ৰখা কবিতা পাঠৰ কাৰ্যসূচীয়ে অনুষ্ঠানটোক অনন্য মাত্ৰা প্ৰদান কৰে। অনুষ্ঠানত অনামিকা উপাধ্যায়, দীপক গজুৰেল, হেমন্ত ভট্টৰাই, চেৰন শৰ্মা, ইন্দিৰা গৌতম, নয়না অধিকাৰী, কৃষ্ণ ভট্টৰায়ে কবিতা পাঠ কৰে। অনুষ্ঠানত ২০২০ সাহিত্য একাদেমীৰ যুৱ সাহিত্যিক বঁটা প্ৰাপক উদীয়মান লেখক অঞ্জন বাচকোটাক সম্বৰ্ধনা জনোৱা হয়।

### তিনিখন গ্ৰন্থ উন্মোচন

# গোৱালপাৰাৰ সাংবাদিক বিশ্বজিৎ দাসৰ বাসগৃহত বাৰ্তাজীৱী সংঘৰ প্ৰতিনিধি দল

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ২৪ ফেব্ৰুৱাৰী ঃ** বিগত প্ৰায় দুমাহে শাৰীৰিক অসুস্থতাত ভুগি থকা গোৱালপাৰা জিলাৰ যুৱ সাংবাদিক বিশ্বজিৎ দাসৰ স্বাস্থ্যৰ বুজ লয় অসম বাৰ্তাজীৱী সংঘই। সংঘৰ সাধাৰণ সম্পাদক মুকুট ৰাজ শৰ্মাৰ নেতৃত্বত সংঘৰ সাংগঠনিক সম্পাদক কিশোৰজ্যোতি শৰ্মা, প্ৰচাৰ সম্পাদক হেমন্ত বৰ্মন, সদস্য আচাদ আলী, সাংবাদিক তথা সাহিত্যিক দিলীপ কুমাৰ শৰ্মা, অসম বাৰ্তাজীৱী সংঘৰ গোৱালপাৰা জিলা সমিতিৰ সাধাৰণ সম্পাদক জাহিদুল ইছলাম, কোষাধ্যক্ষ চুলতান আহমেদ আৰু কাৰ্যালয় সম্পাদক মিৰজুল ইছলামে সাংবাদিকজনৰ গোৱালপাৰা চহৰৰ বাপুজীনগৰস্থ বাসগৃহত উপস্থিত হৈ স্বাস্থ্যৰ বুজ লয়। গোৱালপাৰা জিলাৰ লপৰা প্ৰতিদিন টাইমৰ ব্যুৰ' হিচাপে সেৱা আগবঢ়াই অহা দাসে পেটৰ সমস্যাত ভুগি থকাৰ পাছতে যোৱা দুমাহে জিএমচি হাস্পতালত চিকিৎসা কৰি আহিছে যদিও বিশেষ সুস্থ হৈ নুঠাত অহা ২৮ ফেব্ৰুৱাৰীত হায়দৰাবাদলৈ উন্নত চিকিৎসাৰ বাবে ৰাওনা হ'ব। বৈদ্যুতিন মাধ্যমত কৰ্মৰত সাংবাদিকজনৰ উন্নত চিকিৎসাৰ বাবে কিছু ধনৰ প্ৰয়োজন যদিও ধনৰ অভাৱৰ বাবে কিছু সমস্যাৰ সন্মুখীন হৈছে। অসম বাৰ্তাজীৱী সংঘই নিয়মীয়াকৈ কৰ্মৰত সাংবাদিক বিশ্বজিৎ দাসৰ উন্নত চিকিৎসাৰ ব্যৱস্থা ল'বলৈ অসম চৰকাৰক আহ্বান জনাইছে।

# কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে গোৱালপাৰাত চৰ-চাপৰি সাহিত্য পৰিষদৰ কেন্দ্ৰীয় প্ৰতিনিধিত্বমূলক সাধাৰণ সভা

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৪ ফেব্ৰুৱাৰী ঃ** অহা ২৬ ফেব্ৰুৱাৰীৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে গোৱালপাৰাত অনুষ্ঠিত হব অসম চৰ-চাপৰি সাহিত্য পৰিষদৰ কেন্দ্ৰীয় প্ৰতিনিধিত্বমূলক সাধাৰণ সভা। এই সন্দৰ্ভত কালি গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰি অভ্যৰ্থনা সমিতিৰ প্ৰধান সম্পাদক আনোৱাৰ হুছেইনে কয় যে ২০০৪তে গঠিত চৰ চাপৰি সমাজৰ জাতীয় বৌদ্ধিক মঞ্চ চৰ চাপৰি সাহিত্য পৰিষদৰ প্ৰচেষ্টাক অধিক তৰান্বিত কৰাৰ লক্ষ্যৰেই গোৱালপাৰাত প্ৰতিনিধিত্ব মূলক সাধাৰণ সভাৰ আয়োজন কৰা হৈছে । ইয়াৰে ২৬ ফেব্ৰুৱাৰীৰ কাৰ্যসূচী সমূহ গোৱালপাৰা কৃষি বিভাগৰ প্ৰশিক্ষণ কেন্দ্ৰত আৰু ২৭ ফেব্ৰুৱাৰীৰ কাৰ্যসূচীসমূহ নটসূৰ্য ফণী শৰ্মা ভৱনত অনুষ্ঠিত হব । চৰ চাপৰি সাহিত্য পৰিষদৰ কেন্দ্ৰীয় কমিটিৰ উদ্যোগত, গোৱালপাৰা জিলা কমিটিৰ সহযোগত আৰু অভ্যৰ্থনা সমিতিৰ ব্যাৱস্থাপনাত অনুষ্ঠিত হ'বলগীয়া প্ৰতিনিধি সভাৰ কাৰ্যসূচী অনুসৰি ২৬ ফেব্ৰুৱাৰীৰত পৰিষদৰ কেন্দ্ৰীয় কমিটিৰ উপ-সভাপতি কেৰামত আলী শ্বেখে পতাকা উত্তোলনৰ পাছত প্ৰতিনিধি শিৱিৰ মুকলি কৰিব গোৱালপাৰা আইন মহাবিদ্যালয়ৰ ৰেক্টৰ তথা জেষ্ঠঞ্জয় অধিবক্তা জিতেন দাসে ।পৰিষদৰ কেন্দ্ৰীয় কমিটী আন এগৰাকী উপ-সভাপতি হজৰত আলী আহমেদে সভাপতিৰ আসন গ্ৰহনৰ লগতে

### ■ চৰ-চাপৰি সাহিত্য পৰিষদৰ সংবাদমেল

সাহিত্য অনুষ্ঠান, গীত-মাত ,কবিতা আবৃত্তি, বিভিন্ন জিলাৰ প্ৰতিনিধি বৰ্গৰ মাজত মত-বিনিময় অনুষ্ঠান আৰু চৰ- চাপৰি সাহিত্য পৰিষদ অসমৰ সভাপতি ড° হাফিজ আহমেদৰ পৌৰহিত্বত অনুষ্ঠিত হব প্ৰতিনিধি সভা ।পৰিষদৰ সাধাৰণ সম্পাদক হাবিল খান চৌধুৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰাৰ বিপৰীতে সম্পাদকীয় প্ৰতিবেদন পাঠ কৰিব পৰিষদৰ প্ৰধান সম্পাদক আনোৱাৰ হুছেইনে। ইপিনে ২৭ ফেব্ৰুৱাৰীত প্ৰতিনিধি সভাত গৃহীত প্ৰস্তাৱ পাঠ, কবি জয়ন্তবল্লভ শৰ্মাৰ সঞ্চালনাত কবি সন্মিলন, 'অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চৰ চাপৰিবাসীৰ ভূমিকা' বিষয় শীৰ্ষক আলোচনা সভা অনুষ্ঠিত হ'ব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড⁰ মণিৰুল হুছেইনৰ সঞ্চালনাত অনুষ্ঠিত হব লগীয়া আলোচনা সভাত অসমীয়া সাহিত্য সন্মিলনীৰ কাৰ্যকৰী সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দিলীপ বৰাই আলোচকৰূপে উপস্থিত থাকিব । ইপিনে লেখক আব্দুল জব্বৰৰ "ইছলামৰ বুৰঞ্জী আৰু সংস্কৃতি", কবি আবু শ্বামাৰ "চিনাকি অচিনাকি নদী", অধ্যাপক শ্বৰিফুল ইছলামৰ "জীৱনপঞ্জী", মিজানুৰ ৰহমানৰ "উচ্ছেদ আৰু অন্যান্য কবিতা", গোৱালপাৰা ডায়েটৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ জাফৰ আলী আহমেদৰ "কুৰআন বিশ্বৰ বিস্ময়কৰ চেলেঞ্জ" আৰু লেখক হজৰত আলী আহমেদৰ "কবিতাৰ মৃত্যু উপন্যাস" নামৰ গ্ৰন্থ কেইখন উন্মোচন কৰিব ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপকদ্বয় ড° মণিৰুল হুছেইন আৰু আব্দুল মান্নানৰ লগতে অসম সাহিত্য সন্মিলনীৰ কাৰ্যকৰী সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° দিলীপ বৰা ,চৰ চাপৰি সাহিত্য পৰিষদ অসমৰ সভাপতি ড হাফিজ আহমেদ আৰু গৌৰীপুৰ কলেজৰ অধ্যাপিকা তথা বিশিষ্ট লেখিকা পাৰবীন চুলতানাই ।লেখক তথা সমাজ সেৱক শৈলেন দাসক আব্দুল জব্বৰ সোঁৱৰণী সাহিত্য বঁটা প্ৰদান কৰাৰ পিছত অনুষ্ঠিত হ'ব দ্বিতীয় আলোচনা সভা । "অসমীয়া ভাষা সংস্কৃতি, সামাজিক ঐক্য আৰু প্ৰগতিৰ ক্ষেত্ৰত চৰ চাপৰিবাসীৰ অবদান" বিষয় শীৰ্ষক আলোচনা সভাত আলোচকৰূপে থাকিব অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুল মান্নানে। আবেলি ৩৩০ কেবাগৰাকী বিশিষ্ট ব্যক্তিৰ সম্বৰ্ধনাৰে কাৰ্যসূচীৰ সামৰণি পৰিব বুলি প্ৰধান সম্পাদকে জানিবলৈ দিয়ে । সভাত চৰ চাপৰিৰ সাহিত্য সংস্কৃতিৰ বিকাশৰ লগতে গুৰুত্বপূৰ্ণ সমস্যাৰাজি সন্দৰ্ভত কেবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। ইপিনে বঙালী ভাষা সম্প্ৰসাৰণকাৰী সকলে যাতে আগন্তুক লোক পিয়লৰ সময়ত চৰ চাপৰিবাসীক বঙালী ভাষা লিখাৰ বাবে প্ৰভাৱিত কৰিব নোৱাৰে তাৰ প্ৰতি চৰ চাপৰি সাহিত্য পৰিষদে সদায় সতৰ্ক দৃষ্টি ৰখা বুলি উল্লেখ কৰে হুছেইনে । অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ইউছুফ আলীয়ে কয়যে চান্দা সংস্কৃতিক নিৰ্মূল কৰিবৰ বাবেই কেৱল সদস্যসকলৰ বৰঙণিৰেই প্ৰতিনিধিত্বমূলক সাধাৰণ সভা অনুষ্ঠিত হব । ইপিনে অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক অধ্যাপক শ্বৰিফুল ইছলামে কয় যে ৰাইজৰ অভূতপূৰ্ব সঁহাৰিয়ে চৰ চাপৰি সাহিত্য পৰিষদ অধিক গতিশীল হৈ উঠাটো নিশ্চিত হৈছে।

# অৰুণোদয় সাহিত্য চ'ৰাৰ ষষ্ঠ দ্বি-বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** ২০০৯ত জন্ম লাভ কৰা নগাঁও তথা মধ্য অসমৰ ভাষা-সাহিত্য-সংস্কৃতি চৰ্চা আৰু অনুশীলনৰ মুকলি মঞ্চ অৰুণোদয় সাহিত্য চ'ৰাৰ ষষ্ঠ দ্বিবাৰ্ষিক অধিবেশন অহা ২৭ ফেব্ৰুৱাৰীত নগাঁও জিলা সাহিত্য সভাৰ কমলা দেৱী টোডি স্মৃতি ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। অৰুণোদয় সাহিত্য চ'ৰাৰ সম্পাদক ৰাহুল দেৱ বৰদলৈয়ে সদৰী কৰা মতে, সিদিনা ১১ বজাৰ পৰা অনুষ্ঠিত হ'ব লগা মুকলি সভাত সভাপতিত্ব কৰিব মৃদুপৱন বৰাই। নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত অসম চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ যুটীয়া সচিব জয়ন্ত বৰাই অৰুণোদয় সাহিত্য সংকলনখন উন্মোচন কৰিব। এই অনুষ্ঠানতে অৰুণোদয় সাহিত্য চ'ৰাৰ ২০১৯-২১ দুটা বছৰত মাহেকীয়া বৈঠকত পঠিত প্ৰবন্ধ, গল্প আৰু কবিতাৰ শিতানত শ্ৰেষ্ঠ তিনিগৰাকী লেখক-লেখিকাক দিলীপ কুমাৰ বৰা সোঁৱৰণী আৰু অঞ্জুমণি বৰদলৈ সোঁৱৰণী অৰুণোদয় সাহিত্য বঁটা-২০২১ আৰু নগাঁৱৰ সমাজ-সংস্কৃতি ক্ষেত্ৰলৈ আগবঢ়োৱা বৰঙণিৰ বাবে সাতগৰাকী বিশিষ্ট ব্যক্তিক অৰুণোদয় সন্মান-২০২১ প্ৰদান কৰা হ'ব। আনহাতে, এই অনুষ্ঠানতে অৰুণোদয় সাহিত্য চ'ৰাৰ আজীৱন সদস্যা তথা লেখিকা দিপালী বৰদলৈৰ শেহতীয়া কাব্য সংকলন 'বিষন্ন আবেলি খেপিয়াও জোনাক' গ্ৰন্থখন উন্মোচন কৰিব। এই মুকলি অনুষ্ঠানতে পৰৱৰ্তী দুবছৰীয়া কাৰ্যকালৰ বাবে নৱনিৰ্বাচিত সভাপতি-সম্পাদকক অনুষ্ঠানিকভাৱে দায়িত্বভাৰ অৰ্পণ কৰা হ'ব।

### ■ পৰৱৰ্তী দুবছৰীয়া কাৰ্যকালৰ বাবে গুণধৰ নাথ সভাপতি, আবুল হুছেইন সম্পাদক নিৰ্বাচিত

# কলিয়াপানী উন্নয়ন খণ্ডত দুই কোটিৰ অধিক আত্মসাৎ

## ■ আই বি এছৰ নামত ধন আত্মসাৎ ■ তদন্তৰ দাবী ছাত্ৰ সন্থাৰ

অগ্ৰদূত বাৰ্তা

**জাঁজী/টীয়ক, ২৪ ফেব্ৰুৱাৰী ঃ** কলিয়াপানী উন্নয়ন খণ্ডৰ অন্তৰ্গৰ্ভ ১০খন গাঁও পঞ্চায়তত বিভিন্ন আঁচনিত ভুৱা হিতাধিকাৰী নাম অন্তভূক্ত কৰি পঞ্চায়ত প্ৰতিনিধিসকলে আঁচনিসমূহ সফল কৰাৰ পৰিবতে কমিছনত ব্যস্ত থকাৰ অভিযোগ উত্থাপিত হৈছে। যিটো সময়ত চৰকাৰে দৰিদ্ৰ পৰিয়ালসমূহক সকাহ দিবৰ বাবে মুখ্যমন্ত্ৰীজনে দিন-ৰাতি একেকাৰ কৰি জনসাধাৰণৰ মাজত উন্নয়নৰ কাম কৰিব বিছাৰিছে সেই সময়ত যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ প্ৰতিখন পঞ্চায়তত চৰকাৰী কৰ্মচাৰী পৰা পঞ্চায়ত সদস্যকে ধৰি ৰাজনৈতিক নেতা পালিনেতাই আঁচনিৰ ধন আত্মাসাৎ কৰিছে বুলি ছাত্ৰ সন্থাই আক্ষেপ প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিবাহক সদস্য জিতু নেওগ শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি দেবব্ৰত শইকীয়া সাধাৰণ সম্পাদক পবিত্ৰ বৰাই জানিবলৈ দিয়া মতে কলিয়াপানী উন্নয়ন খণ্ডৰ অৰ্ন্তগত ১০ খন পঞ্চায়তত বিভিন্ন আঁচনিত উপযুক্ত হিতাধিকাৰীক নিৰ্বাচন নকৰি ৰাজনৈতিক ব্যক্তিক অগ্ৰাধিকাৰ দিয়া দেখা গৈছে। যিখন আঁচনিৰ নিয়ম আছিল অতি দৰিদ্ৰ যাৰ মাহিলি উপাৰ্জন তিনি হেজাৰৰ কম তথা জৰকাৰ্ড থকা ব্যক্তিয়ে পাব লাগে যদিও সকলো নিয়ম উলংঘা কৰি হিতাধিকাৰী নিৰ্বাচন কৰোতে ঠিকাদাৰ, পৰিয়ালত চৰকাৰী চাকৰি থকা, অৱসৰ প্ৰাপ্ত চাকৰিয়াল ,অথবা ভেণ্ডৰ থকা ব্যক্তিক এই আঁচনিত অৰ্ন্তভুক্ত কৰা পৰিলক্ষিত হৈছে বুলি ছাত্ৰ সন্থাই অভিযোগ তুলিছে। যোৰহাট জিলাৰ গ্ৰাম্য উন্নয়ন এজেঞ্চিয়ে নো জে জেডপি/ কেএলপি/কেডিবি এমজিএনৰেগা ১২/২০২১/২২/১৬৪৮ৰ যোগেদি কলিয়াপানী উন্নয়ন খণ্ডৰ অন্তগৰ্ত ১০খন পঞ্চায়তলৈ ২ কোটি ২ লাখ ৪৮ হেজাৰ ৩৭৯ টকা ২০২১ আৰু ২২বৰ্বৰ বাবে আৰণ্টন হৈছিল যদিও এই আঁচনিখন সম্পূৰ্ণ ফ্লপ শ্ব'ত পৰিণত হৈছে। প্ৰধানকৈ ভগামুখ গাঁও পঞ্চায়ত, বামুনপুখুৰী গাঁও পঞ্চায়ত, পূব টীয়ক গাঁও পঞ্চায়ত, চিন্তামণি গড় গাওঁ পঞ্চায়ত জাঁজীমুখ পঞ্চায়তত ব্যক্তিগত হিতাধিকাৰী আঁচনি অথাৎ আই বি এছচুৰান্ত অনিয়ম কৰি চৰকাৰী ধন আত্মাসাৎ কৰিছে। আনহাতে জাঁজীমুখ পঞ্চায়তত সৰ্বাধিক টকা এই আঁচনিত আৱণ্টিত হৈছে যদিও আই বি এছ ৰ তালিকা নিৰ্বাচন কৰাৰ ক্ষেত্ৰত পঞ্চায়তসমূহৰ সভাপতি আৰু আঞ্চলিক সদস্য মিলিত হৈ কমিছনৰ অংকত সকলো নিয়ম উলংঘা কৰিছে। এই ক্ষেত্ৰত যোৰহাট জিলা উপায়ুক্তক উপযুক্ত তদন্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ছাত্ৰ সন্থাৰ তৰফৰ পৰা আহ্বান জনাইছে।

# ডিগবৈত তুংগত পৌৰসভা নিৰ্বাচনৰ কংগ্ৰেছৰ প্ৰচাৰ অভিযান

## ■ নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তত্ত্বাৱধায়ক বিকাশ উপাধ্যায়



**ডিগবৈ, ২৪ ফেব্ৰুৱাৰী ঃ** ৰাজ্যত আগন্তুক ছয় মাৰ্চত অনুষ্ঠিত হ'বলগীয়া পৌৰসভা নিৰ্বাচনক লৈ সমগ্ৰ ৰাজ্যতে বলিছে গৰম বতাহ। প্ৰতিটো ৰাজনৈতিক দলে দলীয় প্ৰাৰ্থিত্বক বিজয়ৰ সোৱাদ দিয়াবলৈ প্ৰচাৰ অভিযান তুংগত তোলা দেখিবলৈ পোৱা গৈছে। ডিগবৈত শাসনাধিষ্ঠিত বিজেপিয়ে অলিয়ে-গলিয়ে প্ৰচাৰ অভিযান চলাই যোৱাৰ সামন্তৰালভাৱে ভাৰতীয় জাতীয় কংগ্ৰেছেও তুংগত কৰি তুলিছে নিৰ্বাচনী প্ৰচাৰ অভিযান। কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ সভাত হাইপ্ৰফাইল নেতাৰ অংশগ্ৰহণ কৰা দেখিবলৈ পোৱা গৈছে। আজি ডিগবৈ পৌৰসভাৰ অন্তৰ্গত আঠ নম্বৰ ৱাৰ্ডত কংগ্ৰেছৰ প্ৰাৰ্থী ভাস্কৰ জীৱন বৰুৱাৰ হৈ এখনি বৃহৎ নিৰ্বাচনী সভা অনুষ্ঠিত কৰে। প্ৰায় দুই শতাধিক ভোটাৰৰ উপস্থিতিত অনুষ্ঠিত নিৰ্বাচনী সভাখনত চত্তিছগঞ্জৰ বিধায়ক নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ তত্ত্বাৱধায়ক বিকাশ ছেত্ৰীয়ে অংশগ্ৰহণ কৰে। উক্ত নিৰ্বাচনী প্ৰচাৰ সভাখনত অংশগ্ৰহণ কৰি শাসকীয় চৰকাৰৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কৰাৰ লগতে মূল্যবৃদ্ধি সন্দৰ্ভত শাসকীয় চৰকাৰক কটু মন্তব্য আগবঢ়াই। নিৰ্বাচনী প্ৰচাৰ সভাখনতে আগন্তুক ডিগবৈ পৌৰসভাৰ বাবে কংগ্ৰেছৰ তৰফৰ পৰা ডিগবৈবাসীৰ জনহিতাৰ্থে ১০ টা দফা সম্বলিত এখন নিৰ্বাচনী ইস্তাহাৰ পত্ৰ ১৩ পৃষ্ঠাত চাওক

# মায়ঙত ডব্লিউ ডব্লিউ এফৰ প্ৰশংসনীয় পদক্ষেপ

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২৪ ফেব্ৰুৱাৰী ঃ** স্কুলীয়া পাঠ্যক্ৰমৰ শিক্ষাৰ উপৰিও পৰিৱেশ সংৰক্ষণ আৰু পাৰিপাৰ্শ্বিকতাৰ দিশতো ছাত্ৰ-ছাত্ৰীসকলক শিক্ষিত কৰি তোলাৰ উদ্দেশ্য আগত ৰাখি এক প্ৰশংসনীয় পদক্ষেপ গ্ৰহণ কৰিছে ডব্লিউ ডব্লিউ এফ ইণ্ডিয়াই। তাৰেই অংশ হিচাপে যাদুৰ দেশ হিচাপে খ্যাত মায়ঙত ডব্লিউ ডব্লিউ ইণ্ডিয়াই আৰম্ভণি কৰে ক্ৰিয়াশীলতাৰ এটি বিশেষ কোঠা। মায়ঙৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ মাধ্যমিক বিদ্যালয়ত যোৱা ২২ ফেব্ৰুৱাৰীত উদ্বোধন কৰা হয় ''এক পৃথিৱী'' নামৰ এই বিশেষ কোঠাটি। যিটো কোঠাত শিশুসকলে লাভ কৰিব পৰিৱেশ আৰু পাৰিপাৰ্শ্বিকতা সন্দৰ্ভত বিভিন্ন জ্ঞান। ডব্লিউ ডব্লিউ এফ ইণ্ডিয়াই আদৰ্শ বিদ্যালয় হিচাপে তুলি লোৱা বিদ্যালয়খনৰ ক্ৰিয়াশীল কোঠাত মৰিগাঁও জিলাৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে জ্ঞান ল'ব পাৰিব পৰিৱেশ সংৰক্ষণৰ। ইয়াৰোপৰি বিভিন্ন খেল-ধেমালি আৰু ব্যৱহাৰিক প্ৰক্ৰিয়াৰে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পৰিৱেশ, বন আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ শিক্ষা দিয়াৰ ব্যৱস্থাও কৰা হৈছে এই বিশেষ কোঠাত। আনহাতে উক্ত অনুষ্ঠানতে মায়ঙৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত দৃশ্যগ্ৰহণ কৰা ''এক পৃথিৱী'' শীৰ্ষক এটি চুটি ছবিও মুকলি কৰা হয়। ইফালে অঞ্চলটোত পূৰ্বৰে পৰা কাম কৰি অহা ডব্লিউ ডব্লিউ এফ ইণ্ডিয়াৰ পদক্ষেপৰ বাবেই বন্যপ্ৰাণীৰ লগতে জল সংৰক্ষণ, বন সংৰক্ষণ, শক্তি আৰু খাদ্য সংৰক্ষণৰ দৰে প্ৰকৃতি সংৰক্ষণৰ স'তে স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকল জড়িত হৈ পৰিছে। মৰিগাঁও জিলা প্ৰাথমিক শিক্ষা বিষয়া ড° বুলি গগৈ ভূঞাই ক্ৰিয়াশীল কোঠা উদ্বোধন কৰা অনুষ্ঠানত ডব্লিউ ডব্লিউ এফ ইণ্ডিয়াৰ ৰাজ্যিক সমন্বয়ক অৰ্চিতা বৰুৱা ভট্টাচাৰ্য, পবিতৰা অভয়াৰণ্যৰ বন বিষয়া নয়নজ্যোতি দাসৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি এনে কাৰ্যক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত ১৩ পৃষ্ঠাত চাওক

# প্ৰসিদ্ধ কথাশিল্পী ভদ্ৰেশ্বৰ ৰাজখোৱালৈ অসম প্ৰৱাহ সাহিত্য বঁটা

বিশেষ সংবাদদাতা



**নগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** 'অসম প্ৰৱাহ' কাকতৰ তৰফৰ পৰা পোনপ্ৰথমবাৰৰ বাবে ৰামধেনু যুগৰ গল্পকাৰ, প্ৰসিদ্ধ কথাশিল্পী ভদ্ৰেশ্বৰ ৰাজখোৱালৈ আগবঢ়োৱা হৈছে ২০২১ৰ অসম প্ৰৱাহ সাহিত্য বঁটা। এই সন্দৰ্ভত প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক কাকতখনৰ সম্পাদক প্ৰণতি বৰাই ২০২১ বৰ্ষৰ পৰা অসমৰ সাহিত্য আৰু সংবাদ ক্ষেত্ৰখনলৈ বিশেষভাৱে অৱদান আগবঢ়াই অহা এগৰাকী বিশিষ্ট সাহিত্যিক আৰু সাংবাদিকক প্ৰতি বছৰে অসম প্ৰৱাহ সাহিত্য বঁটা আগবঢ়োৱাৰ বিষয়ে উল্লেখ কৰে। প্ৰথমবাৰলৈ এই বঁটা সাহিত্যৰ ক্ষেত্ৰত যশস্বী গল্পকাৰ ৰাজখোৱাক প্ৰদান কৰিবলৈ পাই সুখী হোৱাৰ লগতে প্ৰবীন সাহিত্যিকগৰাকীয়ে আচলতে প্ৰাপ্য সন্মানৰ পৰা আজিও অৱহেলিত হৈ থকা বুলি অভিমত প্ৰকাশ কৰে। সম্পাদক বৰাই অসম প্ৰৱাহ ক্ষুদ্ৰ কাকতখনৰ তৰফৰপৰা সাহিত্যিকজনলৈ আগবঢ়াবলৈ লোৱা এয়া তেনেই এটি সামান্য মৰম আৰু সন্মানৰ বাদে আন একো নহয় বুলি উল্লেখ কৰি আগন্তুক বছৰত অসমৰ সংবাদজগতলৈ আগবঢ়োৱা অৱদানৰ বাবে এগৰাকী সাংবাদিকলৈও অসম প্ৰৱাহ সাহিত্য বঁটা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। এইবাৰ এই বঁটা ৰাজখোৱাক তেওঁৰ এক মাৰ্চৰ ওপজাদিনটোতে নগাঁও জিলাৰ সাহিত্য ১৩ পৃষ্ঠাত চাওক

# তিনিচুকীয়াৰ শ্ৰীপুৰীয়াত বালিভৰ্তি ট্ৰাকে মহটিয়ালে ছাত্ৰক

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৪ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া শ্ৰীপুৰীয়াত আজি এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। বিদ্যালয়ৰ পৰা ঘৰলৈ আহি থকা অৱস্থাত শ্ৰীপুৰীয়াৰ ৭০০ নম্বৰ গেটৰ সমীপত এজন ছাত্ৰক এখন বালি কঢ়িয়াই অনা ট্ৰাকে খুন্দা মাৰে। আহত ছাত্ৰজন সমৰ নায়কৰ পুত্ৰ জয়ন্ত নায়ক। জয়ন্তই প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ বুলি চিনাক্ত হোৱাৰ লগতে প্ৰথম অৱস্থাত ততাতৈয়াকৈ চিকিৎসাৰ কাৰণে তিনিচুকীয়া অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। ইফালে, দুৰ্ঘটনা সংঘটিত কৰা এ এছ ০৪ জি ১১২৮ নম্বৰৰ বালিভৰ্তি ট্ৰাকখনৰ চালকে ঘটনাস্থলীৰ পৰা পলায়ন কৰাত স্থানীয় ৰাইজে ট্ৰাকখন আৰদ্ধ কৰি ৰখাৰ পাছতে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ঘটনাস্থলীত তিনিচুকীয়া আৰক্ষী আৰু অৰ্ধ সামৰিক বাহিনীৰ বৃহৎ দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

# মেৰাপানীত লালীগুড়ৰ চুলাইৰ ৰমৰমীয়া বেহা

## ■ নিৰ্বিকাৰ প্ৰশাসন, ছাত্ৰ সন্থাৰ অভিযোগ

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২৪ ফেব্ৰুৱাৰী ঃ** গোলাঘাট জিলাৰ মেৰাপানীস্থিত লালী গুড়ৰ বৃহৎ ভাণ্ডাৰক কেন্দ্ৰ কৰি মেৰাপানীৰ একাংশ অসাধু ব্যৱসায়ীয়ে গঢ়ি তুলিছে চুলাই ভাটি। সমগ্ৰ মেৰাপানী তথা দৈয়াং অঞ্চলৰ মুঠ ১৫৫ খন গাঁৱৰ ভিতৰত ১৫০ খন গাঁৱতেই চুলাই প্ৰস্তুত কৰাৰ বাবে লালী গুড় যোগান ধৰি আহিছে মেৰাপানীৰ এটা অসাধু চক্ৰই। যাৰ ফলস্বৰূপে গাঁওসমূহত চুলাই অবাধ প্ৰচলন ঘটাৰ লগতে তিনি আলি, চাৰিআলিৰ দোকান বজাৰ সকলোতে সহজলভ্য হৈ পৰিছে চুলাই আৰু দেশীয় সুৰাৰ। মেৰাপানীৰ বিভিন্ন অঞ্চলত কাঠফুলাৰ দৰে গঢ়ি উঠা অবৈধ সুৰাৰ দোকান আৰু গাঁওসমূহত গঢ়ি উঠা ক্ষুদ্ৰ ক্ষুদ্ৰ চুলাই ভাটিসমূহে মেৰাপানীৰ সমগ্ৰ সামাজিক পৰিৱেশ কলুষিত কৰাৰ লগতে নৱ প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি নিছে। বিশেষকৈ মেৰাপানীৰ ট্ৰেক্টৰ আলি, নাৰায়ণপুৰ, গমাৰি বজাৰ তিনিআলি, পুলিবাগান, কাছমাৰী, কলাজান, ইন্দ্ৰপুৰ, চাউদাং পথাৰ, গুবিনপুৰ, বেটনিপট্টি, তৰাণি, পুষ্পবন, ৰতনপুৰ, শোৱন গাঁও, নৱগ্ৰাম, বিজয়পুৰ, সৰুপানী, বাৰিছোৱা পট্টি আদি বিভিন্ন গাঁৱত ছানি ধৰিছে চুলাই মদৰ ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগসমূহে। এই চুলাই মদ উচ্ছেদৰ বাবে আবকাৰী বিভাগ এটা আছে যদিও তেওঁলোকে চুলাই মদ উচ্ছেদৰ ক্ষেত্ৰত সৰৱ ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। আনহাতে, পশুখাদ্যৰ গো ফাৰ্মৰ নামত বিক্ৰী কৰি অহা এই লালী গুড় বিক্ৰীৰ ক্ষেত্ৰত প্ৰশাসনে কোনো নীতি নিৰ্দেশনা নিদিয়া বাবে লালী গুড় ব্যৱসায়ী নিজ খেয়ালখুচি মতে গাড়ীয়ে গাড়ীয়ে লালী গুড় বিক্ৰী কৰি সম্পত্তিৰ পাহাৰ গঢ়ি আহিছে। আজিকালি মেৰাপানীত সহজলভ্য হৈ পৰিছে লালী গুড়। এই লালীগুড় বিক্ৰী বন্ধ কৰিবলৈ স্থানীয় ছাত্ৰ সন্থাকে ধৰি বিভিন্ন সংগঠনসমূহে বিভিন্ন সময়ত চৰকাৰ তথা প্ৰশাসনক দীৰ্ঘদিন দাবী জনাই আহিছে যদিও প্ৰশাসনে ইয়াৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। উল্লেখ্য যে আবকাৰী বিভাগৰ অধীক্ষকক আন্ধাৰত ৰাখি তলৰ বিষয়া-কৰ্মচাৰীসকলে সুৰাৰ বিৰুদ্ধে অভিযান চলাই যদিও উচ্ছেদৰ নামত কমিছনৰ অংক মিলাই নাটক কৰা বুলিহে স্থানীয় ৰাইজে অভিযোগ তুলিছে। তেওঁলোকে মেৰাপানী আৰক্ষী থানা আৰু মেৰাপানীস্থিত চিআৰপিএফ শিবিৰৰ মাজতেই থকা মেৰাপানী বজাৰৰ ট্ৰেক্টৰ আলিত দৈনিক চুলাইৰ আড্ডা বৃদ্ধি হ'বলৈ ধৰিছে। এই ট্ৰেক্টৰ আলিৰ পাণ দোকান, হোটেল সকলোতে উপলব্ধ ১৩ পৃষ্ঠাত চাওক

# মাৰ্ঘেৰিটাত লেছী ব্যস্ত কেৱল ধন সংগ্ৰহত ঃ কদৰ্যময় হৈছে মাৰ্ঘেৰিটা নগৰ

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ২৪ ফেব্ৰুৱাৰী ঃ** ক্ষুদ্ৰ ভাৰতবৰ্ষ ৰূপে পৰিচিত কয়লা নগৰী মাৰ্ঘেৰিটা। ভাৰতে স্বাধীনতা লাভ কৰাৰ ৭৩ বছৰৰ পাছতো মাৰ্ঘেৰিটাৰ জনসাধাৰণে আজিও এখন স্বাস্থ্যসন্মত তথা নিৰাপদ বজাৰৰ সুবিধা লাভ কৰিবলৈ সক্ষম নহ'ল। বিভিন্ন কাৰণত তথা কয়লাখনিত কাম কৰাৰ অচিলাৰে অসম-অৰুণাচল সীমান্তবৰ্তী অঞ্চল মাৰ্ঘেৰিটালৈ বিভিন্ন জাতি-জনগোষ্ঠী লোকৰ আগমন ঘটি এখন ক্ষুদ্ৰ ভাৰতবৰ্ষ ৰূপে পৰিচিত হৈ ১৯৯৭ মানতে মাৰ্ঘেৰিটা নগৰ সমিতি গঠন হৈ পৰৱৰ্তী সময়ত ১০ ৱাৰ্ডেৰে গঠিত হ'ল মাৰ্ঘেৰিটা পৌৰসভা। একেবাৰে অনগ্ৰসৰ অঞ্চলৰূপে এটা সময়ত পৰিচিত মাৰ্ঘেৰিটাৰ অৰ্থনৈতিক ব্যৱস্থাটোকে সলনি কৰি পেলালে উত্তৰ-পূৰ কয়লাক্ষেত্ৰ মাৰ্ঘেৰিটাই। কিন্তু মাৰ্ঘেৰিটা নগৰ সমিতি গঠন হোৱাৰ পিছৰ পৰাই মাৰ্ঘেৰিটাৰ মাৰ্ঘেৰিটা বজাৰ কিম্বা পাৰ্কিং প্লেছ'ৰ নামত নগৰ সমিতিয়ে নিবিদাৰ জৰিয়তে লেচীক প্ৰদান কৰি আহিছে। যাৰ ফলত সমিতিখনে এক বৃহৎ পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰে বুলিও স্থানীয় ৰাইজে ব্যক্ত কৰিছে। বিশেষকৈ নগৰখনৰ মুখ্য বজাৰ, ভিনাৰমিল, মাৰ্ঘেৰিটা চাৰিআলিলৈ বিভিন্ন অঞ্চলৰ বেপাৰীয়ে ব্যৱসায় সংক্ৰান্তত অনা অৱশিষ্ট পেলনীয়া শাক-পাচলিৰ লগতে মাছ-মাংসৰ পেলনীয়া লেতেৰা পানীসমূহ য'তে ত'তে পেলোৱা বাবে এক কদৰ্যময় তথা দুৰ্গন্ধময় পৰিৱেশে বিৰাজ কৰাৰ দৃশ্য তেনেই সুলভ হৈ পৰিছে নগৰখনত। লেচীসকলক নিবিদা গ্ৰহণ কৰাৰ সময়তে নগৰখন পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ক্ষেত্ৰত বিশেষভাৱে নিৰ্দেশনা দিয়া হয় যদিও কিন্তু লেচীসকলে বজাৰখন পৰিষ্কাৰ কৰি ৰখাৰ বাবে কোনো ধৰণৰ পদক্ষেপ লোৱা পৰিলক্ষিত নহ'ল। অৱশ্যে কংগ্ৰেছ চৰকাৰৰ দিনতে ব্যাপক দুৰ্নীতিৰে ব্যক্তিগত ভূমি বেদখল কৰি কেইবা লাখ টকা ব্যয় সাপেক্ষে মুখ্য নগৰতে নীতিঃবহিৰ্ভূতভাৱে এটা বজাৰ গৃহ নিৰ্মাণ কৰিছিল যদিও কিন্তু আজিও ব্যৱহাৰৰ অনুপযোগী হোৱাত পৰিত্যক্ত অৱস্থাত আছে বজাৰ গৃহটো। আনহাতে নগৰখনৰ এনে কদৰ্যময় পৰিৱেশ কেন্দ্ৰীয় চৰকাৰৰ বহু অভিলাষী স্বচ্ছ ভাৰত আঁচনিখনকে চৰম উপলুঙা কৰাৰ অভিযোগ উঠিছে মাৰ্ঘেৰিটাত। এইক্ষেত্ৰত অনাগত নৱগঠিত মাৰ্ঘেৰিটা পৌৰসভাখনে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষ্যণীয়।

# হাজোৰ বামুন্দী মহাবিদ্যালয় চৌহদত ছাত্ৰ-ছাত্ৰী-আছুৰ বিক্ষোভ কাৰ্যসূচী



অগ্ৰদূত বাৰ্তা

**হাজো, ২৪ ফেব্ৰুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত পশ্চিম বংশৰ মৌজাৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান বামুন্দী মহাবিদ্যালয়। এইখন শিক্ষানুষ্ঠানত অঞ্চলটোৰ বহুতো দুখীয়া ছাত্ৰ-ছাত্ৰী অধ্যয়ন কৰি বিভিন্ন চৰকাৰী উচ্চ পদত মকৰল হৈ থকাৰ লগতে বিভিন্ন কৰ্মত অধিষ্ঠিত হৈ আছে। কিন্তু দুখৰ আৰু পৰিতাপৰ বিষয় যে ১৯৯০ৰ পৰা বামুন্দী মহাবিদ্যালয় (কনিষ্ঠ) শাখাত অনুষ্ঠিত হৈ থকা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা কেন্দ্ৰটো মহাবিদ্যালয়খনৰ পৰা ১৫ কিলোমিটাৰ দূৰত স্থানান্তৰ কৰিব ওলোৱা হঠকাৰী সিদ্ধান্তত তীব্ৰ ক্ষোভ আৰু অসন্তুষ্টি প্ৰকাশ কৰিছে মহাবিদ্যালয়খনৰ ছাত্ৰ সমাজ, ছাত্ৰ সন্থা আৰু অঞ্চলটোৰ সচেতন নাগৰিকে। আজি মহাবিদ্যালয়খনৰ চৌহদত পশ্চিম বংশৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু মহাবিদ্যালয়খনৰ ছাত্ৰ সমাজে বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰি তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। এনেকুৱা অবিবেচিত সিদ্ধান্তক পুনৰ বিবেচনা কৰি ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি পৰীক্ষা কেন্দ্ৰটো মহাবিদ্যালয়খনতে অনুষ্ঠিত কৰিবলৈ অসম চৰকাৰৰ শিক্ষামন্ত্ৰী তথা বিভাগীয় কৰ্তৃপক্ষক দাবী জনায়। বামুন্দী মহাবিদ্যালয়ৰ (কনিষ্ঠ) শাখাৰ পৰীক্ষা কেন্দ্ৰটো মহাবিদ্যালয়খনৰ পৰা স্থানান্তৰ কৰিব ওলোৱা সিদ্ধান্তক কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধৰণ সম্পাদক পংকজ কলিতাই তীব্ৰ ক্ষোভ প্ৰকাশ কৰি সিদ্ধান্তটোক পুনৰ বিবেচনা কৰিবলৈ দাবী জনাই, ছাত্ৰ সন্থা সদায়েই ছাত্ৰ-ছাত্ৰীৰ ওচৰত দায়বদ্ধ, গতিকেই ছাত্ৰ- ছাত্ৰীৰ ক্ষতি হ'ব পৰা সিদ্ধান্ত কেতিয়াও সহ্য কৰা নহ'ব বুলি কৈ মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি অধিক মজবুত কৰি ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক ভৱিষ্যৎ সঠিক দিশ নিৰ্ণয় কৰিবলৈ চৰকাৰক দাবী জনায়।

# তামাৰহাটত বিধ্বংসী অগ্নিকাণ্ড

## চাৰি লক্ষাধিক মূল্যৰ সম্পত্তি ভস্মীভূত



অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ২৪ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ অন্তৰ্গত কালাচানপাৰা গাঁৱত আজি সংঘটিত এক বিধ্বংসী অগ্নিকাণ্ডত এটা পৰিয়ালৰ তিনিটা টিনপাতৰ ঘৰসহ চাৰি লক্ষাধিক টকা মূল্যৰ সা-সম্পত্তি ভস্মীভূত হয়। তামাৰহাট থানাৰ অন্তৰ্গত কালাচানপাৰা গাঁৱৰ বাসিন্দা নওসাদ আলী শ্বেখে আন আন বছৰৰ নিচিনাকৈ এইবেলিও প্ৰায় চাৰি মাহ পূৰ্বে ঘৰত তলা লগাই পৰিয়ালৰ লোক সকলকলৈ বিহাৰৰ ইটাভাটাত কাম কৰিবলৈ যায়। প্ৰায় চাৰি মাহ ধৰি পৰিত্যক্ত অৱস্থাত থকা শ্বেখৰ ঘৰত আজি দুপৰীয়া কেনেবাকৈ জুই লাগি দাউ দাউকৈ জ্বলি উঠে। ঘৰত মানুহ নথকাৰ বাবে ওচৰ-চুবুৰীয়া ৰাইজ আহি জুই নুমাবলৈ চেষ্টা কৰে যদিও ইতিমধ্যে তিনিটা টিনপাতৰ ঘৰসহ ঘৰৰ ভিতৰত থকা বাচন-বৰ্তন, আচবাব পত্ৰ, ধান, মৰাপাট আৰু ঘৰৰ চৌহদত থকা কাঠৰ নাওকে ধৰি চাৰি লক্ষাধিক টকা মূল্যৰ সা-সম্পত্তি পুৰি ছাই হয়। পৰিয়ালৰ কোনো মানুহ নথকা ঘৰটোত কোনোবা দুষ্কৃতিকাৰীয়ে জুই লগাই দিয়া বুলি স্থানীয় ৰাইজে সন্দেহ কৰিছে।

# সৰবৰহী মহিলা প্ৰেমলতা বৰাৰ পৰলোক

অগ্ৰদূত বাৰ্তা

**পশ্চিম যোৰহাট, ২৪ ফেব্ৰুৱাৰী ঃ** যোৰহাট জিলাৰ পশ্চিম যোৰহাট অঞ্চলৰ বৰখণ্ডীয়া গাঁও নিবাসী প্ৰয়াত কমল বৰাৰ পত্নী প্ৰেমলতা বৰা (৭২)ৰ আজি দুপৰীয়া নিজ বাসগৃহত মৃত্যু হয়। অঞ্চলটোৰ এগৰাকী সৰবৰহী মহিলা হিচাপে সকলোৰে প্ৰিয় বৰা দীৰ্ঘদিন ধৰি ৰোগত আক্ৰান্ত হৈ আছিল। তেওঁৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰে সমগ্ৰ বৰখণ্ডীয়া গাঁওখনত। মৃত্যুৰ সময়ত একমাত্ৰ পুত্ৰ তথা পশ্চিম যোৰহাট কলেজৰ প্ৰৱক্তা হেমন্ত কুমাৰ বৰাসহ বোৱাৰী আৰু দুগৰাকী জী-জোঁৱাই আদি বহু আত্মীয়ক ইহসংসাৰত এৰি যায়।

# সদৌ অসম ছাত্ৰ সন্থা এক শক্তিশালী সংগঠন ঃ কবি জ্ঞান পূজাৰী

## সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত গহপুৰৰ কলাবাৰীত অধিবেশন

অগ্ৰদূত বাৰ্তা

**গহপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভাই অসমৰ জাতীয় সত্তাৰ ভেটি অধিক শক্তিশালী কৰাৰ উদ্দেশ্যৰে অসম উন্নতি সভা আৰু অসম সেনাক সুসংগঠিতভাৱে আগুৱাই নিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই মৰ্মে সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত তথা পূব ছয়দুৱাৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু ৰাইজৰ সহযোগত গহপুৰ মহকুমাৰ কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ২০ ফেব্ৰুৱাৰীত দিনজোৰা কাৰ্যসূচীৰে অসম উন্নতি সভাৰ বিশ্বনাথ জিলা সমিতি, গহপুৰ জিলা সমিতি আৰু অসম সেনাৰ বিশ্বনাথ জিলা সমিতি গঠনৰ বাবে অধিবেশন অনুষ্ঠিত কৰা হয়। অধিবেশনৰ কাৰ্যসূচী অনুসৰি সদৌ অসম ছাত্ৰ সন্থাৰ উত্তোলন কৰে সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সভাপতি বিক্ৰম বিকাশ বৰাই। ছহিদ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি বৰাই। অনুষ্ঠানত অৰ্ধশতাধিক স্থানীয় ব্যক্তিয়ে বন্তি প্ৰজ্বলন কৰি জাতীয় ছহিদসকলৰ পৱিত্ৰ আত্মাৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। প্ৰতিনিধিৰ নাম পঞ্জীয়নৰ পাছতে দুপৰীয়া প্ৰতিনিধি সভাৰ প্ৰাৰম্ভিক অনুষ্ঠানৰ সভা অনুষ্ঠিত হয়। সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ সভাপতি বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আৰু অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ৰূপজ্যোতি শইকীয়াই আদৰণি ভাষণ আগবঢ়াই উপস্থিত সকলোকে সাদৰ-সম্ভাষণ জ্ঞাপন কৰা প্ৰতিনিধি সভাৰ প্ৰাৰম্ভিক অনুষ্ঠানত সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ অন্তৰ্গত বিভিন্ন আঞ্চলিক সমিতিৰ পৰা অহা শতাধিক প্ৰতিনিধিৰ লগতে বহুসংখ্যক ৰাইজে অংশগ্ৰহণ কৰে। সভা উদ্বোধন কৰে সাহিত্য একাডেমী বঁটা প্ৰাপক বিশিষ্ট কবি, নাট্যকাৰ জ্ঞান পূজাৰীয়ে। নাতি দীৰ্ঘ উদ্বোধনী ভাষণ প্ৰদান কৰি পূজাৰীয়ে ১৩ পৃষ্ঠাত চাওক

# ডিমৌত ধৰ্মপ্ৰাণ ব্যক্তি প্ৰফুল্ল শেনচোৱা বৰুৱাৰ আদ্যশ্ৰাদ্ধত স্মৃতিচাৰণ সভা

অগ্ৰদূত বাৰ্তা

**ডিমৌ, ২৪ ফেব্ৰুৱাৰী ঃ** ডিমৌ দিহিঙীয়া গাঁও নিবাসী ধৰ্মপ্ৰাণ ব্যক্তি প্ৰফুল্ল শেনচোৱা বৰুৱাৰ বাসগৃহত আজি শতাধিক ভকত বৈষ্ণৱৰ উপস্থিতিত আদ্যশ্ৰাদ্ধ অনুষ্ঠিত হয়। তদুপৰি কোঁৱৰ দিহিঙীয়া ৰাইচাই গাঁৱৰ নামঘৰৰ ৰাইজৰ সৌজন্যত কোঁৱৰ দিহিঙীয়া গাঁৱৰ মুক্তিয়াৰ প্ৰফুল্ল শেনচোৱা বৰুৱাৰ সোঁৱৰণত এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। গাঁৱৰ বয়োজ্যেষ্ঠ নাগৰিক তথা ধৰ্মপ্ৰাণ ব্যক্তি কনক চিৰিঙে বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰা স্মৃতিচাৰণ সভা গাঁৱৰ নিবাসী তথা অৱসৰপ্ৰাপ্ত দক্ষ প্ৰশাসনিক বিষয়া ভীম দিহিঙীয়াই সকলোৰে মাজত প্ৰিয়ভাজন ধৰ্মপ্ৰাণ ব্যক্তি প্ৰফুল্ল শেনচোৱাৰ বৰুৱাৰ বৈকুণ্ঠ গমনে কাষৰীয়া প্ৰায় কুৰিখনৰো অধিক গাঁৱৰ ভকত বৈষ্ণৱ তথা ধৰ্মপ্ৰাণ ৰাইজৰ অপূৰণীয় ক্ষতি হোৱা বুলি ব্যক্ত কৰে। স্মৃতিচাৰণ সভাত বক্তব ৰাখে অনিমা গগৈ, পদ্মা চেতিয়া আৰু স্থানীয় কে'বাটাও নামঘৰৰ ভক্তপ্ৰাণ ৰাইজৰ লগতে তেওঁৰ আত্মাৰ সদ্‌গতি কামনাৰ্থে বন্তি জ্বলাই প্ৰাৰ্থনা কৰে ৰাইচাইৰ ডিমৌ দলঙৰ কাষৰ নামঘৰৰ আইমাতৃ ক্ৰমে অনিমা গগৈ, প্ৰিয়লতা কোঁৱৰ, দিব্য গগৈ, জ্যোতিৰাণী খনিকৰ, ফুল বৰা, অনু বেজবৰুৱা আদিয়ে। ১৯৩৪ত জন্মগ্ৰহণ কৰা প্ৰফুল্ল শেনচোৱা বৰুৱাৰ যোৱা ২৫ জানুৱাৰীত বাৰ্ধক্যজনিত কাৰণত নিজাবাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত দুই পুত্ৰ, বোৱাৰী আৰু নাতি-নাতিনীক ইহসংসাৰত এৰি গৈছে।

# আজিৰে পৰা সংযুক্ত বড়ো গণ মঞ্চৰ অষ্টম বাৰ্ষিক অধিৱেশন

অগ্ৰদূত বাৰ্তা

**হাওৰাঘাট, ২৪ ফেব্ৰুৱাৰী ঃ** সংযুক্ত বড়ো গণ মঞ্চ চমুকৈ ইউবিপিঅৰ অষ্টম বাৰ্ষিক বছৰেকীয়া অধিৱেশনখনি কাইলৈৰ পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে কাৰ্বি আংলং জিলাৰ লাংহিন নৌগৌৰত অনুষ্ঠিত হ'ব। অধিৱেশনৰ প্ৰথমদিনাৰ পুৱা স্বচ্ছতা অভিযান, মূল তোৰণ উদ্বোধন, সাংস্কৃতিক শিবিৰ মুকলি, প্ৰতিনিধি শিবিৰ মুকলি, প্ৰতিনিধি সভাকক্ষ উদ্বোধন, মঞ্চ আৰু মণ্ডপ উদ্বোধন, অতিথিশালা উদ্ধোধন, বজাৰ আৰু মেলা উদ্বোধন, দুপৰীয়া প্ৰতিনিধি পঞ্জীয়ন, ক্ৰীড়া প্ৰতিযোগিতা উদ্বোধন, ইউ বি পি অৰ কাৰ্যনিৰ্বাহক সভা, সন্ধিয়া বন্তি প্ৰজ্বলন, সন্ধিয়া প্ৰতিনিধি সভা আৰু সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। ইপিনে দ্বিতীয় দিনা অৰ্থাৎ ২৬ ফেব্ৰুৱাৰীত পতাকা উত্তোলন কৰিব ইউ বি পি অৰ সভাপতি মনোৰঞ্জন বসুমতাৰীয়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব বড়ো সাহিত্য সভাৰ সভাপতি তৰেণ বড়োৱে। ছহিদ তৰ্পণ কৰিব ইউ বি পি অৰ উপদেষ্টা বিপিন গয়াৰীয়ে। অভ্যৰ্থনা সমিতিৰ স্মৃতিগ্ৰন্থ হাজৌৱাৰী জিনজ উন্মোচন কৰিব সাহিত্য অকাডেমি বঁটাৰে সন্মানিত ৰত্নেশ্বৰ নাৰ্জাৰীয়ে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে থং নকবেড় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধনজয় নাৰ্জাৰী, বড়ো সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি বিশ্বেশ্বৰ বসুমতাৰী, সাহিত্য অকাডেমি বঁটাৰে সন্মানিত অৰবিন্দ উজিৰ আৰু ঋতুৰাজ বসুমতাৰী। ইউ বি পি অৰ সভাপতি মনোৰঞ্জন বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিতব্য বিশেষ মুকলি অধিৱেশন উদ্বোধন কৰিব বি কে ডব্লিউ এ চিৰ প্ৰধান মিহিনিশ্বৰ বসুমতাৰীয়ে। বি কে ডব্লিউ এচিৰ ই এম অনিল বসুমতাৰীয়ে তাৎপৰ্য ব্যাখ্যা কৰিবলগীয়া অনুষ্ঠানত মুখ্য অতিথি হিচাপে কেন্দ্ৰীয় চৰকাৰৰ ন্যায় আৰু সবলীকৰণ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামদাস আঠাৱালে, বিশিষ্ট অতিথি হিচাপে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, মন্ত্ৰী ডাঃ ৰনোজ পেগু, উৰ্খাও গৌড়া ব্ৰহ্ম, সন্মানীয় অতিথি হিচাপে এবছুৰ সভাপতি দ্বীপেন বড়ো, বড়ো সাহিত্য সভাৰ সম্পাদক হৰেশ্বৰ নাৰ্জাৰী, নেপালৰ সাংসদ কুমাৰী মেচে, ত্ৰিপুৰা ক্ষত্ৰীয় সমাজৰ উপ-সভাপতি ড° পাৰ্থ দেববৰ্মণ, জাব্ৰাং কল্যাণ সমিতিৰ কাৰ্যবাহী সঞ্চালক মথুৰা বিকাশ ত্ৰিপুৰা, মেচে সিবিয়াৰী আফাড, নেপালৰ সভাপতি ৰূপেশ মেচে, পশ্চিমবংগ বড়ো মেচে সমাজৰ সভাপতি নবীন চন্দ্ৰ মণ্ডল, এম এ চিৰ ই এম মলেন্দ্ৰ নাৰ্জাৰী, প্ৰভাত বসুমতাৰী উপস্থিত থাকিব। বিয়লি ৪ বজাত মনোৰঞ্জন বসুমতাৰীৰ পৰিচালনাত বড়ো জাতীয় সংগঠন সমূহৰ নেতৃবৃন্দৰ অংশগ্ৰহণত ঐক্য,অস্তিত্ব আৰু সৰ্বাঙ্গীণ উন্নয়ন শীৰ্ষক বিষয়ক এখন আলোচনা সভা অনুষ্ঠিত কৰা হ'ব। অনুষ্ঠানৰ তাৎপৰ্য ব্যাখ্যা আগবঢ়াব বিকেডব্লিউএচিৰ ছীফ মিহিনিশ্বৰ বসুমতাৰী আৰু ডেপুটি চীফ ১৩ পৃষ্ঠাত চাওক

# কাৰৈমাৰীত শিক্ষা সজাগতা সভা



অগ্ৰদূত বাৰ্তা

**কয়াকুছি, ২৪ ফেব্ৰুৱাৰী ঃ** বৰপেটা জিলাৰ ভক্তৰডবা সমল কেন্দ্ৰৰ অন্তৰ্গত ১৭৩৯ নম্বৰ হাজী জাফৰ মেমোৰিয়েল এল পি স্কুলত আজি শিক্ষা বিষয়ত এক সজাগতামূলক সভা অনুষ্ঠিত হয়। যোৱা কৰ'নাৰ সময়ছোৱাত শিক্ষাৰ পৰা বঞ্চিত হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ সময়ত ক্ষতি হোৱা শিক্ষাৰ ঘাটি পূৰণৰ বাবে মূলতঃ এইড এট এক্সন নামৰ আন্তৰ্জাতিক বেচৰকাৰী সংস্থা লোৱা পাঠদানৰ ব্যৱস্থাৰ ওপৰত আলোচনা আৰু ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে এইখি সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক ছুলেমান আলী শিকদাৰ সহঃ শিক্ষক হিতেশ ডেকা তথা ৰাইজৰ সহযোগত সভাখন সুকলমে অনুষ্ঠিত হৈ যায়। এইড এট এক্সনৰ জৰিয়তে বিদ্যালয়ত ছাত্ৰ ছাত্ৰীসকলক ক'ভিডৰ সময়ত হোৱা ক্ষতি পূৰণৰ বাবে প্ৰয়োজনীয় প্ৰাথমিক পৰ্যায়ৰ শিক্ষা বিনামূলীয়াকৈ আগবঢ়োৱাৰ উদ্দেশ্য আগত ৰাখি সভাখন অনুষ্ঠিত হোৱা এই সভাত সভাপতিত্ব কৰে ১৩ পৃষ্ঠাত চাওক

# বোকাখাতত ৰাষ্ট্ৰপতিৰ আগমনৰ বাবে যুদ্ধকালীন প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**বোকাখাত, ২৪ ফেব্ৰুৱাৰী ঃ** ভাৰতৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ বাবে বোকাখাত মহকুমা প্ৰশাসন ব্যস্ত হৈ পৰিছে। কাইলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণ কৰিব ৰাষ্ট্ৰপতিজনে। চৰকাৰী সূত্ৰই সদৰী কৰা মতে তেজপুৰৰ পৰা ৰাষ্ট্ৰপতি বোকাখাত নগৰৰ ৰাজহুৱা খেলপথাৰত হেলিকপ্টাৰযোগে অৱতৰণ কৰিব। অস্থায়ী হেলিপেড নিৰ্মাণ কৰাৰ লগতে বাটপথৰ জাবৰ জোঁথৰ পৰিষ্কাৰ কৰা হৈছে। বোকাখাতৰ পৰা ২১ কিলোমিটাৰ ৩৭ নং ৰাষ্ট্ৰীয় পথেৰে গাড়ীৰে গৈ কহৰাত উপস্থিত হ'ব। ইতিমধ্যে বোকাখাতৰ অস্থায়ী হেলিপেডত বায়ু সেনা বাহিনীৰ হেলিকপ্টাৰে অৱতৰণ কৰিছে।

তদুপতি অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক আদিয়ে আহি পৰিদৰ্শন কৰি বুজ লৈছে। কেবিনেট মন্ত্ৰী অতুল বৰাই প্ৰশাসনিক বিষয়াসকলৰ স'তে আলোচনা কৰে। ৰাষ্ট্ৰপতিয়ে হাতীচাফাৰি, জীপচাফাৰি দুয়োটা কৰিব। কহৰাৰ আয়ৰা ৰিজ'ৰ্টত নৈশযাপন কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই অলপতে ২৪৮৯ টা গঁড়ৰখৰ্গ দাহ কৰিছিল। সেই খৰ্গসমূহৰ চিতা ভস্মৰে বিশেষভাৱে নিৰ্মিত গঁড়ৰ প্ৰতিমূৰ্তিৰে ৰাষ্ট্ৰপতিজনক আদৰণি জনোৱা হ'ব। ৰাষ্ট্ৰপতিৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণৰ সময়ত ব্যৱহাৰ কৰিবলৈ ১২ টা হাতী নিৰ্বাচন কৰাৰ লগতে ২০ খন জীপচী সাজু কৰি ৰখা হৈছে। ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত থকা পথসমূহ মেৰামতি কৰা হৈছে। নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। ৰাষ্ট্ৰপতিজনৰ স'তে ৰাজ্যপাল জগদীশ মুখী, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংগ প্ৰদান কৰিব।

# চিৰাঙৰ কাশিকত্ৰা ভিচিডিচিৰ দুৰ্নীতিৰ বাবেই পাঁচ বছৰে অৰ্ধ নিৰ্মিত ঘৰত দৰিদ্ৰ বৃদ্ধ

## ঘৰ সাজি দিবলৈ মুখ্যমন্ত্ৰীলৈ আহ্বান



অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** যোৱা পাঁচ বছৰতকৈ অধিক সময়ৰপৰা অৰ্ধনিৰ্মিত ঘৰত থাকিবলগীয়া হৈছে চিৰাঙৰ এজন লোক। জিলাখনৰ কাশিকত্ৰা ভিচিডিচিৰ অন্তৰ্গত আঠীয়াবাৰী গাঁৱৰ ঘটনা এয়া। দৰিদ্ৰ দিনহাজিৰা কৰি খোৱা আদিবাসী বৃদ্ধজনৰ নাম হোপনা ছোৰেন। প্ৰায় পাঁচ বছৰ পূৰ্বে কাশিকত্ৰা ভিচিডিচিৰ পৰা এটি চৰকাৰী গৃহৰ বনোৱা কাম আৰম্ভ কৰিছিল যদিও আজিলৈ সম্পূৰ্ণ হৈ নুঠিল। নিয়ম অনুসৰি ভিচিডিচিয়ে হিতাধিকাৰি বাছনি কৰি দিয়াৰ পিছত হিতাধিকাৰীৰ বেংক একাউন্টত গৃহ নিৰ্মাণৰ ধন জমা দিয়ে। কিন্তু ভিচিডিচিৰ সভাপতিক দিবলগীয়া হৈছিল ঘৰ নিৰ্মাণ কৰিবলৈ। কাশিকত্ৰা ভিচিডিচি তদানীন্তন সভাপতি অনিৰাম মুছাহাৰীয়ে হিতাধিকাৰী ছোৰেনৰ পৰা টকা ললে ঠিকে, কিন্তু ঘৰহে বনাই নিদিলে। এতিয়া সভাপতিজনৰ ওচৰত গ'লে কয় টকাই নাই বুলি। সেয়ে এইদৰেই অৰ্ধ নিৰ্মিত হৈ আছে ঘৰটো প্ৰায় পাঁচ বছৰৰ পৰা। ঘৰৰ পৰিৱেশ প্ৰত্যক্ষ কৰিলে উপলদ্ধি কৰিব পাৰিব কি পৰিবেশত থাকিবলগীয়া হৈছে বৃদ্ধজন। অৰ্ধ নিৰ্মিত ঘৰটোত যোৱা পাঁচটা বছৰে কষ্টৰে থাকিবলগীয়া হৈছে যদিও চৰকাৰৰ কোনো গুৰুত্বহে নাই। পৰিৱৰ্তন, দুৰ্নীতিমুক্তৰ শ্ল'গানেৰে অসম চৰকাৰ আৰু বিটিচি পৰিষদীয় চৰকাৰ হ'ল যদিও এইসকল লোকৰ কষ্ট নকমিলে। সমস্যা আঁতৰ নহ'ল। সমস্যা সমস্যা হৈয়ে থাকিল। দৰিদ্ৰ বৃদ্ধৰ আবেদন বিটিআৰৰ মুখ্য তথা মুখ্যমন্ত্ৰীয়ে ঘৰটো সজাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। অইন একো বিচৰা নাই। থকাৰ বাবে নিজৰ ঘৰখনহে বিচাৰিছে যিটো চৰকাৰে তেওঁলৈ দিছে। এতিয়া লক্ষ্যণীয় হ'ব দুৰ্নীতিমুক্ত সমাজ গঠন কৰাৰ প্ৰতিশ্ৰুতি দিয়া প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিআৰ প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰে।

# বিপিন চন্দ্ৰ বৰুৱা সোঁৱৰণী বক্তৃতানুষ্ঠান সম্পন্ন



অগ্ৰদূত বাৰ্তা

**আজাৰা, ২৪ ফেব্ৰুৱাৰী ঃ** মহানগৰীৰ ধাৰাপুৰ চাৰিআলীস্থিত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ত বিপিন চন্দ্ৰ বৰুৱা সোঁৱৰণী বক্তৃতানুষ্ঠান আজি সম্পন্ন হয়। অধ্যাপক ড° হজৰত আলীয়ে আঁতধৰা বক্তৃতানুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° ৰাণা শৰ্মাই। ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগৰ উপদেষ্টা অধ্যাপক ড° ননী গোপাল মহন্তই 'শিক্ষানীতি, ভৱিষ্যত প্ৰজন্মৰ সম্ভাৱনা আৰু প্ৰত্যাহ্বা' শীৰ্ষক মূল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানৰ আৰম্ভণীতে ড° নৃপেন্দ্ৰ নাথ মেধিয়ে এটি বৰগীত পৰিবেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° মানৱ ডেকাই সঞ্চালনা কৰা বক্তৃতানুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়াই অধ্যাপিকা মৃন্ময়ী ভট্টাচাৰ্যই

## ভাগৱত ভ্ৰমণত সহস্ৰাধিক ভক্তৰ অংশগ্ৰহণ

# নকাড়ী নৈমিষা ক্ষেত্ৰত অখণ্ড ভাগৱত পাঠ ঃ ধৰ্মালোচনী সভাৰ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** আজিৰে পৰা লখিমপুৰ জিলা বৈদিক সমাজৰ উদ্যোগত উত্তৰ লখিমপুৰ নকাড়ীৰ নৈমিষা ক্ষেত্ৰ (দলনি পথাৰত) ন-দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অখণ্ড ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হৈছে। অনুষ্ঠানৰ পুৱাৰ ভাগৰ কাৰ্যসূচী অনুযায়ী পৰিৱেশ নিকাকৰণ, মণিকূটৰ আসন প্ৰতিষ্ঠা আদিৰ পিছতে ধৰ্মধ্বজা উত্তোলন কৰা হয়। অনুষ্ঠানটোৰ মণিকূটৰ আসন প্ৰতিষ্ঠা আৰু ধৰ্মধ্বজা উত্তোলন কৰে ক্ৰমে শ্ৰীশ্ৰী ঘাৰমৰা সৰু সত্ৰৰ সত্ৰাধিকাৰ বিষ্ণু দেৱ গোস্বামী আৰু অখণ্ড ভাগৱত পাঠৰ উদযাপন সমিতিৰ সভাপতি প্ৰদীপ বৰাই। অনুষ্ঠানৰ মূল আকৰ্ষণ ভাগৱত ভ্ৰমণ উদ্বোধন কৰে স্থানীয় বিধায়ক মানৱ ডেকাই। ভাগৱত ভ্ৰমণ উদ্বোধন কৰি মানৱ ডেকাই কয় যে লখিমপুৰ বৈদিক সমাজৰ উদ্যোগত এনে ধৰ্মীয় অনুষ্ঠানে সমাজত আধ্যাত্মিক উত্তৰণ নিসন্দেহে ঘটাব। উল্লেখযোগ্য যে জিলাৰ বিভিন্ন অঞ্চলৰ পৰা ৬ ভাগ ভাগৱত আনয়ণ আৰু গায়ন-বায়নে সহস্ৰাধিক ভক্তৰ অংশ গ্ৰহণেৰে খোল-তাল কৰি নামৰ ধ্বনিৰে ভাগৱত ভ্ৰমণ কৰা হয়। তেনেদৰে কালিলৈ খোল প্ৰসংগ, নৌকা প্ৰতিষ্ঠা নাম প্ৰসংগ, স্মৃতিগ্ৰন্থ উন্মোচন, ভাগৱত পাঠ আৰু অনুষ্ঠানৰ অন্তিম দিনালৈকে আধ্যাত্মিক উৎকৰ্ষ সাধনৰ কাৰ্যসূচী ৰখা বুলি উদযাপন সমিতিয়ে জানিবলৈ দিয়ে।

### জামুগুৰিহাটৰ শিল্পী, নাট্যকাৰ লিখক নাথৰ কৃতিত্ব

# 'অন্ধকাৰৰ ধূসৰ মুখ' ছবিয়ে কঢ়িয়াই আনিছে ৰাষ্ট্ৰীয় বঁটা

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৪ ফেব্ৰুৱাৰী ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ এগৰাকী উদীয়মান শিল্পী, নাট্যকাৰ, পৰিচালক লিখক নাথৰ এখন কথাছবিয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ ছবি মহোৎসৱত শ্ৰেষ্ঠ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ২০০৫ ৰ পৰা বৰ্তমান সময়লৈকে সংস্কৃতিৰ পথাৰখনত সাহিত্য আৰু সংস্কৃতিৰ চৰ্চা কৰি থকা গীতিকাৰ, নাট্যকাৰ তথা পৰিচালক লিখক নাথৰ ''অন্ধকাৰৰ ধূসৰ মুখ'' নামৰ শেহতীয়া ছবিখনে কলকাতাত অনুষ্ঠিত আই চি এম এফ এফ নামৰ এটি ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ছবি মহোৎসৱত 'বেষ্ট ৰিয়েলিষ্টিক ড্ৰাৰ্মা ফিল্ম' ৰূপে পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। মহোৎসৱত মুঠ বাৰটা ভাষাৰ প্ৰায় ৩৫০ খন ছবিয়ে অংশ গ্ৰহণ কৰিছিল। বিগত সময়ছোৱাত লিখক নাথে সংস্কৃতিৰ বলুকালৈ 'ৰ'দালি' নামৰ এখন কাব্য সংকলন, নৃত্যনাটিকা, হিন্দী আৰু অসমীয়াত বহুতো গীত লিখি সুৰ দিয়াৰ উপৰিও একাংকিকা আৰু পূৰ্ণাংগ নাটককে ধৰি মুঠ ১৫ খন নাটক আগবঢ়াই আহিছে। তেওঁ ন খন চুটি ছবি, এখন ভিচিডি আৰু এখন পূৰ্ণাংগ কথা ছবিৰ কাহিনী, চিত্ৰনাট্য, সংলাপ আৰু পৰিচালনা কৰি দৰ্শকৰ বিপুল সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। লেখক নাথে মুকাভিনয়, মঞ্চ অভিনয়ৰ উপৰিও কেইবাখনো নৃত্য নাটিকা আৰু নাটক পৰিচালনা কৰি অসমৰ বিভিন্ন ঠাইত মঞ্চস্থ কৰে। প্ৰাণমিত্ৰ বৰাৰ কাহিনীৰে পুৰস্কাৰ প্ৰাপ্ত ছবিখনৰ চিত্ৰনাট্য, সংলাপ আৰু পৰিচালন আছিল লিখক নাথৰ সংগীত পৰিচালনা লিখক নাথ আৰু প্ৰীতম কাশ্যপৰ। ছবিখনত ন-পুৰণি বহুতো অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰি ছবিখনক অন্যান্য মাত্ৰা প্ৰদান কৰিছে। অসমৰ সাংস্কৃতিক জগতখনলৈ উদীয়মান শিল্পী লিখক নাথে আগবঢ়োৱা অৱদানৰ বাবে জামুগুৰিহাটৰ সাংস্কৃতিক প্ৰেমী ৰাইজে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে।

### টিহুত বিজেপি-অগপ মিত্ৰজোঁটৰ নিৰ্বাচনী কাৰ্যালয় মুকলি

# বিজেপিয়ে সমাজ তথা দেশ নিৰ্মাণৰ বাবেহে ক্ষমতাত অধিষ্ঠিত হৈছে



অগ্ৰদূত বাৰ্তা

**টিহু, ২৪ ফেব্ৰুৱাৰী ঃ** 'বিজেপিয়ে অকল ক্ষমতাৰ বাবে নহয় সমাজ তথা দেশ নিৰ্মাণৰ বাবেহে ক্ষমতাত অধিষ্ঠিত হৈছে।' কালি সন্ধিয়া টিহুত বিজেপি-অগপৰ মিত্ৰ জোঁটৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰি মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে এইদৰে কয়। কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত মন্ত্ৰীজনে সকলোৰে ঐক্যবদ্ধ হৈ আগুৱাই যোৱাটো বিজেপিৰ দৰ্শন বুলি প্ৰকাশ কৰে। এনে দৰ্শনৰ আধাৰত বিজেপিৰ-অগপৰ মিত্ৰতা হৈছে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মন্ত্ৰীজনে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ বিষয়ে উল্লেখ কৰি ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ উন্নয়নৰ বিভিন্ন আঁচনিৰ বিষয়েও অৱগত কৰে। তেওঁ টিহু নগৰৰ উন্নয়নত গুৰুত্ব আৰোপ কৰি বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক জয়যুক্ত কৰিবলৈ আহ্বান জনায়। বিজেপিৰ টিহু মণ্ডল সমিতিৰ সভাপতি জ্যোতিষ শৰ্মাই আঁত ধৰা সভাত নলবাৰী জিলা পৰিষদৰ সভাপতি নিতুল ডেকা, বিজেপি নলবাৰী জিলা সমিতিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, নলবাৰী জিলা অগপৰ সম্পাদক কেশৱ ডেকা, টিহু নগৰ অগপৰ সভাপতি চাণক্য চৰণ কলিতা আদিয়ে বক্তব্য আগবঢ়াই টিহু নগৰৰ উন্নয়নৰ স্বাৰ্থত বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক পৌৰসভাৰ নিৰ্বাচনত জয়যুক্ত কৰিবলৈ আহ্বান জনায়। সভাত জ্যেষ্ঠ বিজেপি নেতা কুমুদ ভট্টাচাৰ্য, পুলক শৰ্মা, মোহন চন্দ্ৰ কলিতাকে ধৰি টিহু নগৰৰ দহটা ৱাৰ্ডৰ বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকল উপস্থিত থাকে। অনুষ্ঠানত টিহু নগৰৰ ১০ টা ৱাৰ্ডৰ বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীসকলক মন্ত্ৰীজনে ভৱিষ্যতে দুৰ্নীতিৰ পৰা আঁতৰত থাকিব বুলি শপত বাক্য পাঠ কৰায়।

# আজি জুৰীয়ালৈ পৱিত্ৰ মদিনা শ্বৰিফৰ ইমাম

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২৪ ফেব্ৰুৱাৰী ঃ** সুদূৰ ছৌদি আৰবৰ পৱিত্ৰ মদিনা শ্বৰিফৰ ইমাম কাইলৈ আহি উপস্থিত হ'ব নগাঁও জিলাৰ জুৰীয়াত। কাইলৈ শুকুৰবৰীয়া জুম্মাৰ নামাজত অংশগ্ৰহণ কৰিব মদিনা শ্বৰিফৰ ইমাম ড° হজৰত শ্বেখ মহম্মদ বিন ইছমাইল বিন মাহমুদ আল আলী চাহাব। বিশ্ব বিখ্যাত ইমান

### শুকুৰবৰীয়া জুম্মাৰ নামাজত অংশ ল'বলৈ সমবেত হ'ব ৰাজ্যৰ লক্ষাধিক ভক্তপ্ৰাণ ৰাইজ

তথা ইছলামিক পণ্ডিতজনক আদৰিবলৈ জুৰীয়াবাসীয়ে চলোৱা ব্যাপক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। এই লৈ বৃহত্তৰ জুৰীয়াত ভক্তপ্ৰাণ ৰাইজৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনাও বিৰাজ কৰা পৰিলক্ষিত হৈছে। জুৰীয়া বজাৰৰ সমীপৰ বগুৰিগুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত হ'ব লগা পৱিত্ৰ জুম্মাৰ নামাজত সমগ্ৰ অসমৰ প্ৰায় এক লাখ লোকে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জনাইছে। অনুষ্ঠান সফল কৰাৰ বাবে ইতিমধ্যে এখন বৃহৎ মণ্ডপ সাজি উলিয়াইছে উদ্যোক্তাসকলে। নামাজৰ পাছত জুৰীয়াৰ সমীপৰ ধিং গাঁও তালিমূল কোৰয়ান হাফিজীয়া মিছন মাদ্ৰাছাৰ উদ্যোগত উক্ত খেলপথাৰত ১৯ সংখ্যক দস্তৰবন্ধী আৰু বিশ্ব শান্তিৰ বাবে এখন মেহফিল আৰু দোৱাৰ আয়োজন কৰা হৈছে। উক্ত মেহফিলত মদিনা শ্বৰিফৰ ইমাম চাহাব উপস্থিত থকাৰ লগতে উপস্থিত থাকিব বহিঃৰাষ্ট্ৰ বাংলাদেশৰ কে'বাগৰাকী ইছলামিক পণ্ডিত।

# কমাৰগাঁৱত আৰক্ষী থানাৰ সমীপৰ দুটা নামঘৰত চুৰিকাণ্ড

**খুমটাই, ২৪ ফেব্ৰুৱাৰী ঃ** গোলাঘাট জিলাৰ কমাৰগাঁও আৰক্ষী থানাৰ সমীপতে দুটা নামঘৰত নিশা চোৰে চুৰি কাৰ্য সংঘটিত কৰে। উল্লেখ্য যে কমাৰগাঁও আৰক্ষী চকীৰ পৰা প্ৰায় তিনিশ মিটাৰ আঁতৰত থকা সোণোৱাল গাঁও ৰাজহুৱা নামঘৰৰ মণিকূটৰ দৰ্জাৰ তলা ভাঙি চোৰে কাঁহৰ বাছন-বৰ্তন, শৰাই, অৰ্চনি, ধন নিয়াৰ লগতে সোণোৱাল গাঁৱৰ শংকৰজ্যোতি প্ৰাথমিক শাখাৰ নামঘৰৰ গ্ৰিল আৰু মণিকূটৰ দৰ্জাৰ তলা কাটি নামঘৰৰ মূল্যবান বাচন-বৰ্তন, দানপাত্ৰৰ ধন লৈ যায়। তাৎপৰ্যপূৰ্ণ বিষয় যে খুমটাই আৰু কমাৰগাঁও আদি অঞ্চলসমূহত দীৰ্ঘদিন ধৰি বহুকেইটা নামঘৰত নিশা চোৰে চুৰিকাৰ্য সংঘটিত কৰিছে যদিও আজি পৰ্যন্ত আৰক্ষীয়ে নামঘৰসমূহৰ চুৰিকাণ্ড সংঘটিত কৰা এটাও চোৰৰ শুংসূত্ৰ উলিয়াব নোৱাৰাত সচেতন মহলে আৰক্ষীৰ ভূমিকাক কঠোৰ ভাষাৰে সমালোচনা কৰিছে।

# জুৰীয়াত পিএনবি বেংকত উত্তপ্ত পৰিস্থিতি

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২৪ ফেব্ৰুৱাৰী ঃ** এইখন অসমতেই অসমীয়া ভাষাক সমাধিস্থ কৰাৰ ষড়যন্ত্ৰ বহিঃৰাজ্যৰ এগৰাকী বেংক বিষয়াৰ। এই লৈ জুৰীয়াত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উত্থাপিত অভিযোগ অনুসৰি, পঞ্জাৱ নেছনেল বেংক জুৰীয়া শাখাৰ প্ৰবন্ধকজনে গ্ৰাহকক অসমীয়া ভাষাৰ পৰিৱৰ্তে হিন্দী ভাষা ব্যৱহাৰ কৰিবলৈ গ্ৰাহকসকলক ধমক দিয়াক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আনকি প্ৰবন্ধকজনে একাংশ গ্ৰাহকক দুৰ্ব্যৱহা কৰৰো অভিযোগ উঠিছে। দীৰ্ঘ সময় গ্ৰাহক আৰু বেংক শাখাটোৰ প্ৰবন্ধকৰ মাজত উত্তপ্ত বাক্যবাণৰ পাছত জটিল পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ জুৰীয়া আৰক্ষী উপস্থিত হ'ব লগা হয়।

### অসমীয়া ভাষাৰ পৰিৱৰ্তে হিন্দী ভাষা ক'বলৈ বাধ্য কৰোৱাক লৈ এই পৰিস্থিতি

## সৰুপথাৰৰ পৌৰসভা নিৰ্বাচনত বিজেপিৰ প্ৰচাৰ তুংগত

# অসমত বিৰোধী দল নাই, দুই একে নাক বচাবৰ বাবেহে প্ৰাৰ্থিত্ব আগবঢ়াইছে ঃ তাছা



**সৰুপথাৰ, ২৪ ফেব্ৰুৱাৰী ঃ** সৰুপথাৰত বিজেপিৰ পৌৰসভা নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে। আজি সৰুপথাৰত উপস্থিত হয় ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা। সাংসদজনে বিধায়ক বিশ্বজিৎ ফুকন আৰু গোলাঘাট জিলা বিজেপিৰ সভাপতি দেৱপ্ৰতিম বৰাৰ স'তে সৰুপথাৰ নগৰৰ কেইবাখনো নিৰ্বাচনৰ বিজেপিৰ প্ৰচাৰ সভাত পৌৰসভা ভাগ লয়। সৰুপথাৰ পৌৰসভাৰ অন্তৰ্গত কেইবাটাও ৱাৰ্ডৰ নিৰ্বাচনী সভাত ভাগ লৈ সাংসদ তাছাই সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ হাত শক্তিশালী কৰা আৰু সৰুপথাৰ নগৰৰ সৰ্বাংগীন উন্নয়নৰ স্বাৰ্থত বিজেপিৰ আটাইকেইগৰাকী প্ৰাৰ্থীক বিপুল ভোট প্ৰদান কৰিবলৈ ৰাইজক আহ্বান জনায়। লগতে বিধায়ক ফুকনেও ৰাইজক উদ্দেশ্যি সৰুপথাৰ সমষ্টিত তেওঁ কৰিবলগীয়া বিভিন্ন উন্নয়নমূলক কামৰ বিষয়ে ৰাইজৰ আগত সদৰী কৰে আৰু ২০২৪ৰ ভিতৰত সৰুপথাৰ সমষ্টিক অসমৰ এখন জাকত জিলিকা সমষ্টিলৈ ৰূপান্তৰ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। সেয়েহে সৰুপথাৰ নগৰক আকৰ্ষণীয় আৰু সুন্দৰ নগৰ হিচাপে গঢ়ি তোলাৰ স্বাৰ্থত বিজেপি মিত্ৰজোঁটৰ সকলো প্ৰাৰ্থীক বিজয়ী কৰাবলৈ আহ্বান জনায়। সাংসদ তাছাই কয় যে অসমত বিৰোধী দল বুলিবলৈ নাই। মাত্ৰ দুই একে নিজৰ নাক বচাবৰ বাবেহে পোষ্টাৰ-বেনাৰ লগাইছে। সৰুপথাৰৰ ৰাইজে এজন সুন্দৰ আৰু দক্ষ বিধায়ক পাইছে। গতিকে এই পৌৰসভা নিৰ্বাচনত সৰুপথাৰ নগৰৰ সৰ্বাঙ্গীণ উন্নয়নৰ লগতে বিধায়ক ফুকনৰ হাত অধিক শক্তিশালী কৰিবৰ বাবে সকলো ৰাইজ ওলাই আহিছে। সেয়েহে সৰুপথাৰ পৌৰসভা নিৰ্বাচনত বিজেপি দলে আটাইকেইখন আসনতেই বিপুল ভোটত জয়লাভ কৰিব।

# আমগুৰি পৌৰসভাৰ দুই নম্বৰ ৱাৰ্ডৰ ভোটদাতাৰ নাজল-নাথল অৱস্থা



অগ্ৰদূত বাৰ্তা

**আমগুৰি, ২৪ ফেব্ৰুৱাৰী ঃ** শিৱসাগৰ জিলাৰ আমগুৰি পৌৰসভাৰ একাংশ পৌৰ নাগৰিকে আজিও মান্ধাতা যুগতে বাস কৰিছে। নগৰখনৰ দুই নম্বৰ ৱাৰ্ডৰ লোকসকলৰ স্বাস্থ্যৰ প্ৰতি নামি আহিছে চৰম ভাবুকি। এই ৱাৰ্ডৰ তথা জাঁজী নৈৰ কাষৰীয়া তথা শান্তিবন শ্মশানৰ সমীপৱৰ্ত্তী লোকসকলে এটুপি খোৱা পানী আৰু এধানি পোহৰৰ বাবে হাহাকাৰ কৰিবলগীয়া অৱস্থা হৈছে। ৱাৰ্ডটোৰ প্ৰায় ২০-৩০ ঘৰ লোকে খৰালি জাঁজী নদীৰ বালিত গাঁত খান্দি পানী সংগ্ৰহ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। বাৰিষা হ'লে দুই কিলোমিটাৰ আঁতৰৰ নগৰৰ পানী যোগান আঁচনিৰ টেপৰপৰা পানী আনিব লাগে। বিগত ২০/৩০ বছৰ ধৰি এইদৰে নাগৰিকসকলে পানীৰ বাবে জীয়াতু ভুগিব লগীয়া হৈছে। যাৰ বাবে তেওঁলোক স্বাস্থ্যজনিত বেমাৰতো ভুগিছে। বিভিন্ন ধৰণৰ বেমাৰ আজাৰ তথা বিজাণু কঢ়িয়াই অনা এই পানীয়ে বহুতো লোকক ৰুগীয়া কৰি তুলিছে। অন্যহাতে এইখিনি লোকৰ বাবে জলজীৱন আঁচনিয়ো সফল হৈ নুঠিল বুলি স্থানীয় ৰাইজে অৱগত কৰে। আমগুৰি পৌৰসভাৰ অৱহেলাৰ ফলশ্ৰুতিত ৰাইজে এটুপি বিশুদ্ধ পানীৰ পৰাও বঞ্চিত হৈছে। সমাগত নিৰ্বাচনৰ সময়ত ভোট বিচাৰি পিছত তেওঁলোকৰ ভোটেৰে নিৰ্বাচিত হোৱা পৌৰসভাৰ ৱাৰ্ড সদস্যসকলে এই লোকসকলৰ প্ৰতি কোনোধৰণৰ দায়িত্ব পালন নকৰাটো পৰিতাপৰ কথা। পানী যোগানৰ লগতে বিদ্যুতৰো নাই কোনো ব্যৱস্থা। চৰকাৰী মাটিত বাস কৰা এই সকললোক নামত পৌৰ নাগৰিক যদিও সকলো সুবিধাৰপৰা বঞ্চিত হৈ এক যন্ত্ৰণাদায়ক জীৱন যাপন কৰিছে। নিৰ্বাচনৰ সময়তহে ৰাজনৈতিক দলবোৰে তেওঁলোকলৈ মনত পেলায়।

### জাঁজী নৈৰ বালি খান্দি খাব লাগে পানী, নাই বিদ্যুৎ যোগান

## ■ বঙাইগাঁও শোধনাগাৰত পুষ্প প্ৰদৰ্শনীৰ সামৰণি

# নানাৰঙী ফুলেৰে জাতিষ্কাৰ ৰত্নপীঠ উদ্যান

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** বঙাইগাঁও শোধনাগাৰে ঔদ্যোগিক যান্ত্ৰিকতাৰ মাজত প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰি ক্ষণিক নিৰ্মল প্ৰশান্তিৰ সন্ধানত আয়োজন কৰা চাৰিদিনীয়া পুষ্প প্ৰদৰ্শনীৰ যোৱা ২২ ফেব্ৰুৱাৰীত সামৰণি পৰে। শোধনাগাৰ উপনগৰীস্থিত ৰত্নপীঠ উদ্যানত আয়োজিত বহু প্ৰতীক্ষিত দ্বাদশ পুষ্প প্ৰদৰ্শনীখন যোৱা ১৯ ফেব্ৰুৱাৰীত এক আড়ম্বৰ অনুষ্ঠানত উদ্বোধন কৰে বঙাইগাঁও শোধনাগাৰৰ কাৰ্যবাহী সঞ্চালক তথা শোধনাগাৰ প্ৰমুখ এছ পি





বৰুৱাই। অনুষ্ঠানত মুখ্য মহাপ্ৰবন্ধক (টি এছ এণ্ড এইছ এছ ই) এছ বি লহকৰ, মুখ্য প্ৰবন্ধক (কাৰিকৰী) জে জে দাস, মুখ্য মহাপ্ৰবন্ধক (বিত্ত) কে ভি এছ, আই অ' এ আৰু বি জি আৰ ই ইউৰ প্ৰতিনিধিসকলৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসহ বিশিষ্ট লোকসকল উপস্থিত থাকে। উদ্বোধনী ভাষণত এছ পি বৰুৱাই শোধনাগাৰে প্ৰতিবছৰে আয়োজন কৰি অহা পুষ্প প্ৰদৰ্শনীৰ জৰিয়তে উপনগৰীবাসীৰ লগতে স্থানীয় লোকসকলক পৰিৱেশ সংৰক্ষণৰ প্ৰতি উৎসাহিত কৰা বুলি মন্তব্য কৰে। ফুলৰ প্ৰদৰ্শনীখন হৈছে এক অনুষ্ঠান যিটো উপনগৰীবাসী আৰু চুবুৰীয়া অঞ্চলৰ লোকসকলে প্ৰতি বছৰে আগ্ৰহেৰে অপেক্ষা কৰে, কিয়নো এই বছৰটোৰ এটা সময় য'ত বিভিন্ন ৰঙৰ বিভিন্ন ধৰণৰ ফুল ফুলে আৰু উৎসাহী উপনগৰীবাসীসকলৰ সৃষ্টিশীল প্ৰতিভা দৰ্শকৰ বাবে প্ৰদৰ্শিত কৰে। অনুষ্ঠানৰ সময়ত ২৮ টা বিভিন্ন বিভাগত আয়োজিত প্ৰতিযোগিতাৰ বিজয়ীসকলৰ নামসমূহ প্ৰৱন্ধক (চিভিল) শ্বেটেংকৰে ঘোষণা কৰে। উপ-মহাপৰিদৰ্শক (চিভিল) ৰূপা টাইকামে আদৰণি ভাষণ প্ৰদান কৰে।






### ৰঞ্জী ট্ৰফীৰ দ্বিতীয় মেচতো ন ৰাণৰ বাবে শতকৰ পৰা বঞ্চিত হ'ল ৰিয়ান পৰাগ

# উত্তৰ প্ৰদেশৰ বিৰুদ্ধে অসমৰ ২৬৫



**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** প্ৰথম মেচৰ দৰেই দ্বিতীয় মেচতো চাপৰ বাবেই শতকৰ পৰা বঞ্চিত হ'ল অসমৰ ৰিয়ান পৰাগ। উল্লেখ্য যে চলিত ৰঞ্জী ট্ৰফীৰ আজিৰে পৰা হোৱা মেচত অসম ক্ৰিকেট দল নিজৰ দ্বিতীয় মেচত মুখামুখি হৈছে উত্তৰ প্ৰদেশৰ। হাৰিয়ানাৰ বংশীলাল ক্ৰিকেট ষ্টেডিয়ামত হোৱা মেচত টছত হাৰি পোনতে বেটিং কৰা অসমে প্ৰথমদিনাই 265 ৰাণ কৰি প্ৰথম ইনিংছ সামৰে। ৰিয়ানে 79 বলত পাঁচটা ছিক্সাৰ আৰু 10 টা বাউণ্ডেৰীসহ 91 ৰাণ কৰি আউট হয়। ৰিয়ানৰ বিস্ফোৰক ইনিংছে অসমক উদ্ধাৰ কৰিব নোৱাৰিলেও সুখী কৰিছে প্ৰায় চাৰি কৌটি টকা দি ক্ৰয় কৰা আই পি এল দল ৰাজস্থান ৰয়েলছক। আচলতে, ৰঞ্জী ট্ৰফীত প্ৰথমে বেটিং কৰিলে দলটোৱে কমেও চাৰিশ ৰাণ কৰাটো প্ৰয়োজন। গকুল শৰ্মাৰ (49] লগত ৰিয়ানে বেটিং কৰি থকা সময়ত মেচ অসমৰ আয়ত্বত আছিল যদিও তেওঁৰ আসন্ন আই পি এলৰ অনুশীলনৰ বেটিঙে তাৎক্ষনিকভাবে ৰাজ্যৰ দলটোক বিপদত পেলায়। ইয়াৰপূৰ্বে অসমক সুন্দৰ আৰম্ভণি দিছিল দুই অপেনাৰ শুভম মণ্ডল (56] আৰু ঋষভ দাসে (30] ¼ কিন্তু ব্যৰ্থ হয় পল্লৱ দাস (5] , ছাহিল জৈন (1] আৰু কুনাল শইকীয়া (1] ¼ ইফালে, প্ৰথমদিনাৰ খেলৰ অন্তত উত্তৰ প্ৰদেশে প্ৰথম ইনিংছত কোনো উইকেট নেহেৰুৱাকৈ 10 ৰাণ কৰে। আজি অসমৰ হৈ ৰঞ্জী অভিযেক কৰে বৰপেটাৰ হৃদ্বীপ ডেকাই। উল্লেখ্য যে ৰঞ্জী ট্ৰফীৰ ছিজনৰ প্ৰথমখন মেচতে ইনিংছ ব্যৱধানত পৰাজয়ৰ সন্মুখীন হোৱা অসম ক্ৰিকেট দলৰ বাবে এই মেচ অতি গুৰুত্বপূৰ্ণ। কোৱাৰ্টাৰ ফাইনেললৈ উত্তৰণ অসমৰ বাবে কঠিন প্ৰত্যাহ্বান। কিন্তু তাতকৈয়ো দলৰ সন্মুখত থকা নতুন সমস্যা হ'ল এলিটৰ পৰা প্লেটলৈ অৱনমনৰ চাপ। সেয়ে এই মেচত অসমে পইণ্ট লোৱাটো অতিকৈ জৰুৰী। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ বিৰুদ্ধে খেলা প্ৰথম মেচখনত ফল'অনৰ সন্মুখীন হোৱা অসমে অন্তিম দিনা 160 ৰাণত দ্বিতীয় ইনিংছ সামৰে আৰু এক ইনিংছ সাত ৰাণত পৰাস্ত হয়। মেচখনত মহাৰাষ্ট্ৰৰ 415 ৰাণৰ প্ৰত্যুত্তৰত অসমে 248 ৰাণত প্ৰথম ইনিংছ সামৰে আৰু ফল'অনৰ সন্মুখীন হৈছিল। দ্বিতীয় ইনিংছত অসমৰ হৈ ৰিয়ানে 56, স্বৰূপমে 38 আৰু ঋষভে 34 ৰাণ কৰাৰ বিপৰীতে ব্যৰ্থ হয় শুভম মণ্ডল (8], ছাহিল জৈন (1] আৰু গকুল শৰ্মা (0] ¼ প্ৰথম ইনিংছতো অসমৰ বেটছমেনে প্ৰত্যাসিত প্ৰদৰ্শন কৰাত সফল নহ'ল। ৰিয়ানে 88, শুভমে 49 আৰু কুনাল শইকীয়াই 46 ৰাণ কৰে। ব্যৰ্থ হয় ঋষভ (14] , গকুল (5] , স্বৰূপম (5] আৰু ছাহিল (4] ¼ ইফালে, বলিঙত অসমৰ মুখতাৰ হুছেইনে পাঁচটা উইকেট পায়। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফীত এইবাৰ এলিট গ্ৰুপত খেলা অসমে গ্ৰুপত প্ৰতিদ্বন্দী হিচাপে পাইছে বিদৰ্ভ, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰক। 24-27 ফেব্ৰুৱাৰীলৈ দ্বিতীয় মেচত অসম উত্তৰ প্ৰদেশৰ মুখামুখি হোৱাৰ পাছত বিদৰ্ভৰ বিৰুদ্ধে অসমে তৃতীয়খন মেচ খেলিব তিনিৰ পৰা ছয় মাৰ্চলৈ।



## টি-২০ শৃংখলাৰ প্ৰথম মেচত ভাৰতৰ জয়লাভ

**লক্ষ্ণৌ, ২৪ ফেব্ৰুৱাৰী ঃ** ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাৰ প্ৰথমখন মেচ 62 ৰাণত জয়ী হৈ শৃংখলাত 1-0 ৰ অগ্ৰগতি লৈছে। আজি লক্ষ্ণৌত অনুষ্ঠিত হোৱা মেচত টছত হাৰি বেটিং কৰা ভাৰতে 20 অভাৰত দুই উইকেটৰ বিনিময়ত 199 ৰাণ কৰে। ভাৰতৰ হৈ বেটিং মুকলি কৰা ৰোহিত শৰ্মা (44] আৰু ইযান কিষানে (89] 111 ৰাণৰ যুটি বান্ধি দলক বিস্ফোৰক আৰম্ভনি দিয়ে। আনহাতে, শ্ৰেয়াছ আয়াৰে কৰে 57 ৰাণ। প্ৰত্যুত্তৰত শ্ৰীলংকাই 137-6 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ আছালাংকাই সৰ্বাধিক 53 ৰাণ কৰাৰ বিপৰীতে ভাৰতৰ ভুৱনেশ্বৰ কুমাৰ আৰু ভেংকটেশ আয়াৰে দুটাকৈ উইকেট দখল কৰে। আজি ভাৰতৰ হৈ টি-20 মেচত অভিযেক কৰে দীপক হুদাই। উল্লেখ্য যে ভাৰতে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটো 3-0 ৰ ব্যৱধানৰে দখল কৰি মানসিক ৰূপত দৃঢ় হৈ শক্তিশালী স্থিতিত আছে । সদ্য ঘো িত আই চি চিৰ টি-20 ৰেংকিঙৰ শীৰ্ষস্থানত উপনীত হৈছে টীম ইণ্ডিয়া। চলিত শৃংখলাৰ বাকী থকা মেচ দুখন 26, 27 ফেব্ৰুৱাৰীত ধৰমশালাত হ'ব।

### এ চি এ নিৰ্মাণ কৰিছে নেহৰু ষ্টেডিয়ামৰ ফুটবল খেলপথাৰ

## ৰেলৱে দল, অধিনায়ক, প্ৰশিক্ষকৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ এ চি এৰ



**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাই আয়োজন কৰা সদ্য সমাপ্ত 19 বছৰ অনূৰ্ধ্ব আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা জে কে বৰুৱা ট্ৰফীৰ যোৰহাট আৰু ৰেলৱেৰ লীগ মেচখনক লৈ শিলচৰে যি মেচ ফিক্সিঙৰ অভিযোগ দিছিল সেয়া এ চি এ নিজে তদন্ত কৰাৰ পাছত নস্যাৎ কৰিছে। আজি হোৱা এক সংবাদ মেলত এ চি এৰ সম্পাদক দেৱজিৎ শইকীয়াই কয় যে তদন্তত ফিক্সিঙৰ কোনো কথা পোহৰলৈ নাহিল। কিন্তু মেচখনত ৰেলৱে দলৰ আচৰণ সন্দেহজনক আছিল। সেয়া ৰেলৱে আৰু শিলচৰৰ দন্দ্বৰ বাবেই হোৱা বুলি অনুমান কৰিব পাৰি। কিন্তু ফিক্সিং বুলি ক'লে যোৰহাটৰ প্ৰদৰ্শনত মিছাকৈ দাগ পৰিব। সেয়ে মেচ ফিক্সিঙৰ অভিযোগ এ চি এ খণ্ডন কৰিছে। কিন্তু ৰেলৱে দলে ক্ৰীড়াসুলভ আচৰণত আঘাত হনাৰ বাবে 19 বছৰ অনূৰ্ধ্ব ৰেল'ৱে দলটোক তিনি বছৰৰ বাবে এ চি এৰ সকলো খেলৰ পৰা নিষিদ্ধ কৰা হৈছে। তদুপৰি দলৰ প্ৰশিক্ষক তথা মেনেজাৰ সত্যব্ৰত চক্ৰৱৰ্তীক এ চি এ আজীৱন নিষিদ্ধ কৰিছে। আনহাতে, ৰেলৱেৰ অধিনায়ক ৰোনিত আখতাৰকো তিনি বছৰৰ বাবে নিষিদ্ধ কৰিছে এ চি এ। উল্লেখ্য যে ফিক্সিঙৰ অভিযোগৰ পাছতে তাৎক্ষনিকভাবে তদন্ত ঘোষণা কৰিছিল অসম ক্ৰিকেট সন্থাই। যোৱা 23 ফেব্ৰুৱাৰীত এই বিষয়ে অসম ক্ৰিকেট সন্থাই তিনিওখন জিলাৰ প্ৰতিনিধি, দলৰ মেনেজাৰ-অধিনায়ক, মেচৰ আম্পায়াৰদ্বয় লগতে প্ৰৰ্যবেক্ষক আৰু সাংসদ সুস্মিতা দেবকো উপস্থিত হ'বলৈ পত্ৰ প্ৰেৰণ কৰিছিল। কিন্তু ৰাজনৈতিক স্বাৰ্থত হৈ-চৈ কৰা সাংসদ সুস্মিতা দেব ৰহস্যজনকভাবে অনুপস্থিত থাকে। উল্লেখ্য যে সাংসদ সুস্মিতা দেবেই মেচ ফিক্সিঙৰ অভিযোগ মুখ্যমন্ত্ৰীক তদন্ত কৰিবলৈ পত্ৰ দিছিল। ইফালে, অলপতে নেহৰু ষ্টেডিয়ামত হৈ যোৱা এক পৰিকল্পিত অথচ অপৈনত ফুটবল খেলুৱৈৰ আন্দোলন সন্দৰ্ভতো আজি এ চি এ নিজৰ স্থিতি স্পষ্ট কৰে। উল্লেখ্য যে ফুটবল আন্দোলনকাৰীয়ে এ চি এক দোষাৰোপ কৰি মিডিয়াক নানান অভিযোগ দিছিল ৰাজ্যৰ ফুটবল দুৰস্থাৰ বাবে। এই সন্দৰ্ভত সংবাদ মেলত এ চি এৰ সম্পাদক দেৱজিৎ শইকীয়াই কয় যে নেহৰু ষ্টেডিয়ামক নতুন ৰূপ দিয়াত অসম ক্ৰিকেট সন্থাই সক্ৰিয় পদক্ষেপ লৈছে। নেহৰু ষ্টেডিয়ামত ক্ৰীড়া বিভাগৰ অনুৰোধত এ চি এ দুখন ফুটবল খেলপথাৰ আৰু চাৰিখন ক্ৰিকেট উইকেট নিৰ্মান কৰাৰ লগতে অন্য আন্তগাঠনিও নিৰ্মান কৰিছে। নেহৰু ষ্টেডিয়াম ব'ৰ্ড স্পৰ্টছৰ অধীনত আছে আৰু এ চি এ ভাড়া লৈ ৰঞ্জী মেচ আয়োজন কৰিছে। এ চি এ নিজেই তিনিচুকীয়াত ক্ৰিকেট আৰু ফুটবল খেলপথাৰ নিৰ্মান কৰাৰ কামত আগবঢ়াৰ লগতে অসম ফুটবল সন্থাক আৰ্থিক সাহায্যও প্ৰদান কৰিছে।

### বৰ্ষাপাৰাত দিল্লীৰ বিৰুদ্ধে বেটিং ব্যৰ্থতা ঝাৰখণ্ডৰ

## ৰঞ্জী ট্ৰফীত ব্যৰ্থ টীম ইণ্ডিয়াৰ তিনি জ্যেষ্ঠ সদস্য পূজাৰা, ৰাহানে, ঈশান্ত



**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** ৰঞ্জী ট্ৰফীৰ নিজৰ দ্বিতীয় মেচতো বেটিং ব্যৰ্থতাৰ সন্মুখীন হৈছে ঝাৰখণ্ড। উল্লেখ্য যে গুৱাহাটীৰ এ চি এৰ বৰ্ষাপাৰা ষ্টেডিয়ামত আজিৰে পৰা হোৱা ৰঞ্জী ট্ৰফীৰ মেচত দিল্লী মুখামুখি হৈছে ঝাৰখণ্ড। প্ৰথমদিনা পোনতে বেটিং কৰা ঝাৰখণ্ডে 251 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ অধিনায়ক বিৰাট সিঙে (103] শতক অৰ্জন কৰে। ইফালে, দিনান্তত প্ৰথম ইনিংছ আৰম্ভ কৰা দিল্লীয়ে য়াছ ধুলৰ (5] উইকেটতো হেৰুৱাই 28 ৰাণ কৰিছে। উল্লেখ্য যে এই মেচত দিল্লীৰ হৈ অংশ লৈছে টীম ইণ্ডিয়াৰ জেষ্ঠ সদস্য ঈশান্ত শৰ্মাই। কিন্তু আজি ভাৰতৰ দুই জ্যেষ্ঠ সদস্য মুম্বাইৰ অজিংক্য ৰাহানে (0 গোৱাৰ বিৰুদ্ধে) আৰু সৌৰাষ্ট্ৰৰ চেতেশ্বৰ পূজাৰা (8 ওড়িছাৰ বিৰুদ্ধে) বেটিঙত ব্যৰ্থ হোৱাৰ লগতে ঈশান্তেও প্ৰথম ইনিংছত উইকেট লাভ নকৰিলে। ভাৰতীয় দললৈ প্ৰত্যাৱৰ্তনৰ বাবে ৰঞ্জী মেচ খেলিছে তিনিওজন ক্ৰিকেটাৰে। উল্লেখ্য যে বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা দিল্লী আৰু ঝাৰখণ্ডৰ মেচখন উভয় দলৰ বাবে গুৰুত্বপূৰ্ণ। ইয়াৰপূৰ্বে প্ৰথম মেচত দিল্লীয়ে এক পইণ্ট লাভ কৰাৰ বিপৰীতে ঝাৰখণ্ড পৰাস্ত হৈছিল চত্তিছগড়ৰ হাতত। প্ৰথম মেচত ঝাৰখণ্ডে 169 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত চত্তিছগড়ে প্ৰথম ইনিংছত 174 ৰাণ কৰিছিল। ইফালে, ঝাৰখণ্ডে দ্বিতীয় ইনিংছত কৰে 133 ৰাণ। সেয়ে চত্তিছগড়ক বিজয়ৰ বাবে প্ৰয়োজন হয় 129 ৰাণ আৰু দলে দুটা উইকেট হেৰুৱাই পূৰ্ণ কৰি আঠ উইকেট জয়ী হয়। ইফালে, দিল্লী আৰু তামিলনাড়ুৰ মাজৰ মেচখন ড্ৰ ৰূপে সমাপ্ত হয় যদিও প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰে তামিলনাডুই। উল্লেখ্য যে মেচখনত দিল্লীৰ অপেনাৰ য়াছ ধুলে উভয় ইনিংছতে শতক অৰ্জন কৰাৰ গৌৰৱ লাভ কৰিছিল। নিজৰ প্ৰথমখন ৰঞ্জী মেচতে অনন্য সফলতা লাভ কৰিছিল ধুলে। বেটছমেনৰ স্বৰ্গভূমি হোৱা বৰ্ষাপাৰাত ললিত যাদব (177] আৰু য়াছ ধুলৰ (113] শতকৰে দিল্লীয়ে 452 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত তামিলনাডুই 494 ৰাণত প্ৰথম ইনিংছ সামৰি অগ্ৰগতি লাভ কৰে। দ্বিতীয় ইনিংছত দিল্লীৰ হৈ ধুলৰ (113] ৰ লগতে শতক অৰ্জন কৰে ধ্ৰুৱ শ্ব'ৰে (107] ¼

## ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ

**অগ্ৰদূত বাৰ্তা কাকজান, ২৪ ফেব্ৰুৱাৰী ঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু) কাকজান আঞ্চলিক সমিতিৰ উদ্যোগত যোৰহাট জিলা আৰু কাকজানবাসী ৰাইজৰ সহযোগত কাকজান মনাইপুলত চাৰিদিনীয়াকৈ আজিৰে পৰা প্ৰাইজমনি টেনিছ বল ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হয় । এই উপলক্ষে বৃহস্পতিবাৰে পুৱা পতাকা উত্তোলন কৰে আমছু যোৰহাট জিলা সমিতিৰ বিকি আহমেদে । সন্দীপ বৰাই বন্তি প্ৰজ্বলন কৰাৰ লগতে সাংবাদিক মানৱজ্যোতি বৰদলৈয়ে আঁতধৰা অনুষ্ঠানটিত প্ৰতিযোগিতাখনি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে পল্লৱী গগৈ, টীয়ক আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজিত টেৰং , আৰক্ষী বিষয়া ভূপেন দিহিঙীয়াই।

## আন্তঃজিলা ছিনিয়ৰ কাবাদীৰ ৰেফাৰীৰ নাম ঘোষণা সন্থাৰ

**অগ্ৰদূত বাৰ্তা, ৰঙিয়া, ২৪ ফেব্ৰুৱাৰী ঃ** ধুবুৰী জিলাৰ বিলাসীপাৰাত অহা 26 ফেব্ৰুৱাৰীৰ পৰা হ'বলগা আন্তঃজিলা ছিনিয়ৰ কাবাদী প্ৰতিযোগিতাৰ খেল পৰিচালনা কৰিবলৈ 39 গৰাকী ৰেফাৰীক মনোনীত কৰা হৈছে । সদৌ অসম কাবাদী ৰেফাৰী বোৰ্ডৰ আহ্বায়ক বীৰেণ কলিতাই জনোৱা মতে মনোনীত ৰেফাৰী সকল হ'ল নোমল ৰাভা, গফুৰ আলী , পৰেশ দাস, এই এছ এফ আলী, নৱজিৎ দাস, আৰ্ফান আলী , নুৰুল আমিন, চফিকুল হক, লোচন তামুলী, ছিদ্দিকৰ ৰহমান, ভগীৰথ চেত্ৰী, তপন হাজৰিকা খালিছুৰ ৰহমান, দীপাঞ্জলী দাস, ৰবিতা ৰাভা, অৰূপ দাস, অৰবিন্দ ৰাজবংশী ,ফকৰুল ইছলাম,মুজিবৰ আলী,আব্দুছ ছালাম ,ইউচুফ আলী তালুকদাৰ,অনুপমা ৰয় , আলাউদ্দিন সৰকাৰ, ময়নুল হক,আৰিফুল ইছলাম, আব্দুল গফুৰ, সঞ্জয় নাৰ্জাৰী,অজিত বসুমতাৰী, ৰমেশ কাকতি, অভিজিত গগৈ ,ৰেকিবুদ্দিন আহমেদ, হীৰা ৰাভা,অনিল বৰা ,বিপুল চুতীয়া, লোহিত দাস । ইতিমধ্যে লিখিত পৰীক্ষাত উত্তীৰ্ণ হোৱা ৰেফাৰীসকলকো ব্যৱহাৰিক পৰীক্ষাৰ বাবে বিলাসীপাৰাত উপস্থিত হ'বলৈ অসম কাবাদী সন্থাৰ সাধাৰণ সম্পাদক আবেদুৰ ৰহমান আৰু ৰেফাৰী বোৰ্ডৰ সভাপতি প্ৰবীন দাসে অনুৰোধ জনাইছে।



## শৃংখলাৰ অন্তিম মেচত ভাৰতীয় মহিলাৰ জয়লাভ

**নতুন দিল্লী, ২৪ ফেব্ৰুৱাৰী ঃ** ভাৰতীয় মহিলা ক্ৰিকেট দলে নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা পাঁচখনীয়া এদিনীয়া শৃংখলাৰ অন্তিমখন মেচত ছয় উইকেটত জয়লাভ কৰি হোৱাইটৱাশ্ব হোৱাৰ লজ্জাৰ পৰা ৰক্ষা পৰিছে। আজি নিউজিলেণ্ডে পোনতে বেটিং কৰি 251-9 ৰাণ কৰাৰ পাছত ভাৰতে চাৰি উইকেটত 252 ৰাণ কৰি সহজ জয় অৰ্জন কৰে। ভাৰতৰ হৈ স্মৃতি মান্ধানাই 71, হৰমনপ্ৰীতে 63 আৰু মিতালী ৰাজে অপৰাজিত 54 ৰাণ কৰে। উল্লেখ্য যে নিউজিলেণ্ডে ক্ৰমাগত চাৰিখন মেচত জয়ী হৈ পাঁচখনীয়া এদিনীয়া শৃংখলাটো 4-1 ৰ ব্যৱধানত দখল কৰিছে।

## কেৰমৰ বাছনি

**ডুমডুমা, ২৪ ফেব্ৰুৱাৰী ঃ** তিনিচুকীয়া জিলা কেৰম সন্থাৰ উদ্যোগত অহা 27 ফেব্ৰুৱাৰীত জিলা দল বাচনি কৰিবলৈ একক কেৰম খেল অনুষ্ঠিত কৰিব বুলি মৃণাল দত্তই জনাইছে। তিনিচুকীয়াৰ বৰদলৈ নগৰত থকা সমন্বয় সংঘত আয়োজন কৰা শিবিৰত অংশ গ্ৰহণ কৰিব বিচৰা ইচ্ছুক কেৰম খেলুৱৈক 9435135062, 9707892099 আৰু 9678315696 নম্বৰত যোগাযোগ কৰি নিজৰ নাম ঠিকনা জমা দিবলৈ অনুৰোধ জনাইছে।

### চত্তিছগড়ৰ বিৰুদ্ধে প্ৰথমদিনা তামিলনাড়ুৰ ৩০৮-৪

## নেহৰু ষ্টেডিয়ামত দুই বাবাৰ তাণ্ডৱ

**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত আজিৰে পৰা আৰম্ভ হৈছে তামিলনাডু আৰু চত্তিছগড়ৰ মাজত ৰঞ্জী ট্ৰফীৰ মেচ। আজি প্ৰথমদিনা বেটিং কৰা তামিলনাডুই প্ৰথম ইনিংছত চাৰিটা উইকেট হেৰুৱাই সংগ্ৰহ কৰিছে 308 ৰাণ। দলৰ হৈ বাবা অপৰাজিত (101] আৰু বাবা ইন্দ্ৰজিতে (127] শতক অৰ্জন কৰে। উল্লেখ্য যে দিনান্তত বেটিং কৰি থকা ইন্দ্ৰজিতে প্ৰথম মেচতো শতক অৰ্জন কৰিছিল। ইয়াৰপূৰ্বে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা দিল্লী আৰু তামিলনাড়ুৰ মাজৰ ৰঞ্জী ট্ৰফীৰ মেচখন ড্ৰ ৰূপে সমাপ্ত হৈছে যদিও দিল্লীৰ বিৰুদ্ধে প্ৰথম ইনিংছত অগ্ৰগতি লাভ কৰি তিনি পইণ্ট অৰ্জন কৰে তামিলনাডুই। স্মৰ্তব্য যে মেচখনত দিল্লীৰ 452 ৰাণৰ প্ৰত্যুত্তৰত তামিলনাডুই 494 ৰাণত প্ৰথম ইনিংছ সামৰে। দলৰ হৈ শ্বাহৰুখ খানে 194 আৰু বাবা ইন্দ্ৰজিতে 117 ৰাণ কৰে। উল্লেখ্যে যে ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠ ঘৰুৱা প্ৰতিযোগিতা ৰঞ্জী ট্ৰফীৰ এটা গ্ৰুপৰ মেচ অনুষ্ঠিত হৈছে গুৱাহাটীত। অসম ক্ৰিকেট সন্থাই বৰ্ষাপাৰা ষ্টেডিয়াম আৰু নেহৰু ষ্টেডিয়ামত ৰঞ্জী ট্ৰফীৰ মেচ অনুষ্ঠিত কৰিছে। গুৱাহাটীত খেলা দল



চাৰিটা হ'ল তামিলনাডু, দিল্লী,ঝাৰখণ্ড আৰু চত্তিছগড়। ইয়াৰপূৰ্বে চত্তিছগড়ে প্ৰথম মেচত ঝাৰখণ্ডক হৰুৱাই ছয় পইণ্ট লাভ কৰিছিল। উল্লেখ্য যে মেচখনত ঝাৰখণ্ডে 169 ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত চত্তিছগড়ে প্ৰথম ইনিংছত 174 ৰাণ কৰিছিল। ইফালে, ঝাৰখণ্ডে দ্বিতীয় ইনিংছত কৰে 133 ৰাণ। সেয়ে চত্তিছগড়ক বিজয়ৰ বাবে প্ৰয়োজন হয় 129 ৰাণ। দলে দুটা উইকেট হেৰুৱাই 129 ৰাণ কৰি আঠ উইকেট জয়ী হয় আৰু ছয় পইণ্ট লাভ কৰে।

## টপচেম এ এছ জে এ মিডিয়া ক্ৰীড়া

**গুৱাহাটী, ২৪ ফেব্ৰুৱাৰী ঃ** অসম ক্ৰীড়া সাংবাদিক সন্থাৰ উদ্যোগত নেহৰু ষ্টেডিয়ামত চলি থৰা টপচেম এ এছ জে এ মিডিয়া ক্ৰীড়াৰ আজি হোৱা বেডমিণ্টন প্ৰতিযোগিতাত দ্বিমুকুট অৰ্জন কৰে প্ৰাগ নিউজৰ মাইণ্টু ভাগৱতীয়ে। পুৰুষৰ একক শাখাত তেওঁ পৰাস্ত কৰে আকাশবাণীক প্ৰতাপ দেক। আনহাতে, দলীয়ত মাইণ্টুৱে অচিত চুতীয়া আৰু স্বপ্নীল গগৈক সংগী কৰি ফাইনেলত আসাম ট্ৰিবিউনক পৰাস্ত কৰে। মহিলাৰ শাখাত চিম্পল ৰাজকুমাৰীয়ে হৰ্ষিতা ভাগৱতীক হৰুৱাই চেম্পিয়ন হয়। উল্লেখ্য যে দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামতে হয় বেডমিণ্টন প্ৰতিযোগিতা। কাইলৈ অনুষ্ঠিত হ'ব দবা। ইয়াৰপূৰ্বে প্ৰথমদিনা দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত হোৱা টেবুল টেনিছত পুৰুষৰ দলীয় শাখাত খিতাপ লাভ কৰে দূৰদৰ্শনে। ফাইনেলত দূৰদৰ্শনে 2-0 ত পৰাস্ত কৰে আসাম ট্ৰিবিউনক। দূৰদৰ্শনৰ হৈ খেলে লোকেন্দ্ৰ সিং আৰু শান্তনু চক্ৰৱৰ্তীয়ে। আনহাতে, আসাম ট্ৰিবিউনৰ হৈ খেলে ৰিতুৰাজ বৰঠাকুৰ আৰু পি জে বৰুৱাই। ইফালে, পুৰুষৰ একক শাখাৰ খিতাপ লাভ কৰে অসম আদিত্যৰ দেৱজিত দত্তই। আনহাতে, মহিলাৰ একক শাখাত খিতাপ লাভ কৰে হৰ্ষিতা ভাগৱতী কটকীয়ে। তেওঁ হৰুৱাই চিম্পল ৰাজকুমাৰীক।



### প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব ২২ জিলাৰ দুই শতাধিক খেলুৱৈয়ে

## আজিৰে পৰা মঙলদৈত ছিনিয়ৰ আন্তঃজিলা আৰ্চাৰী

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ২৪ ফেব্ৰুৱাৰী ঃ** অসমৰ 22 খন জিলাৰ দুই শতাধিক আৰ্চাৰ আৰু পৰিচালক, প্ৰশিক্ষকৰ অংশগ্ৰহণেৰে কাইলৈৰ পৰা মঙলদৈ মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত হব 17 সংখ্যক আন্তঃজিলা পুৰুষ-মহিলাৰ ছিনিয়ৰ আৰ্চাৰী চেম্পিয়নশ্বিপ। দৰং জিলা আৰ্চাৰী সন্থাৰ উদ্যোগত আৰু অসম আৰ্চাৰী সন্থাৰ তত্বাবধানত অনুষ্ঠিত হবলগীয়া এই চেম্পিয়নশ্বিপৰ মাৰ্চ পাষ্টৰ অভিবাদন গ্ৰহণ কৰিব দৰঙৰ উপায়ুক্ত প্ৰনৱ কুমাৰ শৰ্মাই আৰু তেওঁক সহযোগ কৰিব মঙলদৈ মহাবিদ্যালয়ৰ এন চি চিৰ মেজৰ হৰিমন ডেকাই। ইয়াৰ পিছতেই অসম আৰ্চাৰী সন্থাৰ পতাকা উত্তোলন কৰিব ৰাজ্যিক সভাপতি দনেশ্বৰ গয়াৰীয়ে। আনহাতে, জিলা আৰ্চাৰী সন্থাৰ পতাকা উত্তোলন কৰিব জিলা আৰ্চাৰী সন্থাৰ সভাপতি সুশান্ত বিশ্ব শৰ্মাই। পতাকা উত্তোলনৰ পিছতেই ক্ৰমাগতভাৱে তিনিদিন অৰ্থাৎ 25 পৰা 27 ফেব্ৰুৱাৰীলৈ প্ৰতিযোগিতা চলিব। নৱগঠিত দৰং জিলা আৰ্চাৰী সন্থাই দৰঙত পোনপ্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাখন আয়োজনৰ ক্ষেত্ৰত পূৰ্ণ প্ৰস্তুতি ইতিমধ্যে সম্পন্ন কৰিছে। ইতিমধ্যে অসমৰ দূৰ-দূৰণিৰ কেইবাখনো জিলাৰ দল আহি মঙলদৈত উপস্থিত হৈছে। দলসমূহৰ থকা-খোৱাৰ এক সুব্যৱস্থা কৰিছে বুলি অভ্যৰ্থনা সমিতিৰ সভাপতি তথা দৰঙৰ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই জনাইছে।

## সোণাৰিবালিত বাৰ্ষিক ক্ৰীড়া সমাৰোহ

**অগ্ৰদূত বাৰ্তা, পুৰণিগুদাম, ২৪ ফেব্ৰুৱাৰী ঃ** নগাঁও জিলাৰ ৰূপহী শিক্ষা খণ্ডৰ সামূহিক শিক্ষা, নগাঁৱৰ উদ্যোগত আজি দিনজোৱা কাৰ্যসূচীৰে বাৰ্ষিক সামূহিক ক্ৰীড়া সমাৰোহ সোণাৰিবালী মধ্য-ইংৰাজী বিদ্যালয়ত অনুষ্ঠিত কৰা হয়। উক্ত সমাৰোহৰ পতাকা উত্তোলন কৰে অঞ্চলৰ কৃতি শিক্ষক জামাল উদ্দিন আহমেদে। খেলপথাৰ মুকলি কৰে মিকিৰহাট প্ৰাথমিক বিদ্যালয়ৰ বিশেষ ভাৱে সক্ষম ছাত্ৰ কুলদীপ দাসে। ৰূপহী শিক্ষা খণ্ডৰ বিভিন্ন বিদ্যালয়ৰ পৰা অহা প্ৰায় শতাধিক সাধাৰণ তথা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ মাজত বেডমিণ্টন, দৌৰ ইত্যাদি কেইবা বিধো খেল সামূহিক ভাৱে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত অনুষ্ঠিত কৰি বিজয়ী ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ, ট্ৰফীৰে পুৰষ্কৃত কৰা হয়। কাৰ্যসূচীত সমল ব্যক্তি ক্ৰমে দুৰ্লভ পৱন বৰুৱা, দিব্যজ্যোতি ভট্ট, আৰু ৰূপামনি কাকতিৰ লগতে সোণাৰিবালী মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰফিকুল ইছলাম প্ৰমুখ্যে সহকাৰী শিক্ষক জ্যোতিষ্মান শৰ্মা, জগমোহন বৰকাকতী, ঋষভ দেৱনাথ, ৰূপজ্যোতি মৰল, গীতাঞ্জলি মালাকাৰ, হাফিজা বেগম আদি ব্যক্তি উপস্থিত থাকে ।

## মানস প্ৰতিম ক্ৰিকেটৰ ছেমিত নলবাৰী

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ২৪ ফেব্ৰুৱাৰী ঃ** ওদালগুৰি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা চতুৰ্থ মানস প্ৰতিম দাস সোঁৱৰণী ক্ৰিকেটৰ আজিৰ চতুৰ্থ তথা অন্তিমখন কোৱাৰ্টাৰ ফাইনেল খেলত বিকে চেলেঞ্জাৰ নলবাৰীয়ে হাৰিকেন ক্ৰিকেট ক্লাৱ বাইহাটাক চাৰি উইকেটত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্তৰে বাইহাটাই 29.1 অভাৰত আটাইকেইটা উইকেট হেৰুৱাই 156 ৰাণ সংগ্ৰহ কৰে। বাইহাটাৰ ভি



শ্বাহেÃÃ 35 ৰাণ কৰাৰ বিপৰীতে নলবাৰীৰ নিহাৰ ডেকাই তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত বেট ধৰি নলবাৰীয়ে 18.5 অভাৰত ছয়টা উইকেট হেৰুৱাই 157 ৰাণ কৰি মেচত জয়ী হয়। নলবাৰীৰ নিহাৰ ডেকাই 49 ৰাণ কৰাৰ বিপৰীতে বাইহাটাৰ নিশান্ত ভৰালীয়ে তিনিটা উইকেট দখল কৰে। প্ৰতিযোগিতাখনিৰ প্ৰথমখন ছেমিফাইনেল খেল কাইলৈ বিকে চেলেঞ্জাৰ নলবাৰী বনাম অ'এমচিচি ওদালগুৰিৰ মাজত অনুষ্ঠিত হ'ব।

## দক্ষিণ কামৰূপ ভলীবল লীগ



**ছয়গাঁও, ২৪ ফেব্ৰুৱাৰী ঃ** দক্ষিণ কামৰূপ জিলা ক্ৰীড়া সন্থাৰ আন্তঃ ক্লাব ভলীবল প্ৰতিযোগিতাত কাছকা ভলী ক্লাব ছেমি ফাইনেলত উপনীত হৈছে । ছয়গাঁও মহাবিদ্যালয় ক্ৰীড়া কোষ আৰু মহাবিদ্যালয় আভ্যন্তৰীন মান আৰু প্ৰত্যায়ন কোষৰ সহযোগত মহাবিদ্যালয় খেলপথাৰত আজি প্ৰতিযোগিতাখন আনুষ্ঠানিকভাবে উদ্বোধন কৰে জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ কমলাকান্ত কলিতাই । উদ্বোধনী অনুষ্ঠানত অতিথি ৰূপে দৈনিক অসম কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক সুবোধ মল্ল বৰুৱা আৰু অসমীয়া প্ৰতিদিন কাকতৰ জ্যেষ্ঠ উপ-সম্পাদক বিদ্যুত কলিতা উপস্থিত আছিল। ছয়টা ক্লাবে অংশ লোৱা 2021-22 বৰ্ষৰ প্ৰতিযোগিতাখনৰ আজি অনুষ্ঠিত খেলত কাছকা ক্লাবে দুখন খেলত আৰু ছয়গাঁও মহাবিদ্যালয় 'ক' দলে জয়লাভ কৰিছে ।

অসম চৰকাৰ



শ্ৰীযুত ৰাম নাথ কোৱিন্দ
ভাৰতৰ মাননীয় ৰাষ্ট্ৰপতি



অসমলৈ
# উষ্ম আদৰণি
২৫-২৭ ফেব্ৰুৱাৰী, ২০২২

## অসমত মাননীয় ৰাষ্ট্ৰপতিৰ কাৰ্যসূচীসমূহ

**২৫ ফেব্ৰুৱাৰী, ২০২২**

লাচিত বৰফুকনৰ ৪০০সংখ্যক জন্মবৰ্ষ উদ্‌যাপনৰ শুভাৰম্ভ অনুষ্ঠান
শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, পাঞ্জাবাৰী, গুৱাহাটী

আলাবৈ ৰণৰ যুদ্ধ স্মাৰকৰ আধাৰশিলা স্থাপন
শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী/দদৰা, কামৰূপ

লাচিত বৰফুকনৰ মৈদামৰ সৌন্দৰ্যবৰ্ধন তথা মেৰামতিৰ আধাৰশিলা স্থাপন
শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী/টিয়ক, যোৰহাট

**২৬ ফেব্ৰুৱাৰী, ২০২২**

তেজপুৰ বিশ্ববিদ্যালয়ৰ সমাৱৰ্তনত অংশগ্ৰহণ
তেজপুৰ, শোণিতপুৰ

অসম চৰকাৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণৰ ক্ষেত্ৰত গ্ৰহণ কৰা
নতুন পদক্ষেপসমূহৰ অগ্ৰগতি সন্দৰ্ভত আলোচনা
কাজিৰঙা

জনসংযোগ/ডি/১৬২০৭/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Follow us @diprassam diprassam.gov.in